CC0. In Public Domain, Digitizagtion by eGangotri

9.2

गीता ज्ञान मञ्जरी

...थालय
वाराणसी-५

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ॐ

গীতা-জ্ঞান-মঞ্জৰী

GITA-JNANA-MANJARI

SOUVENIR

OF

Akhil Bharatiya Gita Sammilan
Sixth Annual Conference
February, 15-19, 1985
ASSAM

Editor : KANAK CHANDRA DEKA

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

GITA-JNANA-MANJARI : A Collection of Articles on Gita-Bhagavat Dharma in Assamese Hindi and English

Published by :
Reception Committee
Sixth Annual Conference,
Akhil Bharatiya Gita Sammilan
Assam Session, 1985

Eoitor : Kanak Chandra Deka
Lachit Nagar
Guwahati-7

Printed at :
Hemkosh Stationers
Zoo-Narangi Road,
Guwahati-21

Cover Page Designed by :
Chitta Das

Price : **Twenty Five Rupees**

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri



ৰঘুপতি ৰাঘৱ ৰাজা ৰাম ।
পতিত পাৱন সীতা ৰাম ॥

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

সম্পাদকৰ মিনতি—

"জগন্নাথ-স্বামী নয়ণ-পথ গামী।"

অখিল ভাৰতীয় গীতা-সম্মিলনৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনখন অনুষ্ঠান কৰাৰ অদম্য আশা এটি মনত পুহি ৰাখি কেবামাহো আগতে পূজ্য শ্ৰীহেমভাই এই অভাজনক এটি বিনম্ৰ অনুৰোধ জনাই থৈছিল,—"যদিহে ঈশ্বৰে সম্মিলনখন পাতিব দিয়ে, আপুনি স্মৃতিগ্ৰন্থখনিৰ কামত সহায় কৰিব লাগিব।" শ্ৰীহেমভাইৰ অনুৰোধ মোৰ বাবে প্ৰভু জগন্নাথৰ মহাপ্ৰসাদ, আশীৰ্বাদ নিৰ্মাল্য। সম্মিলন আহুত হ'ল, অভ্যৰ্থনা সমিতিয়ে এই মুৰুখ মতিৰ কান্ধত স্মৃতিগ্ৰন্থ সম্পাদনা কৰাৰ ভাৰখনি তুলি দিয়াৰ লগতে 'স্মৃতিগ্ৰন্থ উপদেষ্টা সমিতি' আৰু 'সম্পাদনা সমিতি' দুখনো গঠন কৰি দিলে দুইখন সমিতিৰে মহান সদস্যবৰ্গৰ ওচৰত আমি কৃতজ্ঞ থাকিলোঁ।

নিজৰ অজ্ঞতা, সময়ৰ নাটনি, অৰ্থৰ অভাৱ, ছপাশালৰ দুৰ্লভতা আদিক মূলধন হিচাপে লৈ "গীতা-জ্ঞান-মঞ্জৰী"—নাম দি স্মৃতিগ্ৰন্থখনি দিনে নিশাই হেমকোষ প্ৰৈচনাৰ্চৰ স্বত্বাধিকাৰ ভাতৃদ্বয়—শ্ৰীঅজিত কুমাৰ বৰুৱা, শ্ৰীদেৱজিত বেজবৰুৱা, মুদ্ৰক শ্ৰীবাসুদেৱ ৰাও প্ৰমুখ্যে—ছপাশালৰ অক্লান্ত কৰ্মীসকল আৰু আমাৰ অনুজ-প্ৰতিম শ্ৰীমান ৰমেশচন্দ্ৰ তালুকদাৰৰ সৈতে খাটি-মিলি দোষে-গুণে গীতা-ভাগৱত ভক্তসকলৰ হাতত অৰ্পণ কৰিলোঁ। সাধুজনে গুণখিনি লৈ দোষ-ত্ৰুটীৰ বাবে এই নিঃকিনক মাৰ্জনা কৰিলে পৰম কৃতাৰ্থ হম। হিন্দী নিবন্ধখিনিৰ আহিঁকাকত শ্ৰদ্ধেয়া শ্ৰীশকুন্তলা বাইদেউ পৰীক্ষা কৰি দি আমাৰ শলাগৰ পাত্ৰী হৈছে।

স্মৃতিগ্ৰন্থখনি ততাতৈয়াকৈ ছপাই উলিয়াব লগা হোৱাত স্মৃতিগ্ৰন্থৰ কলেৱৰ সঙ্কুচিত কৰিবলৈ বাধ্য হৈ কিছুমান অতি মূল্যৱান প্ৰবন্ধ সমূলি আৰু কিছুমানৰ অংশবিশেষ বাদ দিব লগীয়া হ'ল।

"পাৰে পৰি হৰি কৰহোঁ কাতৰি
প্ৰাণ ৰাখবি মোৰ।"

১৬ ফেব্ৰুৱাৰী ১৯৮৫

শ্ৰীকনকচন্দ্ৰ ডেকা
সম্পাদক

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

নিবেদন

অখিল ভাৰতীয় গীতা সম্মিলনৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনখনি গুৱাহাটীৰ 'শান্তি সাধনা আশ্ৰম'ত অনুষ্ঠিত কৰা হৈছে। গুৱাহাটী অসমৰ ৰাজনীতি, শিক্ষা, উদ্যোগ আৰু সংস্কৃতিৰ কেন্দ্ৰ য'ত বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ, ভাষাৰ লোকে যুগ যুগ ধৰি মিলা-প্ৰীতিৰে বসবাস কৰি আহিছে। সেয়ে এই অধিৱেশনখনি বিশেষ তাৎপৰ্য্যপূৰ্ণ।

ভক্ত-বৈষ্ণৱ মহাত্মাসকলৰ প্ৰতি অন্তৰত অকুণ্ঠ শ্ৰদ্ধা-ভক্তি থকা স্বত্বেও যথাযোগ্য আসন, বসন, আতিথ্য আমি দিব পৰা নাই। তদুপৰি পদে পদে আমাৰ অনেক ত্ৰুটী হৈছে যাৰ বাবে আমি সবাবো ওচৰত ক্ষমা ভিক্ষা মাগিছোহঁক।

অধিৱেশনখনিৰ স্মৃতি ৰোমন্থনৰ আঁশাৰে অধ্যাপক শ্ৰীকনক চন্দ্ৰ ডেকাৰ দ্বাৰা সম্পাদিত অসমীয়া, ইংৰাজী আৰু হিন্দীত ত্ৰিভাষিক 'গীতা-জ্ঞান-মঞ্জৰী' নামক গ্ৰন্থ এখনি আপোনাসবৰ কৰকমলত সবিনয়ে তুলি দিয়া হৈছে।

এইখিনিতে আমি মাৰ্জনা বিচাৰিছো যে ভালেমান প্ৰবন্ধ আমাৰ হাতত বহু দেৰিকৈ পৰাত, দ্বিতীয়তে গুৱাহাটীৰ ছপাশালে নিবন্ধখিনি সময়ৰ অভাৱত সম্পূৰ্ণকৈ ছপা কৰি দিব নোৱাৰাত, আনহাতে অৰ্থ সঙ্কতে জুকলা কৰাত এক বুজন সংখ্যক প্ৰবন্ধ প্ৰকাশ কৰিব পৰা ন'গল। তদুপৰি কেবাটাও প্ৰবন্ধ গীতা-ভাগৱত ধৰ্মৰ পৰিপন্থী হোৱাত স্মৃতিগ্ৰন্থত প্ৰবিষ্ট কৰিব পৰা ন'হল। আমাৰ এই সকলোবোৰ দোষ-ত্ৰুটীৰ কাৰণে প্ৰবন্ধকাৰ আৰু পাঠক পাঠিকাসকলৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ।

শেষত, যিসকল ধৰ্মপ্ৰাণ, গীতাপ্ৰাণ, সমাজসেৱী মহাত্মাই শ্ৰম, অৰ্থ, সুবুদ্ধি দানে সম্মিলনখনি সফল হোৱাত সৰ্বতো প্ৰকাৰে সহায় কৰিছে সেই সকললৈকে আমাৰ আন্তৰিক কৃতজ্ঞতা আগ বঢ়ালো।

ইতি

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী

কাৰ্যকৰী সভাপতি

অখিল ভাৰতীয় গীতা সম্মিলনৰ

ষষ্ঠ বাৰ্ষিক অধিৱেশনৰ অভ্যৰ্থনা

সমিতিৰ হৈ

গোকুল বশিষ্ঠ

শান্তি সাধনা আশ্ৰম

ফেব্ৰুৱাৰী ১৫-১৯/১৯৮৫

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

শ্ৰীমতী অমলপ্ৰভা দাস

'যেতিয়া সমগ্ৰ বিশ্ব অজ্ঞান অন্ধকাৰৰ মাজত ডুবগৈ আছিল তেতিয়াই ভাৰতবৰ্ষৰ ঋষি-মুনি সকলে সিন্ধু, গঙ্গা, যমুনা ,সৰস্বতীৰ পাৰত বহি বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, গীতা-ভাগৱত মহামূল্যৱান শাস্ত্ৰ ৰচনা কৰি, জ্ঞানৰ আবিয়া জ্বলাই জগতত প্ৰজ্ঞাৰ পোহৰ বিলাইছিল।' মহাত্মা সকলৰ লগতে মৈত্ৰেয়ী, গাৰ্গী, লোপমুদ্ৰা, বিশ্বম্ভৰা আদি মহিয়সী নাৰীসকলেও খোজত খোজ মিলাই নিজৰ লগতে বিশ্ব-মানৱক অমৰত্ব দান কৰিছিল। সেই আই-মাতৃ সকলৰ জ্ঞানৰ প্ৰভাৱে প্ৰভাৱান্বিত হৈ এই যুগৰ দুজনা মহাত্মা –গান্ধী-ৱিনোবাৰ চৰণৰ পূত-পুণ্য ৰেণু শিৰত ধাৰণ কৰি আৰু জনম-ভূমিৰ দুজনাগুৰু—শ্ৰীমন্ত শঙ্কৰ-মাধৱৰ আদৰ্শক হৃদয়ৰ পৰম বস্তু ৰূপে গ্ৰহণ কৰি ত্যাগ, ক্ষমা, সত্য, প্ৰেম. কৰুণাৰে ওৰে জীৱন বিধৌত কৰি যি গৰাকীয়ে নিজৰ বাবে অমৰত্ব অৰ্জন কৰিলে, আই কনকলতাৰ পিচতে এইযুগৰ অসমীয়া আই-মাতৃসকলৰ ভিতৰত নিজক শ্ৰেষ্ঠত্ব প্ৰদান কৰিলে ; যি গৰাকীক পৰম বল মানি পূজ্য শ্ৰীহেমভায়ে অখিল ভাৰতীয় গীতা সম্মিলন আহ্বান কৰি অসমবাসীক গীতামৃত পান কৰালে, তেখেতেই আমাৰ পূজ্যা, অতি শ্ৰদ্ধাৰ, অতি মৰমৰ বাইদেউ, শ্ৰীমতী অমলপ্ৰভা দাস. সম্মিলনৰ সভানেত্ৰী।

সম্পাদক

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri



শ্ৰীৰামকৃষ্ণ বাজাজ ঃ প্ৰতিষ্ঠাপক সভাপতি,
অখিল ভাৰতীয় গীতা সম্মিলন

ডাঃ বীৰেন্দ্ৰ নাথ চৌধুৰী
অখিল ভাৰতীয় গীতা সম্মিলনৰ ষষ্ঠ বাৰ্ষিক অসম অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতা-জ্ঞান-মঞ্জৰী

ক্ৰমণিকা

		পৃষ্ঠা
সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা :	পাঞ্চজন্য	১
শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা :	গীতা	৮
শ্ৰীমৎ স্বামী-কৃষ্ণানন্দ ব্ৰহ্মচাৰী :	গীতা দৰ্শন	১০
শ্ৰীলক্ষেশ্বৰ হাজৰিকা :	মহাপুৰুষ মাধৱদেৱৰ সন্তোষ	২৪
শ্ৰীনৃপেন শৰ্মা :	বিনোবাৰ দৃষ্টিত গীতা	২৮
শ্ৰীমতী অমলপ্ৰভা দাস :	গীতা এক জীৱন শাস্ত্ৰ	৩২
শ্ৰীৰবিচন্দ্ৰ বৰ্মন :	প্ৰস্থানত্ৰয়	৩৬
শ্ৰীমতী পুষ্পলতা দাস :	গীতা-আই আৰু গীতা-প্ৰৱচন	৪২
শ্ৰীসোনাৰাম চুতীয়া :	বেদত বৰ্ণ বিচাৰ	৪৫
শ্ৰীমুনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা :	ৰাস-লীলা	৪৯
শ্ৰীকৰুণাময় হৰিপদ গোস্বামী :	গীতা	৫২
শ্ৰীমতী ৰাহেনা শইকীয়া :	সংস্কৃতিৰ সমন্বয়ত গুৰু-শঙ্কৰ	৫৫
শ্ৰীসতীশ চন্দ্ৰ কাকতী :	গান্ধীজীৰ দৃষ্টিত গীতা	৬০
শ্ৰীনিত্যানন্দ বৰুৱা :	গীতাৰ পাতনি আৰু প্ৰয়োজনীয়তা	৬৯
শ্ৰীৰজনীকান্ত দেৱশৰ্মা :	ভাগৱত-ধৰ্ম	৭২
শ্ৰীবৈকুণ্ঠ তালুকদাৰ :	বিশ্বৰূপ	৭৬
অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়াসকল :		৭৭

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri



পাঞ্চজন্য

সাহিত্যাচাৰ্য্য শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

সেই দিনা আৰম্ভণ কুৰুক্ষেত্ৰ ৰণ
শাৰী শাৰী সাজিছে সেনানী—
ভীষ্ম, দ্ৰোণ, কৰ্ণ, কৃপ, শল্য, জয়দ্ৰথ
আৰু যত বীৰ চূড়ামণি।
সাজে শত বীৰ ভ্ৰাতা, ৰজা দুৰ্য্যোধন,
ভগদত্ত প্ৰাগজ্যোতিষৰ,
অষ্টাদশ অক্ষৌহিণী ভাৰতীয় বীৰ
মিলিছেহি কৰি পয়োভৰ।
গৰ্বভৰে কুৰুবৰে ভাবে মনে মনে—
মুষ্টিমেয় পাণ্ডৱ বাহিনী,
নাই ভয় হব জয়, আমি মহাবল
নিষ্কণ্টকা ভুগিম মেদিনী।
অগণন অস্ত্ৰ-শস্ত্ৰ, হাতী-ঘোঁৰা, ৰথ
সকলো যে আমাৰ ফালেই,
লুপ্ত হব এই বাৰ পাণ্ডৱৰ নাম
ৰাজ্য নিদি কৰিলোঁ ভালেই।
পাণ্ডৱ পক্ষতো সাজে বীৰ পঞ্চভ্ৰাতা
ধৃষ্টদ্যুম্ন, পাঞ্চাল, বিৰাট,
বীৰ শিশু অভিমন্যু, ঘটোৎকচ,
সাজে আৰু বীৰ অসংখ্যাৎ।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ধৰ্মপুত্ৰ যুধিষ্ঠিৰে বিয়াকুল ভাৱে
অনিচ্ছাৰে পশিছেহি ৰণে,
দুইফালে জয়ধ্বনি আকাশ কঁপাই
সিংহনাদ হইছে সঘনে।
কৃষ্ণক সাৰথি লই বীৰ ধনঞ্জয়
কপিধ্বজ ৰথত উঠিল,
বছা বছা অস্ত্ৰ-শস্ত্ৰ অজেয় গাণ্ডীৱ
মাৰণাস্ত্ৰ লগত আছিল।
নিমিষে লৰিল ৰথ বিজুলী বেগেৰে
চাই গ'ল এফালৰ পৰা,
কোন কোন বীৰে আহি কৌৰৱ পক্ষত
কৰে আজি কম্পান্বিতা ধৰা।
"ৰাখা সখি! ৰথ তুমি" অৰ্জুনে বুলিলে,
"শুনা মোৰ অন্তৰৰ কথা,
এই চোৱা পৰি গ'ল গাণ্ডীৱ হাতৰ
অবাৰতে নবঢ়াওঁ লেঠা।
কোনো যে নহয় পৰ, সকলো আপোন
যতমানে বীৰ বিপক্ষৰ,
পিতামহ ভীষ্মদেৱ, গুৰু দ্ৰোণাচাৰ্য্য
ভ্ৰাতা-বন্ধু সকলো নিজৰ।
সিসবৰ শৰীৰত চোকা চোকা শৰ
কোৱাচোন কিদৰে হানিম,
হব শত ভ্ৰাতৃবধূ অকাল বিধবা
শত চিতা কিদৰে জ্বালিম?
কান্দিব গান্ধাৰী মাতৃ ইনাইবিনাই
নোলাব যে প্ৰবোধ বচন,
নেলাগে, নেলাগে সখি! হব এনে ৰণ
সিংহাসন নাই প্ৰয়োজন।
গুচি যাম পঞ্চভ্ৰাতা পুনু বনলই
ফল-মূল খায়েই থাকিম,

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

দুৰ্য্যোধনে ৰজা হই থাকক আনন্দে
তাতে আমি আনন্দ লভিম।”
এই বুলি পাৰ্থ বীৰে বিষাদ মনেৰে
বহি গ'ল ধেনু-শৰ থই,
আৰম্ভিলে শ্ৰীকৃষ্ণই সুমধুৰ বাণী
মিচিকিয়া হাঁহি এটি লই।
“কিয় সখি হঠাতেই ইমান কাতৰ
অধৰ্মৰ নকৰি বিচাৰ,
হৃদয়ৰ দুৰ্বলতা ত্যাগ কৰা পাৰ্থ
এনে কাৰ্য্য নোশোভে তোমাৰ।
তুমি, মই, সকলোটি আছিলোঁ আগেয়ে
আছোঁ পুনু থাকিম সদায়,
যৌৱন বাৰ্দ্ধক্য আদি আছেই জীৱৰ
মৰণো যে ঠিক তেনুৱাই।
সকলো অনিত্য জানি যিজন পুৰুষ
নিৰ্বিকাৰ সুখত-দুখত,
সিজনৰ মোক্ষলাভ জানিবা স্বৰূপ
লক্ষ্য তাৰ পৰম ব্ৰহ্মত।
পৰম আত্মাৰ নাই কদাপি বিনাশ
সেয়ে মাথোঁ সত্য নিত্য ধন,
সেইদেখি এৰি দিয়া বেজাৰ মনৰ
উঠা পাৰ্থ! কৰা তুমি ৰণ।
জন্মিলে মৰিব লাগে নীতি চিৰন্তন
কৰিবই লাগিব পালন,
মৰণৰ কথা ভাবি কদাপিতো তুমি
নকৰিবা শোক অকাৰণ।
এনে যুদ্ধ সকলোৰে নিমিলে ভাগ্যত
ভাগ্যৱন্ত ক্ষত্ৰিয়ৰ বিনে,
স্বধৰ্ম পাহৰি হলে কৰ্তব্যবিমুখ
পাতকত পৰিবা গোপনে।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

চিৰকাল সকলোৱে গাব অপযশ
শুনা হেৰা সখি ধনঞ্জয় !
কীৰ্তিৱন্ত পুৰুষৰ অকীৰ্তি কাহিনী
মৰণো যে ভাল তাতকই।
শত্ৰুৱে ভাবিব তুমি ভয়ে কম্পমান
কুবচন শুনাব বহুত,
পাৰিবা নে সহিব নীৰবে, বাক্য-বাণে
শেল সম হানিলে বুকুত ?
হোৱা যদি জয়ী তুমি ভুগিবা মেদিনী
মৰিলেও বাস স্বৰ্গত,
জয় কিম্বা পৰাজয় দুয়োটাতে লাভ
লোৱা পাৰ্থ! গাণ্ডীৱ হাতত।
তুমিতো নোৱাৰা নিজে একো কৰিব
হোৱা মাথোঁ নিমিত্ত সবাৰে,
শুদ্ধ চিতে কৰা যুদ্ধ মনপুতি লাগি
কৰা কৰ্ম নিষ্কাম ভাবেৰে।
ফলাফল সমৰ্পণ নিৰ্লিপ্ত ভাবত
কৰা সখি মোৰ ওপৰত,
তোমাৰ কাৰ্য্যকে আজি চাইছে জগতে
ভালদৰে ৰাখিবা মনত।"
এইদৰে বহুপৰ ভালেখিনি কথা
ভাঙিপাতি শ্ৰীকৃষ্ণই কলে,
কৰ্ম-যোগ, জ্ঞান-যোগ, ভক্তি-যোগ আদি
কাণ পাতি অৰ্জ্জুনে শুনিলে।
গীতাৰ গভীৰ তত্ত্ব, উদ্দীপনা বাণী
বই গ'ল অমৃতৰ ধাৰ—
নৱশক্তি লাভ কৰি মুমূৰ্ষু পাৰ্থৰ
হ'ল পুনু আনন্দ অপাৰ।
"আৰু শুনা" শ্ৰীকৃষ্ণই কলে অৰ্জুনক
"ঘিণ কৰোঁ ময়ো সখি ৰণ,

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

কিন্তু যে নামিছোঁ এই সমৰক্ষেত্ৰত
নোহে তাৰ সামান্য কাৰণ।
কত চেষ্টা কৰি চালোঁ, কত যে যতন
এবিধো যে বাকী ৰখা নাই,
একাতে ৰাক্ষসী ৰণ নহ'ল বাৰণ
এয়ে শেষ একেটি উপায়।
কত শত নির্য্যাতন সহিছে পাণ্ডৱে
ক্ষমাশীলা বসুধাৰ দৰে,
তথাপি কদাপি জানা পাপী কৌৰৱক
চোৱা নাই হিংসাৰ চকুৰে।
সেই জতুগৃহদাহ, কূট পাশাখেল
বনবাস দিছিল দুবাৰ,
কাঢ়ি নিলে স্বাধীনতা স্যমন্তক মণি
আৰু যত ন্যায্য অধিকাৰ।
দুষ্টমতি দুঃশাসনে সতী পাঞ্চালীক
অপমান কৰিলে যেতিয়া
গদাবীৰ ভীমসেন উঠিল গৰজি
ক্ষমা মই কৰালোঁ তেতিয়া।
দেখা পাই অনাচাৰ, অধৰ্ম ইমান
দেৱতাৰো আসন কঁপিল,
তথাপিতো কৌৰৱৰ ইমান পাপতো
বজ্ৰবুকু মুঠে নলৰিল।
দাতা কৰ্ণ, গুৰু দ্ৰোণ, ভীষ্ম পিতামহ
গুণীশ্ৰেষ্ঠ আদৰ্শ ধৰাৰ,
সত্যনিষ্ঠা, মহাত্যাগী, আদৰ্শ ধৰাৰ
কেউজনে নমস্য আমাৰ।
কিয়নো সিসবে বাৰু কৌৰৱ-সভাত
পাপ কাৰ্য্য ৰ'ল স্থিৰে চাই,
নকৰিলে ৰাজ আজ্ঞা কদাপি লংঘন
পাপ বুলি জানিশুনি হায়!

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ওচৰতে ধ্বংস বুলি কৌৰৱ বংশৰ
ভালদৰে সবাই জানিছে,
ৰাজঅন্ন কৰোঁ জীৰ্ণ—এইবুলি মাথোঁ
বীৰদৰ্পে ৰণত নামিছে।
জানিছে ইয়াকো সখি, প্ৰত্যেক জনেই
প্ৰাণবলি দিবই লাগিব,
অতুলন ৰাজভক্তি আত্মত্যাগ ই যে
জগতত জিলিকি থাকিব।
বাছি ললে সকলোৱে কৰ্তব্য নিজৰ
পাছ পৰি কোনো থকা নাই,
তুমিহে মাথোন আজি বীৰ সব্যসাচী
ঘূৰি যাব খোজা পাছুৱাই।
সিদিনা নিজেই মই শান্তিদূত হই
কৌৰৱৰ সভালই গলোঁ,
নিদিওঁ বোলাত ৰাজ্য পৰিবৰ্তে তাৰ
পাঁচখন গাওঁ খুজি চালোঁ।
বেজীৰ আগৰ সম ক্ষুদ্ৰ ভূমিকণা
বিনা ৰণে নিদিওঁ বুলিলে,
কপটতা কৰি মোক কৰিব বন্ধন
কিনো দৰে প্ৰয়াস কৰিলে।
খুজিলোঁ এমুঠি ভাত, দিলে শিলগুটি
এয়ে নেকি ধৰ্ম মানুহৰ?
পাৰোঁ মানে সহি চালোঁ, আৰু যে নোৱাৰি
পাৰ হ'ল সীমা সহনৰ।
গৰজি উঠক আজি বীৰ বৃকোদৰ
অতদিন বাধা দিলোঁ মই,
যুধিষ্ঠিৰ, মাদ্ৰীপুত্ৰ সাজক সবাই
এই যুদ্ধ অধৰ্ম নহয়।
যদিওবা আজি মই সমৰক্ষেত্ৰত
নোহো মই হিংসাৰ সাধক,

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

থাকে মানে চন্দ্র-সূর্য্য চিৰকাল কৃষ্ণ
অহিংসাৰ প্ৰধান সেৱক।
ধৰাম লোকক অস্ত্ৰ, নিজে নধৰিম
ভীৰুতাক নিদিওঁ প্ৰশ্ৰয়,
ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰ ৰণক্ষেত্ৰ আজি
পৰিণাম হব শুভময়।
হলোঁ মই উপযাচি সাৰথি তোমাৰ
ধৰ্মযুদ্ধ—ন্যায্য অধিকাৰ,
ফুকাৰিম পাঞ্চজন্য ভৈৰৱ নিনাদে
দাবানল জ্বলাম ইবাৰ।
পুৰি যাব হিংসা-দ্বেষ, গৰ্ব অহংকাৰ
পুৰি যাব অধৰ্ম অন্যায়,
আনি দিম স্বাধীনতা পঞ্চপাণ্ডৱক
ধৰ্ম যাৰ প্ৰধান সহায়।
ধৰ্মৰাজ্য ভাৰতত কৰিম স্থাপন
শিক্ষা দিম মানৱী ধৰম,
কটাকটি, হিংসাহিংসি একো নেথাকিব
একমাত্ৰ থাকিব মৰম।
ভীৰুতাক কেতিয়াও নিদিওঁ প্ৰশ্ৰয়
বীৰত্বৰ জেউতি চৰাম,
ভাৰতৰ চুকে-কোণে শান্তি-অহিংসাৰ,
সম্প্ৰীতিৰ বাতৰি বিলাম।"
শুনি ই অমৃত-বাণী বীৰ অৰ্জুনৰ
আঁতৰিল মোহৰ আন্ধাৰ,
গাণ্ডীৱ হাতত তুলি পাৰ্থসাৰথিক
কৰি ললে প্ৰণাম এবাৰ।
ফুকাৰিলে দেৱদত্ত, লৰে কপিধ্বজ
ৰক্তগংগা বলে ধৰা ভেদি,
পুণ্যৰ বিজয়-বাৰ্তা, পাপৰ বিনাশ
পাঞ্চজন্য উঠিল নিনাদি। *

* মিলন'ত প্ৰকাশিত, ১৯২৭।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতা

শ্রীবিনন্দ চন্দ্র বৰুৱা

সৃষ্টিৰ পাতনি মেলি বিধাতাই নিজে,
সনাতন ধৰ্ম্ম যিটো কৰিলে প্ৰচাৰ,
সেয়েই বেদৰ বাণী ব্ৰহ্মাণ্ডৰ নীতি,
স্ৰষ্টাৰ মুখৰ বাণী সৰ্ব্ব ধৰ্ম্ম সাৰ,
আদি নাই অন্ত নাই সদা নিৰ্ব্বিকাৰ।
ক'ত যুগ যুগান্তৰ জ্ঞানৰ সন্ধানী—
ত্ৰিকালজ্ঞ ঋষি মুনি সাধক সকলে,
অমৃতৰ পুত্ৰ বুলি কৰি সম্বোধন,
বিশ্ববাসী মানৱক সৃষ্টিৰ মহিমা,
বিধাতাৰ বাণী ৰূপে কৰিলে প্ৰকাশ।
ধৰ্ম্মৰ মূলতে যদি বিচাৰে এজন,
সিজনেই সৃষ্টিকৰ্ত্তা ব্ৰহ্মাণ্ড ব্যাপক,
সুৰাসুৰে যাৰ অন্ত বিচাৰি নাপায় ;
অচিন্ত্য অব্যক্ত নিৰাকাৰ নিৰঞ্জন,
বেদ বেদান্তই যাৰ মহিমা বখানে,
দিব্য স্তবে দেবগণে যাক স্তুতি কৰে,
ধ্যানত মাথোন যাক যোগী জনে জানে,
বিধাতাৰ বিধানত স্ৰষ্টা দ্ৰষ্টা ঋষি,
বিশ্বৰ কল্যাণ সাধি ঈশ্বৰৰ বাণী,
মানৱৰ সমাজত কৰিলে প্ৰচাৰ।
অত্যাচাৰ অহংকাৰ আৰু অনাচাৰে,
যেতিয়াই মানৱক পথভ্ৰষ্ট কৰে,
পৃথিবীৰ শান্তি নষ্ট, শৃঙ্খলা অভাৱ,
মানুহে যেতিয়া লয় অসুৰ স্বভাৱ,

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ধৰ্ম্মৰ গ্লানিত অধৰ্ম্মৰ অভ্যুত্থান,
নিজে গঢ়া সৃষ্টি ৰক্ষা কৰিবৰ হকে ;
সংস্কৃতি স্থাপন কৰি দুস্কৃতি বিনাশি,
পৰিত্ৰান কৰি সাধু, ধৰ্ম্ম ৰক্ষা কৰি,
ঈশ্বৰেই মানৱৰ ৰূপে অৱতাৰ।
দাম্ভিক ক্ষত্ৰিয় কুলে ক্ষমতাৰ বলে,
সৃষ্টি নষ্ট কৰিবৰ উপক্ৰম কৰি,
পৃথিবীৰ ধৈৰ্য্য নষ্ট কৰিলে যেতিয়া,
তেতিয়াই অৱতৰি দৈৱকী নন্দন,
কৃষ্ণ ৰূপে পৃথিবীত দিলে দৰিশন।
নিমিত্ত মাথোন কৰি ক্ষত্ৰিয় বীৰক,
ক্ষত্ৰিয়ৰ দম্ভ নষ্ট কৰিলে নিজেই,
শান্ত হল পুনৰাই অশান্ত ভাৰত,
যদিও দুৰ্ব্বল হ'ল ৰক্ষক ক্ষত্ৰিয় ;
সহস্ৰ সহস্ৰ বীৰে সন্মুখ যুদ্ধত,
প্ৰাণ দিলে আগন্তুক বংশ নাশ কৰি,
নিমিত্তৰ মুখ্য কৰি বীৰ অৰ্জ্জুনক ;
সোঁৱৰাই ক্ষত্ৰিয়ৰ কৰ্ত্তব্য মহান,
ক্লীৱত্ব সঙ্কোচ দূৰ কৰি অনায়াসে,
যুদ্ধত প্ৰবৃত্ত কৰি মহান বিক্ৰমে
সাধিলে সৃষ্টিৰ কাৰ্য্য ধৰ্ম্ম সংস্থাপন,
সকলো শাস্ত্ৰৰ সাৰ উপদেশ ৰূপে,
পাৰ্থৰ আগত কলে পাৰ্থ সাৰথিয়ে ;
অনাদি অনন্ত যিটো ধৰ্ম্ম সনাতন,
পৃথিবীৰ মুখ্যধৰ্ম্ম কৃষ্ণ কেন্দ্ৰ কৰি ;
মানৱে শুনিলে গীত ঈশ্বৰৰ মুখে,
সেয়ে গীতা মানৱৰ অমূল্য সম্পদ।
ধৰণী ধাৰণ কৰি যত ধৰ্ম্ম আছে,
গীতাৰ মহান বাণী সবাতে বিৰিডে।

* * *

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতা দৰ্শন

স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী

অখিল ভাৰতীয় গীতা সম্মিলন উপলক্ষে যি স্মৃতি গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে তাৰ বাবে আমাৰ ফালৰ পৰা 'গীতা দৰ্শন' নামেৰে এটি নিবন্ধ মাত্ৰ চাৰি পৃষ্ঠাৰ ভিতৰতে হোৱাকৈ লিখি পঠাবলৈ স্মৃতি গ্ৰন্থৰ সম্পাদক শ্ৰীমান কনক বোপাই আমালৈ অনুৰোধ পত্ৰ পঠাইছে।

অসমীয়া ভাষাত আমি ইতিপূৰ্ব্বে গীতাৰ ভাষ্য এখনি প্ৰণয়ণ কৰিছো। তদুপৰি আমি প্ৰায় গোটেই জীৱন জুৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত একশৰণ নামধৰ্ম্ম বা ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম অসমৰ বাহিৰে ভিতৰে প্ৰচাৰ কৰি আহিছো। মহাপুৰুষ জনাই শৰণৰ কথা গীতাৰ পৰাই আহৰণ কৰিছিল। কাজেই এই গীতাৰ প্ৰতি আমাৰ শ্ৰদ্ধা আৰু অনুৰাগ স্বাভাৱিকতে অত্যন্ত প্ৰবল আৰু বহুদিনীয়া। সেই বাবে গীতাদৰ্শন সম্বন্ধে আমাক লিখিবলৈ অনুৰোধ কৰাত আমি যে নিতান্ত 'খুচি' হও তাত কোনো সন্দেহ নাথাকিলেও শ্ৰীমানৰ অনুৰোধ ৰক্ষা কৰি মাত্ৰ চাৰি পৃষ্ঠাৰ ভিতৰতে 'হাতী মাৰি ভুৰুকাত ভৰোৱা' কথাটোহে কৰিব পাৰো নে নাই সেই বিষয়ে আমাৰ যথেষ্ট সন্দেহৰ অৱকাশ আছে।

গীতা সম্বন্ধে গীতা-মাহাত্ম্যত কৈছে,

কৃষ্ণে জানাতি বৈ সম্যক্ কিঞ্চিৎ কুন্তীসুতঃ ফলম্।
ব্যাসো বা ব্যাসপুত্ৰো বা যজ্ঞবল্ক্যোহথ মৈথিলঃ॥

গীতাৰ বক্তা একমাত্ৰ শ্ৰীকৃষ্ণহে গীতা সম্যকৰূপে জানে। কুন্তীপুত্ৰ অৰ্জ্জুন (যাৰ মোহ নিবাৰণৰ বাবেই ভগৱান শ্ৰীকৃষ্ণই গীতাধ্বনি কৰিছিল), ভগৱানৰ আবেশ অৱতাৰ ব্যাসদেৱ (যি জনা ক্ষণজন্মা পুৰুষে ভগৱান শ্ৰীকৃষ্ণৰ মুখনিসৃত গীতাৰ বাণী সমূহ মহাভাৰতত লিপিবদ্ধ কৰিছিল), ব্যাসপুত্ৰ পৰমহংস শুকদেৱ, মহামুনি যাজ্ঞবল্ক্য আৰু মিথিলাধিপতি

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

জনকে এই গীতাশাস্ত্ৰ কিঞ্চিৎ পৰিমানেহে জানিছিল। তেওঁলোকৰ পক্ষেই যেতিয়া কিঞ্চিৎ আমাৰ পক্ষে বঞ্চিত হোৱাই স্বাভাৱিক।

গীতা সম্বন্ধে মহাভাৰতত উক্তি আছে,

একং শাস্ত্রং দৈৱকীপুত্র গীতামেকো দেৱোদৈৱকীপুত্র এব।
একো মন্ত্রস্তস্য নামানি যানি, কৰ্ম্মপেক্যং তস্যদেৱস্য সেৱ॥

এই শ্লোকটিৰ অসমীয়া অনুবাদ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে নামঘোষাত কৰিছে এইদৰে ঃ

একেখনি মাত্র শাস্ত্রনিষ্ঠ দৈৱকী নন্দনে কৈলা যাক
দেৱো একমাত্র দৈৱকী দেৱীৰ স্থত।
দৈৱকী পুত্ৰৰ পদসেৱা কৰ্ম্ম এক এহিমানে মাত্র
মন্ত্র এক তান নাম মাত্র অদ্ভূত॥

নিষ্ঠাশাস্ত্র মাত্র একেখন, যিখন শাস্ত্রৰ কথা দৈৱকী নন্দন শ্ৰীকৃষ্ণই কৈছিল। দেৱতাও মাত্র এজনেই—দৈৱকী দেৱীৰ স্থত শ্ৰীকৃষ্ণই সেই দেৱতা। কৰ্ম্মও মাত্র একেটাই—তেওঁৰ পদসেৱা কৰা আৰু মন্ত্ৰও মাত্র একেটা—যিটো হৈছে তেওঁৰ অদ্ভূত নাম।

গীতা সৰ্ব্ব শাস্ত্র শিৰোমণি স্বৰূপ ; সকলো সম্প্ৰদায়ৰে, সকলো মতবাদীৰ সমভাৱে নমস্য। কৰ্ম্মী, জ্ঞানী, ভক্ত আৰু যোগী সকলোৱে গীতাক পৰম শ্ৰদ্ধাৰ সহিত মান্য কৰে। সনাতন হিন্দু ধৰ্ম্মত গীতা বেদৰ দৰেই প্ৰামাণ্য গ্ৰন্থ।

উপনিষদ, বেদান্তদৰ্শন আৰু গীতা এই তিনিক প্ৰস্থানত্ৰয় বুলি কোৱা হয়। এই তিনি শাস্ত্র সনাতন হিন্দু ধৰ্ম্মৰ স্তম্ভ স্বৰূপ আৰু তিনি শাস্ত্ৰকে ধ্ৰুব তৰাৰ দৰে লক্ষ্য কৰি সংসাৰ সমুদ্ৰ পথৰ যাত্ৰী সকলে মোক্ষৰ পথত প্ৰস্থান কৰে বুলি এই তিনি শাস্ত্ৰক প্ৰস্থানত্ৰয় বুলি কোৱা হৈছে।

উপনিষদ বেদৰ শেষ ভাগ। ঋষি সকলৰ আপ্ত বাক্যেৰে উপনিষদ সমূহ ভৰপূৰ। আনহাতে, বেদৰ সাৰ তত্ত্ববোৰ সংগ্ৰহ কৰি কৃষ্ণদ্বৈপায়ণ বেদব্যাসে বেদান্ত দৰ্শন বা ব্ৰহ্মসূত্ৰ প্ৰণয়ণ কৰে। গতিকে বেদান্ত দৰ্শন

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

বেদৰ সাৰতত্ব স্বৰূপ। সেইদৰে গীতাও উপনিষদ সমূহৰ সাৰমৰ্ম্ম। যথা,—

সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপাল নন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ॥

সমস্ত উপনিষদ সমূহ গাভি স্বৰূপ, গোপালনন্দন ভগৱান শ্ৰীকৃষ্ণ দোহন কৰ্ত্তা, অৰ্জ্জুন বৎস (দামুৰী) আৰু মহৎ গীতামৃত দুগ্ধ স্বৰূপ; সুধীসকলে তাক পান কৰে। গীতা বেদৰ পৰবৰ্ত্তী হলেও বেদৰ সদৃশ মান্য, ই এয়োদশ উপনিষদ। গীতা মাহাত্মাত আছে,

গীতা সুগীতা কৰ্ত্তব্যা কিমন্যৈঃ শাস্ত্ৰ বিস্তৰৈঃ।
যা স্বয়ং পদ্মনাভস্য মুখ পদ্মাদ্বিনিসৃতা ॥

শ্ৰীমদ্ভগৱদগীতাই সুগীতা, ইয়াক গীত বা কীৰ্ত্তন কৰাই কৰ্ত্তব্য; গতিকে বিস্তৰ শাস্ত্ৰ পাঠৰ আৰু কি প্ৰয়োজন? যাৰ বাক্য সমূহ স্বয়ং পদ্মনাভ শ্ৰীকৃষ্ণৰ মুখপদ্মৰ পৰা উদ্ভুৱ।

বিভিন্ন ঋষিৰ উপলব্ধি প্ৰসূত গভীৰ-তত্ত্বপূৰ্ণ বাণীৰ সমষ্টিয়েই হৈছে উপনিষদ্। বেদব্যাসকৃত বেদৰ সাৰভাগেই হৈছে বেদান্ত দৰ্শন বা ব্ৰহ্মসূত্ৰ। সেইদৰে, উপনিষদ সমূহৰ সাৰতত্ব স্বৰূপ স্বয়ং শ্ৰীকৃষ্ণ ভগৱানৰ মুখনিসৃত বাণীৰ সমষ্টিয়েই হৈছে গীতা। গতিকে শ্ৰেয়তাৰ ফালেদি বিচাৰ কৰিলে উপনিষদ আৰু বেদান্তদৰ্শন বা ব্ৰহ্মসূত্ৰতকৈ গীতাৰ প্ৰাধান্য অৱশ্যে স্বীকাৰ্য্য। এইবাবে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তিনি পন্থাৰ ভিতৰত গীতাকে শ্ৰেষ্ঠ পন্থা বুলি নিৰ্ণয় কৰি জগতত গীতাৰ একশৰণমূলক নামধৰ্ম্ম বা ভক্তিধৰ্ম্ম জগতত প্ৰবৰ্ত্তন আৰু প্ৰচাৰৰ ব্যৱস্থা কৰিছিল।

শ্ৰীমদ্ভগৱদগীতা আৰু শ্ৰীমদ্ভাগৱত শাস্ত্ৰ দুখনি পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। শ্ৰীমদ্ভগৱদগীতা যিদৰে শ্ৰীকৃষ্ণৰ বাক্যামৃতেৰে পৰিপূৰ্ণ, শ্ৰীমদ্ভাগৱত সেইদৰে শ্ৰীকৃষ্ণ ভগৱানৰ লীলা ৰসেৰে পৰিপূৰ্ণ। গীতাত শ্ৰীকৃষ্ণ ভগৱানৰ উপদেশ বা আদেশাৱলীৰ পৰিপূৰ্ণ অনুবাদ ভগৱান শ্ৰীকৃষ্ণই ভাগৱতত নিজ লীলামাধুৰ্য্যৰ দ্বাৰা ভক্ত সমাজৰ আগত সুন্দৰ ভাৱে ডাঙি ধৰিছে। ভগৱান শ্ৰীকৃষ্ণৰ লীলাৰসেৰে পৰিপূৰ্ণ বুলি শ্ৰীমদ্ভাগৱতক ৰসপ্ৰস্থান আখ্যা দিয়া হয়। বিচাৰ কৰি চাবলৈ গলে গীতা আৰু ভাগৱত উভয় মহাগ্ৰন্থৰে প্ৰদৰ্শিত চৰম গতি একেটাই; মাত্ৰ ভাৱৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

তাৰতম্যলৈ প্ৰস্থানৰ সামান্য তাৰতম্য পৰিলক্ষিত হয়। উভয় শাস্ত্ৰৰে কেন্দ্ৰ পুৰুষ— পুৰুষোত্তম শ্ৰীকৃষ্ণ। ভাগৱতত শ্ৰীকৃষ্ণ ভগৱানে তেওঁৰ প্ৰিয়শিষ্য উদ্ধৱক একাদশ স্কন্ধৰ সপ্তম অধ্যায়ৰ পৰা উনত্ৰিশতম অধ্যায়লৈ যি গভীৰ ধৰ্ম্ম-তত্ত্বৰ উপদেশ প্ৰদান কৰিছে, সমগ্ৰ গীতাত প্ৰায় সেই একে ধৰ্ম্মতত্ত্বৰেই উপদেশ ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ প্ৰপন্ন শিষ্য অৰ্জুনক প্ৰদান কৰিছে। নিস্কাম কৰ্ম্ম যোগ, সৰ্ব্বভূতত 'বাসুদেৱময়' বুদ্ধিযুক্ত জ্ঞান-যোগ, শ্ৰীকৃষ্ণ ভগৱানত আত্ম নিবেদন বা একশৰণ মূলক ভক্তিযোগৰ জৰিয়তে সৰ্ব্ব কৰ্ম্ম তথা সৰ্ব্ব কৰ্ম্মফল শ্ৰীকৃষ্ণত সমৰ্পণ আদি গীতোক্ত ধৰ্ম্মৰ যি সাৰ কথা ভাগৱততো অবিকল সেই কথা সমূহতেই প্ৰতিধ্বনি হৈছে। গীতা মহাভাৰতৰ অন্তৰ্ভুক্ত। কিন্তু এই গীতা আৰু মহাভাৰততো ঠাই নোপোৱা বৃন্দাবনৰ ব্ৰজলীলা আৰু ৰাসপঞ্চাধ্যায়ৰ কথা একমাত্ৰ ভাগৱততহে আছে। শান্ত আৰু দাস্য ৰসৰ কথা মহাভাৰতত আৰু গীতাত পোৱা যায়; কিন্তু সখ্য, বাৎসল্য আৰু মধুৰ ৰসৰ কথা ভাগৱতৰ ব্ৰজলীলাত নিখুঁত আৰু পৰিপূৰ্ণ ভাৱে বৰ্ণিত হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সখ্য, বাৎসল্য আৰু মধুৰ ভাৱত ঈশ্বৰবুদ্ধি নাই বুলি ভাগৱতৰ এই পৰম উৎকৰ্ষ ভাৱ স্বীকাৰ কৰিলেও শান্ত আৰু দাস্য ভাৱৰ ভজন পন্থাকে ভিত্তি কৰি তাৰাৰ শুদ্ধ সত্ত্ব মতবাদ জগতত প্ৰতিষ্ঠা কৰি গৈছিল।

পূৰ্ব্বে কোৱা হৈছে উপনিষদ, বেদান্ত দৰ্শন আৰু গীতা এই প্ৰস্থানত্ৰয়ৰ ভিতৰত গীতাৰ বাণী ভগৱান শ্ৰীকৃষ্ণৰ নিজৰ বাণী বুলি গীতা প্ৰস্থানকেই শ্ৰেষ্ঠ প্ৰস্থান বুলি স্বীকাৰ কৰি মহাপুৰুষজনাই বিশুদ্ধ একশৰণ নামধৰ্ম্ম তথা ভক্তিধৰ্ম্ম প্ৰবৰ্ত্তন আৰু প্ৰচাৰ কৰিছিল। ভগৱান শ্ৰীকৃষ্ণই গীতাৰ পঞ্চদশ অধ্যায়ৰ পঞ্চদশ শ্লোকত নিজমুখে ব্যক্ত কৰিছে, 'ময়েই বেদসমূহৰ জ্ঞাতব্য, ময়েই আচাৰ্য্য ৰূপে বেদান্তৰ অৰ্থ প্ৰকাশক।' সেইবাবে তাৰাই এহাতে গীতাৰ শৰণ ধৰ্ম্মৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰি আনহাতে কৃষ্ণতুল্য ভাগৱতৰ ভজনমাৰ্গ— নামধৰ্ম্ম শ্ৰৱনকীৰ্ত্তনাঙ্গকেই শ্ৰেষ্ঠ পন্থা বুলি ভাগৱত ধৰ্ম্মত প্ৰৱেশৰ অধিকাৰ নিৰ্ণয় কৰিছিল।

এই শ্ৰৱন কীৰ্ত্তানাঙ্গ ভক্তিমাৰ্গ সম্পৰ্কে গীতাৰ ৯ম অধ্যায়ৰ চতুৰ্দ্দশ শ্লোকতো শ্ৰীকৃষ্ণ ভগৱানৰ এটি উক্তি আছে। সেই উক্তিৰ কথা শ্ৰীশ্ৰীমাধৱদেৱৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

পুৰুষে নামঘোষাত এইদৰে পদবন্ধে প্ৰকাশ কৰিছে,

ৰহস্যক জানে যিটো লোক সততে কীৰ্ত্তন কৰে মোক
ধৰি ছয়ব্ৰত কৰি যত্ন বিপৰীত।
মোৰ সৰ্ব্বোত্তম দুই পাৱে কৰে নমস্কাৰ ভক্তি ভাৱে
তাৰ মোৰ এৰাএৰি নহে কদাচিত ॥

একমাত্ৰ ভক্তিয়েই যাৰ সাধ্য আৰু সাধন, প্ৰেম মাত্ৰ প্ৰয়োজন; তেওঁ যেন সৰ্ব্বদায় ভগৱানত শৰণাগত আৰু ছয়ব্ৰতী হৈ পৰমযত্ন সহকাৰে ভগৱানৰ নাম-গুণ কীৰ্ত্তন কৰে,— গীতাত ভগৱানৰ এয়ে স্পষ্ট আদেশ বা উপদেশ।

গীতাৰ ১ম অধ্যায়ত আমি দেখিবলৈ পাওঁ,—পুণ্যভূমি কুৰু ক্ষেত্ৰত যুদ্ধ কৰাৰ উদ্দেশ্যে উপস্থিত হৈ সন্মুখত তেওঁৰ নিজ জ্ঞাতি-কুটুম্বৰ্গক দেখি অৰ্জুন নিৰ্ব্বেদ প্ৰাপ্ত হ'ল। কুৰুক্ষেত্ৰ সমৰাঙ্গনত শোক-মোহ-মহাপঙ্ক মাজে নিমগ্ন অৰ্জুনে দেখিলে, হৃত ৰাজ্য উদ্ধাৰ কৰিবলৈ হলে তেওঁ আত্মীয় স্বজন গুৰুজনাদি বধৰ মহাপাপত লিপ্ত হব লাগে, নিষ্ঠুৰ হৃদয়েৰে তেওঁৰ শত্ৰু পক্ষ সংহাৰ কৰিব লাগে। অন্যথায় তেওঁৰ হৃতৰাজ্য লাভ সুদূৰ পৰাহত। অৰ্জুন এনে এটি বিষম সঙ্কটত পৰি কিংকৰ্ত্তব্য বিমূঢ় হৈ অগতিৰ গতি ভগৱান শ্ৰীকৃষ্ণত এই বুলি শৰণাগত হ'ল,—

কাৰ্পণ্য দোষোপহত স্বভাবঃ পৃচ্ছামি ত্বাং ধৰ্ম্ম সংমূঢ় চেতাঃ।
যচ্ছ্ৰেয় সান্নিশ্চিতং ব্ৰাহি তম্মে শিষ্যস্তেহহং শাধি মাং ত্বাং প্ৰপন্নম্॥

অৰ্থাৎ গুৰুজনাদি বধ আৰু কুলক্ষয় কৰি কি সতে মই জীৱন ধাৰণ কৰিম? মই এই বিষয় চিত্তদীনতাত অভিভূত হৈছো। প্ৰকৃত ধৰ্ম্ম কি, এই সম্বন্ধে মোৰ চিত্ত বিমূঢ় হৈ পৰিছে। এনে অৱস্থাত মোৰ কৰ্ত্তব্যাকৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিবলৈ মই অপাৰগ হৈ পৰিছোঁ। গতিকে মই নিৰুপায় হৈ তোমাৰ ওচৰত শৰণ ললো, মোৰ পক্ষে যি ভাল হয় সেইকথা তুমি নিশ্চিত ভাৱে মোক কোৱা। তোমাৰ প্ৰপন্ন শিষ্য বুলি তুমি মোক শ্ৰেয় উপদেশ দানে কৃতাৰ্থ কৰা। (গীতা ২/৭)

ইতিপূৰ্ব্বে শ্ৰীকৃষ্ণ ভগৱানৰ সৈতে অৰ্জুনৰ লৌকিক সম্বন্ধ আছিল সখিত্বৰ। কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত সেই সম্বন্ধ ৰথী আৰু সাৰথিৰ সম্বন্ধত ৰূপান্তৰিত হ'ল। সেইবাবে কুৰুক্ষেত্ৰ যুদ্ধৰ আগমুহূৰ্ত্তত মহাবীৰ অৰ্জুনে

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

মহাৰথী স্বৰূপে অস্ত্ৰে-শস্ত্ৰে সু-সজ্জিত হৈ অজেয় গাণ্ডীৱ হাতত লৈ সাৰথি কৃষ্ণক বীৰদৰ্পে নিৰ্দ্দেশ দিলে, ৰথ উভয় সৈন্যবাহিনীৰ মাজত স্থাপন কৰিবলৈ। কিন্তু ৰণক্ষেত্ৰত উপস্থিত হৈ মুহূৰ্ত্ততে তেওঁৰ সেই দৰ্প, সেই অভিমান চূৰ্ণ হৈ গ'ল। বিপক্ষ দলতো তেওঁৰ গুৰু আৰু আত্মীয় স্বজন-বৰ্গক অৱলোকন কৰি তেওঁ কিং কৰ্ত্তব্যবিমূঢ় হৈ এনেকুৱা কুলক্ষয় যুদ্ধত প্ৰবৃত্ত নহব বুলি ধনুৰ্ব্বান ত্যাগ কৰি তুষ্ণী ভাৱত ৰথৰ ওপৰত বহি পৰিল।

যুদ্ধত প্ৰবৃত্ত হোৱা অথবা যুদ্ধৰ পৰা নিবৃত্ত হোৱা উভয়তে অৰ্জুনৰ অহমিকা বা আমিত্বৰ ভাৱ বৰ্ত্তমান। কিন্তু সন্মুখত এটি বিষম সঙ্কট অৱস্থা উপস্থিত হোৱাত অৰ্জুনে নিজৰ কৰ্ত্তব্যাকৰ্ত্তব্য নিজে নিৰ্দ্ধাৰণ কৰিব নোৱাৰি আত্ম অহমিকা ত্যাগ কৰিবলৈ বাধ্য হ'ল। মুহূৰ্ত্ততে তেওঁৰ সকলো অভিমান, অহমিকা ধূলিস্যাৎ হৈ গ'ল। এই অৱস্থাত নিৰুপায় অৰ্জুনে শ্ৰীকৃষ্ণ ভগৱানৰ সৈতে থকা তেওঁৰ পূৰ্ব্বৰ সখিত্বৰ সম্বন্ধ, ৰথী-সাৰথিৰ সম্বন্ধৰ পাহৰি নিজৰ মিছা গৰ্ব্ব, মিছা অভিমান ত্যাগ কৰি তেওঁৰ ওচৰত একান্ত ভাৱে শৰণাপন্ন হ'ল। লৌকিক সখিত্ব, যুদ্ধকালীন ৰথী সাৰথিৰ সম্বন্ধৰ পৰিবৰ্ত্তে সম্প্ৰতি গুৰু-শিষ্যৰ সম্বন্ধই গা কৰি উঠিল। গুৰু শিষ্য সম্বন্ধ ব্যতিৰেকে, গুৰু-শিষ্যৰ সম্পূৰ্ণ আত্ম নিবেদন বা পূৰ্ণ শৰণাগতি ব্যতিৰেকে প্ৰকৃত তত্ত্বজ্ঞান, পূৰ্ণ ভগৱৎজ্ঞান লাভ কৰা সম্ভৱ নহয়। সেয়েহে একপ্ৰকাৰ স্বতোস্ফুৰ্ত্তভাৱে অৰ্জুনে এজন প্ৰপন্ন শিষ্যৰ দৰে শ্ৰীকৃষ্ণ ভগৱানত শৰণাগত হৈ পৰিল যুদ্ধৰ ঠিক প্ৰাৰম্ভতে। মানৱ জীৱন তেনে এখনি যুদ্ধক্ষেত্ৰ; যুদ্ধৰ প্ৰাৰম্ভনিতে জীৱন যুদ্ধত জয়লাভ কৰিবলৈ অৰ্জুন সদৃশ প্ৰপন্ন ভাৱ লৈ ভগৱৎ চৰণত একান্তভাৱে শৰণাগত হোৱা প্ৰত্যেক জীৱৰ পক্ষে প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য। ঈশ্বৰৰ কৃপা ব্যতিৰেকে একমাত্ৰ নিজ যত্নবোধ আৰু ক্ষমতাৰে এই যুদ্ধত পূৰ্ণ কৃতকাৰ্য্যতা লাভ কৰা কাৰো পক্ষে সম্ভৱপৰ নহয়।

এই শৰণাগতি বা একশৰণ তত্ত্বই গীতাৰ মূল তত্ত্ব, মূল প্ৰতিপাদ্য বস্তু।

পূৰ্ণ শৰণাগতি অবিহনে জীৱৰ পূৰ্ণ বিপত্তি নুগুচে। আনহাতে, পূৰ্ণ শৰণাগতিৰ তলত জীৱনৰ শ্ৰী বা ঐশ্বৰ্য্যসম্পদ, বিজয় বা সৰ্ব্বকৰ্ম্মত কৃতকাৰ্য্যতা, ভূতি বা সামগ্ৰীক-অভ্যুদয় অৰ্থাৎ ধৰ্ম্ম আৰু ধ্ৰুবানীতি বা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

শাশ্বতীনীতি অর্থাৎ মোক্ষ লাভ হয়। জীৱনত পূর্ণ নির্ভয় অৱস্থা প্ৰাপ্তি, চৰম প্ৰাপ্তি লাভৰ উপায় ভগৱৎ শৰণাগতি। গীতাৰ এই শ্লোকৰ চূড়ান্ত মীমাংসাৰ ওপৰতে গীতাৰ তাৎপৰ্য্য, গীতা-দৰ্শন তথা গীতাৰ একশৰণ বা ভক্তি মতবাদ প্ৰতিষ্ঠিত হৈছে।

অব্যভিচাৰী ভক্তিয়েই শৰণৰ মূল ভিত্তি, যাক আশ্ৰয় কৰি ভগবানক ভজনা কৰিলে ভক্তই ত্ৰিগুণ অতিক্ৰম কৰি ব্ৰহ্মস্বৰূপ হব পাৰে (গীতা১৪/২৬), যাৰ আশ্ৰয়ত ভক্তই ভগৱানৰ তত্ত্ব জানিব পাৰে, দৰ্শন কৰিব পাৰে আৰু অৱশেষত ভগৱানত প্ৰৱেশ কৰিব পাৰে, (গীতা ১১/৫৪), যাক আশ্ৰয় কৰিলে ভগৱানে ভক্তৰ ওচৰত সত্য প্ৰতিজ্ঞা কৰি কয়, ভগৱদ্ভক্তৰ কেতিয়াও বিনাশ নহয়, (গীতা ৯/৩১), যাৰ অৱলম্বনৰ ফলত ভগৱানে ভক্তৰ পৰম হিতাৰ্থে সৰ্ব্বগুহ্যতম্ উপদেশ আৰু শেষ অভয়বাণী শুনাবলৈ বাধ্য হয়, 'তুমি একমাত্ৰ মোতেই চিত্ত ৰাখা, মোকেই ভক্তি কৰা, মোৰেই পূজা কৰা, মোকেই নমস্কাৰ কৰা। মই সত্য প্ৰতিজ্ঞা কৰি তোমাক কৈছো তুমি মোকেই পাবা, কিয়নো তুমি মোৰ প্ৰিয়। সকলো ধৰ্ম্ম পৰিত্যাগ কৰি তুমি কেৱল মাত্ৰ মোৰেই শৰণাগত হোৱা, মই তোমাক সমস্ত পাপৰ পৰা মুক্ত কৰিম, শোক নকৰিবা।' (গীতা ১৮/৬৫-৬৬)। পূৰ্ণ ভগৱদ্‌জ্ঞানীয়ে ভগৱানৰ স্বৰূপতাৰ সহিত অভিন্নতা লাভ কৰে, তেওঁ ত্ৰিগুণাতীত অৱস্থা প্ৰাপ্ত হয়। তেনেজন লোক সৃষ্টিৰ কালতো জন্ম গ্ৰহণ নকৰে, প্ৰলয় কালতো ব্যথিত নহয় অৰ্থাৎ তেওঁ জন্ম মৃত্যু অতিক্ৰম কৰে। (গীতা১৪/২)

গীতাৰ ১ম অধ্যায় বিষাদ যোগ। ষড়দৰ্শনৰ মূলতত্ত্বও বিষাদ যোগ। এই বিষাদৰ পৰা পৰিত্ৰাণ লাভৰ বিভিন্ন উপায় দৰ্শন শাস্ত্ৰত বৰ্ণিত আছে। জীৱৰ কেনেকৈ অত্যান্তিক দুখৰ নিবৃত্তি ঘটে, ষড়দৰ্শনে তাৰ উপায় নিৰ্ণয় কৰিছে। কিন্তু গীতা আৰু ভাগৱতে অকল অত্যান্তিক দুখৰ নিবৃত্তিয়েই নহয়, অত্যান্তিক দুখ নিবৃত্তিৰ পিছত ঐকান্তিক সুখ আৰু পৰমানন্দ লাভ কি দৰে হয় তাৰো উপায় নিৰ্ণয় কৰিছে। অত্যান্তিক দুখৰ নিবৃত্তিতেই জীৱৰ চৰম লাভ, পৰম প্ৰাপ্তি নঘটে, ঐকান্তিক সুখৰ আস্বাদনতহে জীৱৰ চৰম গতি আৰু স্বৰূপ অৱস্থা প্ৰাপ্তিৰ পৰাকাষ্ঠা লাভ হয়। ভগৱানত একশৰণ বা অনন্য ভক্তিয়েই জীৱৰ সেই চৰম প্ৰাপ্তিৰ মূল উপায়। সেইবাবে ভাগৱত আৰু গীতা শাস্ত্ৰই মুক্তিকো উপেক্ষা কৰি পুৰুষোত্তমৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

প্ৰেমভক্তিৰ ওপৰত সৰ্ব্বাধিক গুৰুত্ব দিছে আৰু সেই ভক্তি লাভৰ একমাত্ৰ উপায় স্বৰূপে ব্ৰহ্মতত্ত্বো ঊৰ্দ্ধত ভগৱৎতত্ত্ব বা পুৰুষোত্তম তত্ত্বত আত্মনিবেদন বা আশ্ৰয় গ্ৰহণৰ নিৰ্দ্দেশ দিছে। শ্ৰীশ্ৰীমাধৱদেৱ পুৰুষে ঘোষাত কৈছে,

সমস্ত সুখক তেজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিলে আশ্ৰয়।
ভকত সৱৰ এহি পুৰুষাৰ্থ মনোনীত
আন সুখ অধিক পাৱয়॥

মুক্তিত অত্যন্তিক দুখৰ নিবৃত্তি ঘটি ঐকান্তিক সুখৰ আস্বাদন মিলিলেও, প্ৰেমভকতিৰ ঐকান্তিক সুখ আৰু পৰমানন্দ লাভৰ পূৰ্ণ প্ৰাপ্তি নঘটে। আনহাতে ভকতিত মুকুতিৰ সুখ এনেয়ে মিলে। গীতাত কৈছে,

ব্ৰহ্মণো হি প্ৰতিষ্ঠাহমমৃতস্যাব্যয়স্য চ।
শাশ্বতস্য চ ধৰ্ম্মস্য সুখস্যৈকান্তিকস্য চ॥ ১৪/২৭

অৰ্থাৎ, যিহেতু মই ব্ৰহ্মৰো প্ৰতিষ্ঠাতা (আশ্ৰয়), নিত্য অমৃতৰ (মোক্ষৰ), সনাতন ধৰ্ম্মৰ আৰু ঐকান্তিক সুখৰ প্ৰতিষ্ঠাতা।

এইবাবে ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম বা একশৰণ নামধৰ্ম্মৰ পৰম গতি আৰু চৰম লক্ষ্য— ভুক্তি-মুক্তি-সিদ্ধি-বাঞ্ছা-মান-পূজা-প্ৰতিষ্ঠা আদি সকলোকে উপেক্ষা কৰি একমাত্ৰ পুৰুষোত্তমৰ প্ৰেম ভক্তিক সাধ্য-সাধন স্বৰূপে নিৰ্ণয় কৰি সেই প্ৰেম ভক্তি লাভৰ বাবে শ্ৰৱণ কীৰ্ত্তনাঙ্গ ধৰ্ম্মৰ আশ্ৰয় গ্ৰহণ। গীতা আৰু ভাগৱতে এই মতবাদকে পূৰ্ণ সমৰ্থন কৰে।

গীতাৰ ১ম অধ্যায়ৰ পৰা ৬ষ্ঠ অধ্যায়লৈকে 'কৰ্ম্মষটক', অৰ্জুনক লক্ষ্য কৰি কোৱা হৈছে। ৭ম অধ্যায়ৰ পৰা দ্বাদশ অধ্যায়লৈ 'ভক্তি ষটক', ভগৱানে নিজক লক্ষ্য কৰি কৈছে। ত্ৰয়োদশ অধ্যায়ৰ পৰা অষ্টাদশ অধ্যায়লৈ 'জ্ঞানষটক'—। গীতাৰ কৰ্ম্মষটকত প্ৰধানতঃ কৰ্ম্মতত্ত্ব আৰু কৰ্ম্ম মাহাত্মাই যদিও বৰ্ণিত হৈছে তথাপি ইয়াত নিষ্কাম কৰ্ম্মযোগৰ উপদেশৰ লগতে অপূৰ্ব্ব জ্ঞান আৰু অনন্য ভক্তি যোগৰো ৰহস্য বৰ্ণনা কৰিছে। অৱশেষত ৬ষ্ঠ অধ্যায়ৰ শেষ শ্লোকত (৪৬/৪৭) কৰ্ম্মী, জ্ঞানী আৰু তপস্বীতকৈ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

যোগীক শ্রেষ্ঠ বুলি অভিহিত কৰি সকলো যোগীতকৈও আকৌ ভগৱদ্ভক্তকেই শ্ৰেষ্ঠ বুলি মন্তব্য কৰিছে। সেইবাবে গীতাৰ কৰ্ম্মযোগ জ্ঞান-ভক্তি-শূন্য কৰ্ম্ম যোগ নহয়। বৈদান্তিক মায়াবাদী ব্ৰহ্মবাদীৰ মতে কৰ্ম্ম বন্ধনৰ কাৰণ; কিন্তু গীতাৰ কৰ্ম্মবাদৰ কৰ্ম্ম মোক্ষৰ কাৰণ।

শৰীৰ থাকে মানে জীৱৰ পক্ষে সম্পূৰ্ণভাৱে কৰ্ম্মত্যাগ কৰা অসম্ভৱ। কৰ্ম্ম প্ৰকৃতিৰ ধৰ্ম্ম। কোনোৱে কৰ্ম্ম পৰিত্যাগ কৰিব খুজিলেও কৰ্ম্মই তেওঁক পৰিত্যাগ নকৰে। গতিকে কৰ্ম্মৰ পৰা কোনোৱে নিস্তাৰ পাব নোৱাৰে। অতীতত জনকাদি মুক্ত পুৰুষ সকলেও কৰ্ম্ম প্ৰৱাহ মানি কৰ্ম্ম কৰি যোৱাৰ দৃষ্টান্ত পোৱা যায়। এনেকি স্বয়ং ভগৱানেও অবিৰাম কৰ্ম্মত লিপ্ত থাকে। তেন্তে কৰ্ম্ম কিদৰে কৰিলে কৰ্ম্মৰ গুণ দোষে কৰ্ম্মকৰ্ত্তাক স্পৰ্শ কৰিব নোৱাৰে? কি দৰে কৰ্ম্ম কৰিলে কৰ্ম্ম বন্ধনৰ কাৰণ নহৈ মোক্ষৰ কাৰণ হয়? গীতাই এই কৰ্ম্মযোগৰ ৰহস্য নিখুঁট ভাৱে বৰ্ণনা কৰিছে। গীতাৰ মতবাদ মতে কৰ্ম্ম বন্ধনৰ কাৰণ নহয়; কৰ্ম্মফলহে বন্ধনৰ কাৰণ। সেই কাৰণে কৰ্ত্তৃত্ব অভিমান ত্যাগ কৰি কৰ্ম্মৰ ফলাফলৰ প্ৰতি আসক্তি শূন্য হৈ, জগত যাৰ, জগতৰ সৰ্ব্বকৰ্ম্ম যি জনে প্ৰত্যেকৰ হৃদয়ত অৱস্থান থাকি কৰায়, সৰ্ব্বতোভাৱে তেওঁৰেই শৰণাগত হৈ নিজ অধিকাৰ অনুসাৰে প্ৰাপ্ত কৰ্ম্ম ভগৱদ্ কৰ্ম্মজ্ঞানে কৰা উচিত। তেতিয়া কৰ্ম্মই তেওঁক বন্ধন কৰিব নোৱাৰে, কৰ্ম্মৰ দোষে তেওঁক স্পৰ্শ কৰিব নোৱাৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্ত্তনৰ প্ৰহ্লাদৰ চৰিত্ৰত ভগৱান নৃসিংহৰ দ্বাৰা কোৱা হৈছে,

মোতে চিত্ত দিয়া কাৰ্য্য কৰিয়ো সন্তোষে।
তোৰ কি কৰিবে আৰ সংসাৰৰ দোষে॥

জীৱৰ নিত্য নৈমিত্তিক কৰ্ম্ম প্ৰৱাহৰ মাজেৰে অবিৰত ভগৱদ্ভক্তিৰ সংযোগ স্থাপন—গীতাৰ কৰ্ম্মবাদৰ মূল ৰহস্য। এই ধৰণৰ কৰ্ম্মযোগৰ দ্বাৰা কৰ্ম্ম সৰ্ব্বাধিক সু-সম্পন্ন হোৱাই নহয়, মানৱ জীৱন ভক্তিৰসেৰে আপ্লুত হৈ মানৱ জীৱনৰ পৰম সম্পদ পৰমগতি আৰু পৰমানন্দ লাভও সহজসাধ্য হয়।

কৰ্ম্মবাদী মীমাংসক সকলৰ কৰ্ম্মনীতিক গীতাই প্ৰশংসা কৰা নাই। মীমাংসক সকলৰ যজ্ঞ কৰ্ম্মৰ উদ্দেশ্য স্বৰ্গলাভ, মোক্ষ লাভ নহয়। কিন্তু;

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতাই কৈছে, 'ক্ষীণে পুণে মৰ্ত্ত্যলোকং বিশন্তি'। (গীতা ৯/২১) পুণ্যক্ষয় হলে পুনৰ মৰ্ত্তলোকলৈ গতি অনিবাৰ্য্য। গীতাৰ মতে নিষ্কাম বুদ্ধিত যজ্ঞ কৰ্ম্ম অনুষ্ঠান কৰিলেহে তাৰ দ্বাৰা মোক্ষ লাভ হয়। (গীতা৩/৯) অধিকন্তু গীতাত যজ্ঞ শব্দ আৰু ব্যাপক অৰ্থত ব্যৱহৃত হৈছে। গীতাৰ সিদ্ধান্তমতে ফলৰ আশা ত্যাগ কৰি ভগৱান প্ৰীতিৰ অৰ্থে যিবোৰ কৰ্ম্ম কৰা যায়, সেয়ে মহাযজ্ঞ। যজ্ঞৰ এই তত্ত্ব জ্ঞাত হৈ আৰু গ্ৰহণ কৰি যজ্ঞ কৰ্ম্মানুষ্ঠান কৰিলে মুক্তি অনিবাৰ্য্য।

গীতাৰ কৰ্ম্মবাদৰ বিশেষত্ব এয়ে যে; ই মোক্ষক গাৰ্হস্থ্য ধৰ্ম্মৰ পৰা বিচ্ছিন্ন নকৰে। গীতা ধৰ্ম্মত প্ৰকৃতি বা গুণানুসাৰে বৰ্ণ ভেদৰ স্বীকাৰ থাকিলেও জাতিভেদ, দেশভেদ আৰু কালভেদৰ আভাস নাই। গীতাই জগতবাসীৰ আগত এই কথাই ঘোষণা কৰিছে, তুমি যি কোনো জাতি, যি কোনো বৰ্ণ, যি কোনো দেশ বা যি কোনো কালত অৱস্থান নকৰা কিয় অনাসক্ত ভাৱে, ভগবদ্‌যুক্ত চিত্তে নিজ নিজ কৰ্ম্ম কৰি যোৱা। সেয়েই তোমাৰ ঈশ্বৰ আৰাধনা। তাৰ দ্বাৰাই তুমি সিদ্ধি আৰু মুক্তি লাভ কৰিবা।

কৰ্ম্মৰ সৰু বৰ নাই, ভাল বেয়াৰো বিচাৰ গীতাই কৰা নাই। অনাসক্ত বুদ্ধি, সৰ্ব্বত্ৰ জীতাত্মা বিগতস্পৃহ হৈ যিজনে স্বধৰ্ম্ম আচৰণ কৰি জীৱন নিৰ্ব্বাহ কৰে, তেওঁ ব্ৰাহ্মণ হৈ বেদ পাঠ কৰক অথবা হৰিজন হৈ নৰ্দ্দমা চাফ কৰক তত্ত্ব দৃষ্টিত কোনো ভেদ নাই। দুয়োজনেই সমান পাৰমাৰ্থিক কল্যাণৰ অধিকাৰী। কৰ্ত্তব্য কৰ্ম্ম সম্পাদনৰ ক্ষেত্ৰত গীতাৰ আদেশ হ'ল,— 'তস্মাৎ সৰ্ব্বেষু কালেষু সামানুস্মৰ যুদ্ধ্য চ' (৮/৭) অৰ্থাৎ তুমি মোক সৰ্ব্বদায় স্মৰণ কৰা আৰু যুদ্ধ কৰা (স্বধৰ্ম্ম পালন কৰা)।

গীতাৰ জ্ঞানবাদত অদ্বৈতসিদ্ধি, নিৰ্ব্বান. ব্ৰহ্মস্থিতি, ব্ৰহ্মভাৱ আদি শব্দৰ উল্লেখ থাকিলেও 'বাসুদেৱম্ সৰ্ব্বম্' এই চৰম তত্ত্বজ্ঞানৰ উপলব্ধিয়েই গীতাৰ মতে প্ৰকৃত জ্ঞান। গতিকে গীতাৰ জ্ঞানবাদও ঈশ্বৰ ভক্তিবাদেৰে পৰিপূৰ্ণ, অদ্বৈতবাদীৰ নিচিনাকৈ 'স্বহহং' বা 'অহং ব্ৰহ্মাস্মি' ময়ে ব্ৰহ্ম অথবা অদ্বৈতসিদ্ধ অৱস্থা প্ৰাপ্তিয়েই গীতাৰ জ্ঞানবাদৰ চৰম উদ্দেশ্য নহয়। গীতাৰ মতে সমস্ত জগতত আৰু সমস্ত ভূতত ভগৱানৰ অৱস্থান তত্ত্ব

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

স্বৰূপে জানি জগতৰ হিত আৰু লোক ৰক্ষার্থে জ্ঞানীজনে কর্ম্ম কৰিব।

মহাপুৰুষে কীৰ্ত্তনত উক্তি কৰিছে,—

সমস্ত জগতে ব্যাপি, আছোঁ মই হৰি।
সবাকে মানিবা তুমি, বিষ্ণু বুদ্ধি কৰি॥
সমস্ত জগতে বিষ্ণু, বুদ্ধি নহে যাৰে।
কায় মন বাক্যে অভ্যাসিবা এহি ভাৱে॥
কুকুৰ গৰ্দভৰ সবে আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম॥

নামঘোষাত শ্ৰীশ্ৰীমাধৱদেৱ পুৰুষে লিখিছে,—

সমস্তৰে আত্মা নাৰায়ণ আত্মাসুখে ৰতি সৰ্ব্বক্ষণ
এহি হেতু হৰি সমস্ত প্ৰাণীত সম।
আৰু যিটো ভজে সুখেতৰে নভজি সংসাৰে মজি মৰে
কৃষ্ণক বিষম বোলয় কোন অধম॥

কপিলৰ সাংখ্য-জ্ঞান-বাদী আৰু গীতাৰ সাংখ্য-জ্ঞান-বাদী উভয়ৰ মাজতও পাৰ্থক্য আছে। কপিলৰ সাংখ্য মতে পুৰুষ আৰু প্ৰকৃতি এই সংসাৰ প্ৰপঞ্চৰ মূল কাৰণ। প্ৰকৃতিৰ হাতৰ পৰা মুক্ত হব পাৰিলেই মনুষ্য জন্মৰ সমস্ত দুখ নিবৃত্তি হয়। এইবাবে সাংখ্য সূত্ৰত 'জ্ঞানাৎ মুক্তি' বুলি কৈছে। এই জ্ঞান কি জ্ঞান? পুৰুষ প্ৰকৃতিৰ ভেদজ্ঞান। কিন্তু গীতাৰ মতে প্ৰকৃতি দুই প্ৰকাৰ, পৰা আৰু অপৰা। সাংখ্যৰ প্ৰকৃতিয়ে গীতাৰ অপৰা প্ৰকৃতি আৰু সাংখ্যৰ পুৰুষেই গীতাৰ পৰা প্ৰকৃতি। গীতাত এই পৰা আৰু অপৰা নাইবা সাংখ্যৰ পুৰুষ আৰু প্ৰকৃতি তত্ত্বৰ ওপৰতো আন এটি তত্ত্ব স্বীকৃত হৈছে, সেই তত্ত্বটো হ'ল পুৰুষোত্তম তত্ত্ব। গীতাই এই পুৰুষোত্তম তত্ত্বৰ সহায়ত কপিলৰ সাংখ্যবাদ তথা নিৰ্ব্বিশেষ ব্ৰহ্মবাদকৰ উৰ্দ্ধত সবিশেষ ব্ৰহ্মবাদৰ সৈতে ঈশ্বৰ বাদৰ সমন্বয় সাধন কৰিছে। সাংখ্যৰ নিৰীশ্বৰ মতবাদৰ পৰিবৰ্ত্তে গীতাই পৰিপূৰ্ণ ঈশ্বৰবাদ স্থাপন কৰিছে। সেই বাবে গীতাত আদ্যোপান্ত কৰ্ম্ম, জ্ঞান আৰু যোগৰ কথাৰ মাজতো ঈশ্বৰ প্ৰসঙ্গ অবিৰাম গতিত চলি থাকে, কতো বন্ধ নহয়।

বৈদান্তিক মায়াবাদী ব্ৰহ্মজ্ঞানীৰ মতে ব্ৰহ্ম আৰু মায়াই জগত প্ৰপঞ্চৰ মূল। মায়া মুক্ত হব পাৰিলেই মুক্তি। বৈদান্তিক মায়াবাদী

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

সকলে একমাত্ৰ ব্ৰহ্মতত্ত্বকেই স্বীকাৰ কৰে, জীৱ, জগত এই দুই তত্ত্ব স্বীকাৰ নকৰে। একমাত্ৰ ব্ৰহ্মই সত্য ; জীৱ, জগত মিথ্যা। সাংখ্যৰ প্ৰকৃতি আৰু মায়াবাদী বৈদান্তিকৰ মায়া মূলতঃ একে যেন লাগে। সাংখ্যৰ মতে যিদৰে প্ৰকৃতিৰ পৰা মুক্ত হলেই জীৱৰ অত্যান্তিক দুখৰ নিবৃত্তি ঘটে, সেই দৰে মায়াবাদী বৈদান্তিক সকলৰ মতেও মায়ামুক্ত অৱস্থাত জীৱৰ ব্ৰহ্ম প্ৰাপ্তি ঘটে আৰু তেতিয়া সকলো দুখৰ অৱসান হয়। আচলতে কপিল সাংখ্যৰ জ্ঞানবাদ আৰু বৈদান্তিক মায়াবাদীৰ মতবাদ— এই দুয়ো মত বাদে ; সন্ন্যাস-বাদ সমৰ্থন কৰে। উভয় মতবাদৰ মতে— কৰ্ম্ম বন্ধনৰ কাৰণ ; গতিকে কৰ্ম্ম ত্যাগ কৰিলেহে জীৱৰ মুক্তি বা মোক্ষ লাভ হয়। গীতা এই মতবাদৰ পক্ষপাতি নহয়।

সাধনাৰ আৰু এক প্ৰণালী আছে, পাতঞ্জল যোগমাৰ্গ। সাধাৰণতে যোগ বুলিলে পাতঞ্জল যোগমাৰ্গৰ যোগকেই বুজা হয়। গীতাৰ ৬ষ্ঠ অধ্যায়ত যি যোগৰ কথা কোৱা হৈছে তাত পাতঞ্জলৰ যোগমাৰ্গ গৃহীত হলেও গীতাৰ অভ্যাস যোগত অবিকল পাতঞ্জল যোগমাৰ্গকেই স্থাপন কৰা নাই। যোগৰ উদ্দেশ্য আত্মদৰ্শন কৰা। যোগ সিদ্ধ হলে যোগীৰ আত্মদৰ্শন লাভ হয়। কিন্তু গীতাৰ অভ্যাস যোগৰ উদ্দেশ্য যোগীৰ ধ্যানলব্ধ এই আত্মজ্ঞান বা ব্ৰহ্মজ্ঞানৰ লগত ভগবদ্ভক্তি মূলক কৰ্ম্মযোগৰ অবিচ্ছেদ্য সংযোগ স্থাপন। গতিকে পাতঞ্জল যোগমাৰ্গৰ সৈতেও গীতাৰ অভ্যাস-যোগৰ উদ্দেশ্য ঠিক একে নহয়।

মুঠতে গীতাৰ কি কৰ্ম্ম যোগ, কি জ্ঞানযোগ, কি অভ্যাস যোগ সকলোৰে মূল উদ্দেশ্য ভগবদ্ভক্তি বাদ স্থাপন। এই কাৰণে কৰ্ম্ম যোগ, জ্ঞান যোগ আদি সকলোতে ভক্তিৰ প্ৰাধান্য বিদ্যমান। কৰ্ম্ম জ্ঞান আৰু যোগে ভক্তিক অপেক্ষা কৰে ; কিন্তু ভক্তিয়ে কাকো অপেক্ষা নকৰে। শ্ৰীশ্ৰীমাধৱদেৱে পুৰুষে নামঘোষাত সেইবাবে উক্তি কৰিছে,

কেৱল ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৱে।
জ্ঞান কৰ্ম্ম তাৰে তৰিতে নাপাৰে
ভকতি নপাৰে বাৰে॥

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ভক্তি শূন্য জ্ঞান, কৰ্ম্ম, তপস্যা সকলো নিষ্ফল। আনহাতে ভগৱানত প্ৰীতি পূৰ্ব্বক মতত চিত্ত যুক্ত ৰাখি ঈশ্বৰ ভজন কৰিলে তেওঁৰ কৃপাত তত্ত্বজ্ঞান, আত্মজ্ঞান স্বাভাৱিকতে ওপজে। নামঘোষাত শ্ৰীশ্ৰীমাধৱদেৱ পুৰুষৰ উক্তি

ভগৱন্ত ভক্তি যুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত সুখে গুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয়॥

কৃপাৰ সাগৰ দৈৱকী নন্দন শ্ৰীকৃষ্ণ ভগৱানে মানৱ কল্যাণৰ অৰ্থে সমস্ত ধৰ্ম্ম শাস্ত্ৰৰ সাৰ, সমগ্ৰ দৰ্শন শাস্ত্ৰৰ সাৰ আৰু সমস্ত নীতি শাস্ত্ৰৰ সাৰ সংমিশ্ৰন আৰু স্তূপীকৃত কৰি কৰ্ম্ম-জ্ঞান-যোগ-ভক্তি ৰসৰ সমুচ্চয় সাধনৰ মাজেদি যি গীতামৃত প্ৰস্তুত কৰিছিল তাৰ কিঞ্চিৎমানো কেৱে গ্ৰহণ কৰিবলৈ সক্ষম হলে অৰ্থাৎ কেৱে তেওঁৰ জীৱনত গীতাৰ অপূৰ্ব্ব শিক্ষা সামান্য পৰিমানেও প্ৰতিফলন বা অনুষ্ঠান কৰিলে তেওঁৰ সৰ্ব্বভয় আতঁৰ হয়। 'স্বল্পসাপ্যস্য ধৰ্ম্মস্য ত্ৰায়তে মহতো ভয়াৎ' (গীতা ২/৪০)

গীতা সনাতন বৈদিক ধৰ্ম্মবৃক্ষৰ মধুৰ ৰসেৰে পৰিপূৰ্ণ অমৃত ফল। যি সকল ভাগ্যৱানে এই ফল উপভোগ কৰিছে, অকল তেওঁলোকৰ জীৱন কৃতকৃত্য হোৱাই নহয়, তেওঁলোকৰ জীৱনাদৰ্শৰে সমগ্ৰ মানৱ জীৱন ধন্য আৰু পৱিত্ৰ হয়। অৰ্জ্জুনক উপলক্ষ্য কৰি যি মহান আৰু অমৃত বাণী ভগৱান শ্ৰীকৃষ্ণই সমস্ত জীৱৰ পৰম মঙ্গল আৰু পৰম কল্যাণৰ অৰ্থে উচ্চ কণ্ঠে নিনাদিত কৰিছিল, আজি সেই বাণী সমূহ আমাৰ দেশবাসীয়ে সাৰোগত কৰি ব্যক্তিগত জীৱনত কৰ্ম্ম-জ্ঞান-যোগ আৰু ভক্তিৰ সমুচ্চয় সাধন কৰিব পাৰিলে দেশ আধ্যাত্মিক ভাৱৰ বিমল জ্যোতিৰে উদ্ভাসিত হৈ উঠিব, দেশ ধন্য আৰু পৱিত্ৰ হৈ পৰিব, দেশৰ লুপ্ত জ্ঞান, গৌৰৱ, ঐশ্বৰ্য্য পুনৰ উদ্ধাৰ হব।

আহক, মহাযোগেশ্বৰ ভগৱান শ্ৰীকৃষ্ণই ধৰ্ম্ম ভূমি কুৰুক্ষেত্ৰত পাঞ্চজন্য শঙ্খধ্বনি কৰি যি সৰ্ব্বজনীন অমৃত বাণী দেশ-কাল-পাত্ৰ অতিক্ৰম কৰি সমগ্ৰ বিশ্ব আৰু বিশ্বমানৱৰ কল্যাণৰ অৰ্থে ধৰ্ম্মৰ ভিত্তিত কৰ্ম্ম-জ্ঞান-যোগ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

আৰু ভক্তিৰ ঐকতান সৃষ্টি কৰি বিমল সঙ্গীতৰ ধাৰা মৰ্ত্ত্যলোকত বোৱাঁই দিছিল ব্যক্তিগত জীৱনত আমিও আমাৰ প্ৰত্যেকে জীৱন-সঙ্গীত বিভু শ্ৰীকৃষ্ণৰ সেই উপদেশ আৰু আদেশ সম্বলিত নিৰ্ম্মল সঙ্গীতৰ সৈতে ঐক্য সাধন কৰি আমাৰ হৃদয়ৰ দুৱাৰ খুলি অকপত ভাৱে গাওঁ,—

ভোক্তাৰং যজ্ঞতপসাং সৰ্ব্বলোকমহেশ্বৰম্।
সুহৃদম্ সৰ্ব্বভূতানাং জ্ঞাত্বা মাং শান্তিমৃচ্ছতি॥ ৫/২৯
তমেব শৰণং গচ্ছ সৰ্ব্বভাবেন ভাৰত।
তৎপ্ৰসাদাৎ পৰাং শান্তিং স্থানং প্ৰাপ্স্যসি শাশ্বতম্॥ ১৮/৬২

সমশেষত, আহক, পৰম কাৰুনিক, পৰম মঙ্গলময়—ভগৱান শ্ৰীকৃষ্ণৰ মুখনিসৃত বাণী অৱলম্বন কৰি তেওঁৰ পাদপদ্মত একান্তভাৱে শৰণ লৈ আমালোকৰ ক্ষুদ্ৰ জীৱন সাৰ্থক কৰোঁহঁক:

মন্মনা ভব মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে॥ ১৮/৬৫
সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ॥ ১৮/৬৬

ওঁ শান্তি ! শান্তি !! শান্তি !!!

=×=

কৃষ্ণ নাম সদা কীৰ্ত্তন কৰয় যিটো
মনে ছয় কৰিয়া নিশ্চয়।
নিষ্কাম হৌক বা যদি সকাম হোৱয়
তাক কদাচিতো কলি নবাধয়॥

—নামঘোষা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

মহাপুৰুষ মাধৱদেৱৰ "সন্তোষ"

শ্ৰীলক্ষেশ্বৰ হাজৰিকা

কুৰি শতিকাৰ সিদ্ধমুনি "অৰ্দ্ধনগ্ন ফকিৰ" মহামানৱ মহাত্মা গান্ধীৰ প্ৰিয় শিষ্য, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম সত্যাগ্ৰহী বিদগ্ধ পণ্ডিত আৰু ভাষাবিদ, আচাৰ্য্য বিনোৱা ভাৱেক এবাৰ বোলে ককায়েকে সুধিছিল

—আজি কালি তুমি কি খোৱা ?

—মই দৈ, মৌ আৰু সন্তোষ খাওঁ।

—সন্তোষ নে সন্দেশ ?

—নহয় সন্তোষ। অসম ৰাজ্যৰ মহাপুৰুষ মাধৱদেৱে তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ "নামঘোষাত" ব্যৱহাৰ কৰা সন্তোষ।

—এইটো আকৌ কি সন্তোষ ? হতবাক ককায়েকৰ প্ৰশ্নসূচক চকু আৰু মুখলৈ চাই আচাৰ্য্য ভাৱেই বোলে কৈছিল। —ই এক মহান সন্তোষ। মাধৱদেৱ এক মহান পুৰুষ। অসম তথা ভাৰতৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰক শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰম আৰু প্ৰধান শিষ্য। সেই শিষ্যই গুৰুৰ আদেশত এক "বগৰি প্ৰমান" বাহিৰত কোমল, ভিতৰত টান শাস্ত্ৰ নামঘোষা ৰচনা কৰিছিল। এই নামঘোষা বৈষ্ণৱ সকলৰ বিশেষকৈ অসমৰ মহাপুৰুষীয়া সমাজৰ এক শিৰৰ ভূষণ। জীৱন্ত গুৰু মাধৱ। উত্তৰ ভাৰতে তুলসী দাসৰ ৰামায়ণ লৈ যি গৌৰৱ কৰিব পাৰে, অসমৰ অসমীয়াই নামঘোষাক লৈ একে ধৰণৰে গৌৰৱ কৰিব পাৰে। এই পবিত্ৰ গ্ৰন্থত মহাপুৰুষ মাধৱদেৱে সন্তোষ শব্দক বিশেষ অৰ্থত আৰু বিশেষ ৰূপত, বিভিন্ন ভঙ্গীৰে আবেগপূৰ্ণভাৱে ব্যৱহাৰ কৰিছে।

১৯৭৩ চনত "নামঘোষা নৱনীত" আচাৰ্য্য বিনোৱা ভাৱে লিখা হিন্দী পুথিখনক অসমীয়ালৈ অনুবাদ কৰাৰ অনুমতি বিচাৰি পৌনাৰ আশ্ৰমলৈ যাওঁতে ওপৰৰ কথা খিনি আচাৰ্য্যৰ পৰা জানিছিলো। আচাৰ্য্যৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

আচৰিত ধৰণৰ নামঘোষাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ব্যাপক জ্ঞানৰ আভাষ পাই ঘূৰি আহি নামঘোষা আকৌ পঢ়িবলৈ লৈ দেখা গল যে মহাপুৰুষ মাধৱদেৱে নামঘোষাত সন্তোষ শব্দটো এৰৈকেশবাৰ ব্যৱহাৰ কৰিছিল ; তাকো নিপুণ লিখনিৰে বিভিন্ন ক্ষেত্ৰত নানান অৰ্থ, ৰস আৰু প্ৰকাশত। এটা শব্দৰ এনে ব্যৱহাৰে বিশেষ এক চিন্তা, দৰ্শন, ৰস আৰু আস্বাদনৰ প্ৰভাৱ পেলোৱাৰ বাবেই বোধহয় আচাৰ্য্য বিনোৱাই নিজে এবাৰটা ভাষাত বিশেষ বুৎপত্তি ৰাখিছিল ; ভাৰতৰ প্ৰান্তে প্ৰান্তে ঘূৰি প্ৰায়বোৰ ৰাজ্য আৰু সমাজৰ ধৰ্ম, ধৰ্মপুথি অধ্যয়ন কৰি অগাধ জ্ঞানৰ পৰিচয় দিছিল আৰু আৰু নবীন ভাৰতৰ জ্ঞান গৰিমাৰ প্ৰদৰ্শক হব পাৰিছিল। তেখেতে নামঘোষাক 'নৱনীত' আখ্যা দিছে আৰু তাত ব্যৱহাৰ কৰা সন্তোষ শব্দটিক আহাৰ ৰূপে গ্ৰহণ কৰিছিল। সেই আহাৰ, মন আৰু হৃদয়ৰ আহাৰ।

সন্তোষ শব্দৰ ধাতুগত অৰ্থ হিচাবেও সম্পূৰ্ণ তৃপ্তি বা তোষন বুজাইছে। সম্পূৰ্ণ তুষ্টিয়ে সন্তোষ। এই সন্তোষ সকলো ইন্দ্ৰিয়ৰ যোগেই পাব পাৰি। কিন্তু মাধৱদেৱ মহাপুৰুষে নামঘোষাত সন্তোষক আধ্যাত্মিক তুষ্টিৰ স্তৰলৈ লৈ গৈছে। নামঘোষাৰ সন্তোষ, মন আৰু হৃদয়ৰ। জিভাই কোনো বস্তুৰ সোৱাদ পালেও পাওঁতা জনৰ পূৰ্ণ সন্তোষ নহবও পাৰে।

তাহানি গান্ধীজীৰ সেৱগ্ৰামত আমেৰিকাৰ বিখ্যাত সাংবাদিক আৰু লিখক মিঃ লুই ফিছাৰ দুসপ্তাহ আহি আছিলহি। এদিন শাকান্ন ভোজন কৰি থাকোতে হয়তো চাহাবী জিভাত গান্ধী আশ্ৰমৰ শাকৰ জুটি নলগাত অকণমান নেমু চেপি লোৱা দেখি গান্ধীজীয়ে বোলে ফিছাৰক কৈছিল— তুমি শাকৰ সোৱাদ নষ্ট কৰিলা। খোৱাৰ সময়ত বা খাওঁতে জিভাৰ ওপৰত নিৰ্ভৰ কৰি খালে আচল সোৱাদ পোৱাও নাযায় আৰু সেই আহাৰেও সন্তোষ হোৱা টান। জিভাৰ সন্তুষ্টি ইন্দ্ৰিয়াশক্ত। আচলতে মনৰ সন্তোষেৰে খালে জিভায়ো সোৱাদ লয় আৰু তিতা, টেঙা, কেঁহা আৰু মিঠা সকলো উপাদেয় হৈ পৰে। "সন্তোষে পান" কৰিলে সম্পূৰ্ণ সোৱাদ পোৱা যায় আৰু সেই আহাৰ দেহ আৰু স্বাস্থ্যৰ পক্ষেও হিতকাৰী হয়। অশান্ত মনেৰে অমৃত খালেও তাৰ ফল তিতা হোৱাহে স্বাভাৱিক।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ঈশ্বৰ চিন্তা, ঈশ্বৰৰ ওচৰত ভক্তি আৰু ঈশ্বৰৰ নামত ৰতি সন্তোষ বিনে সম্পূৰ্ণ হব নোৱাৰে। মহাপুৰুষে নাম ঘোষাত অতি মধুৰ, অতি আবেগময় আৰু অতি আকৰ্ষণীয় ভাৱে কৈছে—

মোকে মাত্ৰ স্মৰে সৰ্ব্বক্ষণে পৰম সন্তোষ লভি মনে
আনন্দ সাগৰে মজিহে প্ৰেম ভাৱে

* * *

ৰসত চকুৰ যিটোজন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পিওক ফল অমৃত

* * *

শুনিয়ো অৰ্জ্জুন শাস্ত্ৰসাৰ সকলো সম্পত্তি তাৰ
কৰি ভক্তিৰসে সন্তোষ মন যাহাৰ

* * *

হৰি গুণ নাম সন্তোষ-অমৃত
পিয়ে যিটো মহাসুখী

* * *

শৰীৰ সন্তোষ হয় গুচয় সংসাৰ ভয়

* * *

হৰি-ভক্তি-সৰোবৰে সন্তোষ অমৃত-জলে
কৃষ্ণ-পাদ-পদ্ম প্ৰকাশয়।

অমৃত ফল, অমৃত জল, আনন্দ— নিজেই শুদ্ধ আৰু মিঠা। অকলে অমৃত ফলে, অমৃত জলে মানুহৰ মনত তৃপ্তি আৰু আনন্দ দিব লাগে। কিন্তু অমৃত-ফলো আৰু অমৃত-জলো মনৰ বিৰকতিত তিতা হ'ব পাৰে। সেইদৰেই ঈশ্বৰ সেৱা, ঈশ্বৰ বিশ্বাস অসম্পূৰ্ণ হৈ ৰ'ব যদি সেৱকৰ বিশ্বাস আৰু সেৱাত সন্তোষ নেথাকে। প্ৰকৃততে সন্তোষ সকলো স্বাদ, সকলো উপলব্ধি আৰু সকলো ৰসৰ পূৰ্ণতা প্ৰাপ্তিৰ মূল।

পৃথিৱীৰ প্ৰায় সকলো ধৰ্ম্ম আৰু সমাজতে খোৱা আহাৰ গ্ৰহণৰ সময়ত ঈশ্বৰচিন্তা কৰা বা ঈশ্বৰলৈ আহাৰ উচৰ্গা কৰা এটা ৰীতি। হিন্দুৱে জগন্নাথ, মুছলমানে বিচ্‌মিল্লা কোৱাটো খ্ৰীষ্টানে দুইবাহু আৰু কপাল

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

চুই প্ৰভু যীশুক স্মৰণ কৰাটো এটা নিয়মৰ কথা। আহাৰ গ্ৰহণৰ সময়ত সেই আহাৰ নিজ নিজ ইষ্টদেৱতাক উচৰ্গা কৰাৰ ৰীতি। ইয়াৰ অৰ্থ কি?

সন্মুখৰ আহাৰ নিজ উপাস্য দেৱতালৈ আগবঢ়োৱা মানেই প্ৰসাদ বা পবিত্ৰ বস্তুত পৰিবৰ্ত্তন কৰাৰ ভাৱ— মনেৰে আহাৰক প্ৰসাদ বুলি লোৱা। ভগৱানলৈ উচৰ্গা কৰা যি কোনো বস্তুৰ গুণাগুণ বিচাৰ কৰাটো "পাপ"। সন্তোষেৰে গ্ৰহণ কৰাটো আৱশ্যক। এইয়েই মহাপুৰুষ মাধৱ-দেৱৰ "পৰম সন্তোষে" "মনৰ সন্তোষ" "সন্তোষ লভিয়া" আদি গ্ৰহণ বা সেৱনৰ প্ৰণালী। এই সন্তোষকেই আচাৰ্য্য বিনোৱাভাৱে দৈ আৰু মৌৰ লগত গ্ৰহণ কৰিছিল। যাৰ এবাৰ সন্তোষ মিলিল, তাৰ বাবে সকলো আনন্দময়, সকলো ৰসাল, সকলো গ্ৰহণীয় আৰু সৰ্ব্বপ্ৰকাৰে হিতকাৰী ই এক মনৰ, এক উচ্চ পৰ্য্যায়ৰ তৃপ্তি। সাধাৰণ দৈহিক অৱস্থাৰ পৰা উন্নত মানসিক বা আধ্যাত্মিক অৱস্থা।

ভাতৰ পাতত বহিয়েই আহাৰত মুখ দিয়েই "এইখন কি ৰান্ধিলা? নিমখেই নহল, দেই গল" ইত্যাদি অশান্তি আৰু অসন্তোষ মনেৰে আহাৰ কৰিলে সেই আহাৰে নসুজে আৰু সুফল নিদিয়ে। তেনেলোকক নৱবিধ ব্যঞ্জনেৰে দিলেও সেই আহাৰত সেই অৱস্থাত সম্পূৰ্ণ ভোগ বা তৃপ্তি নাহিব। সকলো আহাৰ অসাৰ হ'ব। কিন্তু ঈশ্বৰত মন ৰাখি মুখত প্ৰসাদৰূপে আহাৰ গ্ৰহণ কৰি লুভীয়া জিভাক টানি ধৰি আহাৰ গ্ৰহণ কৰিলে সি উপাদেয় হৈ পৰে। আমাৰ প্ৰকৃত ভকত সকলেও আহাৰৰ গুণাগুণ আহাৰ কৰাৰ সময়ত কৰাটো বৰ্জনীয় বুলি কয়। সিও সন্তোষ লাভ কৰাৰ এক প্ৰচেষ্টা

মহাপুৰুষে নামঘোষাত সন্তোষক বিশেষ্য বিশেষণ বিশেষণীয় বিশেষণ আৰু ক্ৰিয়া বিশেষণ ৰূপে ব্যৱহাৰ কৰিছে। এনে সন্তোষজলৰ সৃষ্টি নকৰা হলে "কৃষ্ণৰ চৰণত মন দিয়া" হৰি ভক্তিৰ "সংসাৰ ভয় দূৰ কৰা" "কৃষ্ণপাদ পদ্ম প্ৰকাশ" কৰি "প্ৰেম ভাৱত" ৰস পোৱা সম্ভৱ নহ'লহেতেন। নাম ঘোষাৰ "সন্তোষ" শব্দৰ ব্যৱহাৰ অতি মধুৰ, মনোগ্ৰাহী আৰু ভাৱ উদ্বেগক আৰু আধ্যাত্মিক।

* * *

॥ গীতা-জ্ঞানমঞ্জৰী/২৭ ॥

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

বিনোবাৰ দৃষ্টিত গীতা

শ্ৰীনৃপেন শৰ্মা

আজিৰ পৃথিবীত মানুহে বিদ্যা, সম্পত্তি, দেশভ্ৰমণ, দান, তপ, যজ্ঞ, মিত্ৰবঢ়োৱা, পৰিয়াল পোষণ কৰা, যশমান বিয়পোৱা আদি সকলো হোৱাৰ পিচতো মানুহৰ জীৱনৰ পৰা প্ৰশ্নবোধক চিহ্নৰ অন্ত পৰা নাই। আজিৰ বিজ্ঞানৰ একতৰফীয়া প্ৰগতিয়ে মানৱ অস্তিত্বক এক অনিশ্চয়তালৈ ঠেলি দিছে। সেই কাৰণে পৃথিবীৰ মানুহ আজি অসন্তুষ্ট। সেই বেদনা আৰু অসন্তোষ দূৰ কৰিবলৈ এগৰাকী মমতাময়ী মাতৃৰ আৱশ্যক। সেই গৰাকী মাতৃয়ে যেতিয়া জীৱনৰ প্ৰতি পলকতে সমত্ববাখি সমগ্ৰজীৱনৰ বিকাশ কৰি এক অবিৰোধী জীৱন যাপন কৰিব পাৰে তেতিয়া সৰ্বত্ৰ সমাধান হ'ব। সেই মমতাময়ী মাতৃ গৰাকী হৈছে গীতা। গীতাই মন পৱিত্ৰ কৰে, বুদ্ধি স্থিৰ কৰে, জীৱনত কৰ্ম, জ্ঞান আৰু ভক্তিৰ সমন্বয় আনে। অত্যন্ত উচ্চ আদৰ্শৰ দ্বাৰা ৰচিত গীতা এক পৰিপূৰ্ণ গ্ৰন্থ। অনেক সাধু-সন্ত, ৰাষ্ট্ৰনেতা, বিপ্লৱী, সাহিত্যিক আৰু বৈজ্ঞানিকৰ জীৱন প্ৰেৰণাৰ স্থল হ'ল গীতা।

ৰুচিয়াৰ বিখ্যাত মনীষী লিও টলষ্টয়ে গীতা পঢ়ি ক'ব পাৰিছিল— "ঈশ্বৰৰ ৰাজ্যখন তোমাৰ ভিতৰতে আছে।" বিখ্যাত দাৰ্শনিক থৰো আৰু ইমাৰচনে গীতা অধ্যয়ন কৰি কৈছিল—"ধনসম্পত্তিয়ে আমাক সম্পূৰ্ণৰূপে পৰাভূত কৰিলে আৰু ভোগ্য পদাৰ্থৰ সঞ্চয়ে আমাক নাশ কৰিলে।" মহামানৱ মহাত্মা গান্ধীয়ে গীতাক গভীৰ ভাৱে অধ্যয়ন কৰি তাৰ গুঢ় তত্ত্ব উলিয়ালে। সমাজলৈ তেওঁ একাদশ ব্ৰত, গঠনমূলক কাৰ্য্যক্ৰম আৰু সৰল জীৱন-যাপন আৰু উচ্চচিন্তনৰ মন্ত্ৰ আগ বঢ়ালে। পৃথিৱীত যি সকল মহান পুৰুষৰ জন্ম হৈছে, সেই সকলৰ প্ৰায় সকলোৱে গীতা অধ্যয়নৰ দ্বাৰা পুষ্ট হৈছে। গীতাই যুগ-যুগ ধৰি মানুহক সত্য পথৰ সন্ধান

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

দি আহিছে। গীতাৰ ওপৰত অনেক চিন্তাশীল মনীষীয়ে বিভিন্ন ব্যাখ্যা দি আহিছে যদিও তাৰ পৰম্পৰা শেষ হোৱা নাই। বৰ্ত্তমান যুগৰ লগত খাপখোৱাকৈ পূজ্য ৱিনোবাজীয়ে গীতাক এক নতুন ৰূপ দি থৈ গ'ল।

ৱিনোবাজী আজীৱন সেৱাব্ৰতী, সন্ন্যাসী, গান্ধী বিচাৰৰ পৰম অনুগামী আৰু সৰ্বোত্তম প্ৰচাৰক আছিল। সেই বাবে তেওঁ গান্ধীজীৰ আধ্যাত্মিক উত্তৰাধিকাৰী হ'ব পাৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনতো ৱিনোবাজী আছিল প্ৰথম সত্যাগ্ৰহী। ৱিনোবাজীয়ে গোটেই ভাৰতবৰ্ষ ১৩ বছৰকাল পদযাত্ৰা কৰি ৪৫ লাখ একৰ ভূমি সংগ্ৰহ আৰু বিতৰণৰ ব্যৱস্থা কৰাৰ উপৰিও গীতাৰ মাধ্যমেৰে ৰাইজক অধ্যাত্মজ্ঞান, স্বাৱলম্বন আৰু আত্মনিৰ্ভৰশীলতাৰ কথা কৈ ফুৰিছিল।

গান্ধীজীৰ আদৰ্শ আছিল সৰ্বোদয় সমাজ প্ৰতিষ্ঠা কৰা। ৱিনোবাজীয়ে তাক ৰূপায়ণ কৰিবলৈ ভূদান, গ্ৰামদান, শ্ৰমদান, বুদ্ধিদান, সম্পত্তিদান, জীৱনদান আদি অনেক কাৰ্য্যক্ৰম সমাজলৈ আগবঢ়াই থৈ গ'ল। ৱিনোবাজীয়ে গীতাপ্ৰৱচন পঢ়োতা সকলক নিজ হস্তাক্ষৰেৰে লিখি দিছিল "ই নিত্যপঠনীয়।"

ৱিনোবাজী যেতিয়া ধুলিয়া জেলত আছিল, তেতিয়া জেলৰ কয়দীসকলক দিনৌ দেওবাৰে গীতাৰ ব্যাখ্যান শুনাইছিল। ১৯৩২ চনৰ ২১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ কৰা এই গীতাতত্ব ব্যাখ্যানৰ কাৰ্যাসূচী ১৯ জুনত সমাপ্ত কৰা হৈছিল। শ্ৰীসানে গুৰুজী নামৰ পণ্ডিত এজনে ৱিনোবাজীৰ মুখনিসৃত বাণীক লিপিবদ্ধ কৰি ৰাখিছিল। পিচত সেই বাণীখিনিয়ে 'গীতা প্ৰৱচন' নাম লৈ সমাজলৈ ওলাল।

ৱিনোবাজীয়ে কৈছিল—"মোৰ জীৱনত গীতাই যি স্থান পালে, তাক ভাষাৰে বৰ্ণাব নোৱাৰোঁ। গীতাৰ পৰা মই অনন্ত উপকাৰ পাইছোঁ। প্ৰতিদিনে মই ইয়াৰ সহায় লওঁ আৰু সেইমতে সহাৰি পাওঁ। গীতাৰ ভাৱাৰ্থ মই যি ধৰণে বুজিছোঁ সেই ধৰণে অন্যকো বুজাবলৈ যত্ন কৰিছোঁ। মই বিচাৰোঁ ইয়াৰ অনুবাদ প্ৰত্যেক ভাষাতে হওক আৰু ঘৰে ঘৰে ইয়াৰ শ্ৰৱণ, মনন, আৰু পঠন হওক।"

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ৱিনোবাজীৰ 'গীতা প্ৰৱচন' কিতাপখনৰ সৰ্বজনীন ব্যাখ্যা আৰু সহজ সৰল দৃষ্টিভঙ্গীৰ কাৰণে ই প্ৰথমে মাৰাঠী ভাষাত প্ৰকাশ হৈছিল যদিও লাহে লাহে ভাৰতৰ সকলো ভাষাতে ইয়াৰ অনুবাদ হ'ল। এই গীতা প্ৰৱচন ভাৰতৰ ওঠৰটা ভাষা আৰু বিদেশী পাঁচটা ভাষাত অনুবাদ হৈছে আৰু এতিয়ালৈ গীতা প্ৰৱচন ২০ লাখৰ ওপৰ বিক্ৰী হৈছে।

ৱিনোবাজীয়ে সহজ পদ্যছন্দেৰে মাকৰ বাবে লিখা 'গীতাঈ' এখনি উত্তম গ্ৰন্থ। তাৰ অনুৰূপ এখন "গীতা আই" শ্ৰীহেমভাইয়ে অসমীয়া ভাষাত ৰচনা কৰি উলিয়াইছে। সমাজত সেই কিতাপখনে সমাদৰো লাভ কৰিছে। ইতিমধ্যে সাংস্কৃতিক আৰু ভাৱাত্মক একতাৰ ওপৰত জোৰ দি "মই গোটেই সৃষ্টিৰ মিত্ৰ হ'ম; গোটেই সৃষ্টি মোৰ মিত্ৰ হ'ব" এনেকুৱা ভাৱনা আগত ৰাখি 'মিত্ৰ সমাজে' গীতাৰ মাধ্যমেৰে কাম হাতত লৈছে।

গীতা মানৱ জীৱনৰ সাধাৰণ সত্য সমূহৰ দ্বাৰা ৰচনা কৰা হৈছে যদিও সাধাৰণ মানুহৰ কাৰণে গীতাৰ জ্ঞান ঢুকি পোৱা বিধৰ নহয়। ৱিনোবাজীয়ে বেদ, উপনিষদ, যোগসূত্ৰ, বাইবেল, কোৰাণ, ধৰ্ম্মপদ আদি অনেক গ্ৰন্থ অধ্যয়ন কৰি সাধাৰণ বুদ্ধিৰ পাঠক আৰু শ্ৰোতাৰ বোধগম্য কৰি 'গীতা প্ৰৱচন' আৰু 'গীতাঈ'ৰ যোগেদি ভাৰতৰ চুকে কোণে গীতাৰ মহান বাণী প্ৰচাৰৰ প্ৰচেষ্টা চলাই আহিছে।

ৱিনোবাজীৰ গীতা প্ৰৱচনত আত্মজ্ঞান, দেহৰ নশ্চৰতা, আত্মাৰ অমৰত্ব, স্বধৰ্ম পালন, ফলত্যাগ, মঙ্গলময় দৃষ্টি, আদিৰ সুন্দৰ ব্যাখ্যা কৰাৰ উপৰিও ভক্তিতত্বৰ অৱতাৰণা কৰা দেখা গৈছে। ৱিনোবাজীয়ে কৰ্ম, জ্ঞান আৰু ভক্তিৰ সমন্বয় দেখুৱাই কৈছে "এটা মিঠাইৰ যেনেকৈ আকৃতি, ওজন আৰু সোৱাদ পৃথক কৰিব নোৱাৰি, সেইদৰে কৰ্ম, জ্ঞান আৰু ভক্তিৰ সংযোগ নহ'লে জীৱনটোৱে পূৰ্ণতা লাভ কৰিব নোৱাৰে। ৱিনোবাজীৰ নিজৰ জীৱনো কৰ্ম, জ্ঞান আৰু ভক্তিৰ সমন্বয় আছিল।

দৈৱিক আৰু আসুৰিক গুণৰ ব্যাখ্যা কৰি ৱিনোবাজীয়ে কৈছে যে, গুণবিকাশৰ দ্বাৰাহে সমাজ ৰচনা হ'ব পাৰে। সেইবাবে সমাজত দৈৱিক গুণ সমূহ বিকাশৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। সমাজত সত্য, প্ৰেম, কৰুণাৰ বিকাশ, বিশ্বভাতৃত্ব ভাৱাত্মক ঐক্য আৰু ব্ৰহ্মবিদ্যাৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ওপৰত গুৰুত্ব প্ৰদান কৰি ৱিনোবাজীৰ সদিচ্ছাত মহাপুৰুষ মাধৱদেৱৰ আদৰ্শেৰে "লোকৰ হিতক চিন্তি নিতে ফুৰো হুইয়া আমি আনন্দিত" মন্ত্ৰেৰে কেৱল মহিলাৰ দ্বাৰা 'লোকযাত্ৰা'ৰ কাৰ্য্যক্ৰম ভাৰত, শ্ৰীলঙ্কা আৰু নেপালত বাৰ বছৰ চলোৱা হৈছিল।

ৱিনোবাজীৰ মতে সত্য জীৱনৰ পথ, সংযম জীৱনৰ পদ্ধতি আৰু সেৱা জীৱনৰ পথ হোৱা উচিত। গুণবিকাশৰ কাৰণে তেখেতে আকৌ মন্ত্ৰ দি গৈছিল— "কালজ্ঞাবনম্, স্নেহসাধনম্, কটুকবৰ্জনম্, গুণনিৱেদনম্।"

বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুৰ মাজতে ঈশ্বৰৰ বিভূতি লুকাই আছে। কিয়নো ঈশ্বৰ সৰ্বশক্তিমান, সৰ্বজ্ঞ আৰু সৰ্ববিৰাজমান। চাব জানিলে আমি এটা ধূলিকণাৰ মাজতো এখন জগত আৰু এটা বনফুলৰ মাজতো এখন স্বৰগ ৰচনা কৰিব পাৰোঁ। চন্দ্ৰ-সূৰ্য্য, গ্ৰহ-নক্ষত্ৰ, জীৱ-জন্তু, চৰাই-চিৰিকতি, কীট-পটঙ্গ আদি সকলো জীৱজগত আৰু জড়জগতৰ মাজত এক বিৰাট ঐক্য বিৰাজমান হৈ আছে। কিন্তু কাম, ক্ৰোধ, লোভ আৰু মোহৰ বসবৰ্ত্তী হৈ মানুহে সেই উপলব্ধিৰ পৰা বঞ্চিত হৈ আছে। কিয়নো এই ৰিপুবোৰে সকলো সময়তে মানুহক নচুৱাই আছে। ৱিনোবাজীয়ে 'গীতা প্ৰৱচন'ত এই ৰিপু সমূহৰ পৰা মুক্ত হৈ নিষ্কাম সেৱাৰ পথ ল'বলৈ মানুহক উদ্বুদ্ধ কৰিছে।

ৱিনোবাজীৰ 'গীতাপ্ৰৱচন'ত সাহিত্য আছে, বিচাৰ আছে আৰু আছে সমাজ আৰু সংস্কৃতি। থোৰতে ক'বলৈ হলে ইয়াত সম্পূৰ্ণ জীৱন দৰ্শন আছে। গীতাৰ মহান আদৰ্শ হৈছে জনকল্যাণ। এই কথা ৱিনোবাজীয়ে গীতা প্ৰৱচনৰ মাজেদি ৰাইজক বুজাইছিল যে, গীতাৰ ধৰ্ম পৃথিৱীৰ সকলো মানুহৰ ধৰ্ম : কিয়নো গীতা এক 'জীৱন-শাস্ত্ৰ'। ইয়াৰ অধিক প্ৰচাৰৰ দ্বাৰা দেশ তথা পৃথিৱী ৰক্ষা পৰিব আৰু মানুহৰ জীৱনৰ নৈতিক আৰু আধ্যাত্মিক মানদণ্ডৰ অশেষ উন্নতি হ'ব।

—×—

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতা এক জীৱন-শাস্ত্ৰ

শ্ৰীঅমল প্ৰভা দাস

ঈশ্বৰৰ সৃষ্টিৰ এই জগতত মানৱজাতি শান্তি আৰু সমাধানেৰে জীয়াই থাকিব লাগিব। কেৱল নিজে জীয়াই থকাই নহয়, আনকো জীয়াই ৰাখি এখোজ দুখোজকৈ নিজক শুদ্ধ কৰি ভগৱানৰ ওচৰ পাবগৈ লাগিব। আমি অব্যক্ত ভগবানক তেওঁৰ গুণৰ উপলব্ধিৰ দ্বাৰা সাক্ষাৎ কৰিব লাগিব। ভগৱান সত্যস্বৰূপ, প্ৰেমৰূপী, কৰুণাময়। তেওঁৰ প্ৰকৃত স্বৰূপ এই সত্য, প্ৰেম আৰু কৰুণাক আমাৰ হৃদয়ত উপলব্ধি কৰি ইয়াক আমাৰ জীৱনৰ আচৰণত আনিব লাগিব।

মানৱ জীৱন ঈশ্বৰৰ শ্ৰেষ্ঠতম অৱদান বুলি মহাপুৰুষ সকলে কয়। কিন্তু ই সঁচা হলেও মানৱ জাতি প্ৰতিক্ষণে নানা সমস্যাৰে জৰ্জৰিত। ইয়াৰ কিছুমান সমস্যা প্ৰাকৃতিক আৰু কিছুমান মানৱ নিৰ্মিত। প্ৰাকৃতিক সমস্যাৰ সমাধান মানৱে কিছু পৰিমানে কৰিব পাৰিলেও ইয়াৰ সম্পূৰ্ণ সমাধান পৰমেশ্বৰেহে কৰিব পাৰে। কিন্তু মানৱ আজি অধিক জৰ্জৰিত মানৱ নিৰ্মিত সমস্যা বোৰৰ দ্বাৰাহে। মানৱ মনত উদয় হোৱা অসৎ ভাৱনা বিলাকৰ পৰাই জগতত সকলো অনৰ্থ হব লাগিছে।

গীতাৰ শ্লোক লৈ মহাপুৰুষ মাধৱদেৱে লিখিছে যে জগতত সকলো অনৰ্থৰ মূল কাম ক্ৰোধ আৰু লোভ আৰু ইয়াৰ পৰাই জগতত অসুখ, অশান্তি, অনাচাৰ, অত্যাচাৰ আদি হয়।

এই কাম, ক্ৰোধ আৰু লোভৰ মূলতে আছে অহংকাৰ। দেহকেই মই বুলি কৰা অভিমানেই অহঙ্কাৰ। অহঙ্কাৰক জয় কৰিব পাৰিলেহে মানৱ নিৰ্মিত সমস্যা সমূহৰ সমাধান কৰি সৰ্বমঙ্গলকামী ব্যাপক আৰু পৰিশুদ্ধ মানৱ মনে বিশ্বত স্থায়ী শান্তি স্থাপন কৰিব পাৰিব।

মানৱে আবিষ্কাৰ কৰা শক্তি সমূহৰ ভিতৰত বিজ্ঞানৰ শক্তি অন্যতম।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

আজিৰ বিজ্ঞানে মানৱ কল্যাণকাৰী বহুকাম কৰিছে। আমি এনে কল্যাণকাৰী বিজ্ঞানৰ উত্তৰোত্তৰ বিকাশ কামনা কৰোঁ। কিন্তু আজি বিজ্ঞানে মানৱ মনৰ দুষ্প্ৰবৃত্তি বিলাকৰ লগত যুক্ত হৈ ভয়াবহ মৰনাস্ত্ৰ নিৰ্মাণ কৰাটোহে দুখজনক কথা হৈ পৰিছে। আজিৰ সৃষ্টিখনক কেইটামান নিমিষতে চৈধ্যবাৰ বিনাশ কৰিব পৰা পাৰমাণিক অস্ত্ৰৰ ভয়াবহতাক মানুহে আওকাণ কৰিব নোৱাৰে। বিশ্বৰ বৃহৎ শক্তি সমূহৰ বৈজ্ঞানিক অস্ত্ৰ প্ৰতিযোগিতাই মানুহৰ অস্তিত্বক সন্দিহান কৰি তুলিছে। সন্দেহ, ভয়, লোভ আৰু ঘৃণাই মানুহক প্ৰতিযোগিতাপ্ৰিয় কৰি তুলিছে। ইয়াৰ পৰিনাম স্বৰূপে প্ৰেম-প্ৰীতি. সহযোগ, সহৃদয়তা আদি মানৱীয় গুণ সমূহ লাহে লাহে লোপ পাব ধৰিছে। ইয়াৰ ভয়াবহ ৰূপটোৰ প্ৰভাৱ সমাজৰ আৰ্থিক আৰু সাংস্কৃতিক দিশটো পৰিব ধৰিছে। এফালে চলিছে গগনচুম্বী অট্টালিকাত ভোগ-বিলাস আৰু আনফালে ভগাপঁজাত ভোকাতুৰৰ হাহাকাৰ। ক্ষমতা আৰু সম্পত্তিৰ কেন্দ্ৰিকৰণ বিজ্ঞান যুগৰ এক অভিশাপ। অধ্যাত্মহীন কেৱল বিজ্ঞান নিজেই এক বিৰাট সমস্যা। বিজ্ঞান-বিমুখী ধৰ্মৰ গোৰামীয়েও জগতত ভেদ ভাৱৰ সৃষ্টি কৰিছে।

গতিকে বৰ্ত্তমানৰ সমাজখনে স্থায়ী শান্তিৰ ফালে অগ্ৰসৰ হবলৈ হলে বিজ্ঞান আৰু অধ্যাত্মৰ সমন্বয় কৰিব লাগিব। বিজ্ঞান হব লাগিব আত্ম-নিষ্ঠ বিজ্ঞান আৰু অধ্যাত্ম হব লাগিব বিজ্ঞাননিষ্ঠ অধ্যাত্ম। সন্ত ৱিনোবাজীয়ে কৈছে যে বিজ্ঞান হৈছে গাড়ীখনৰ গতি শক্তি আৰু অধ্যাত্ম হৈছে গাড়ীখনৰ দিশ নিৰ্ণয়ক শক্তি। গতিকে সূক্ষ্ম বৈজ্ঞানিক প্ৰয়োগৰ লগে লগে সূক্ষ্ম আধ্যাত্মিক প্ৰয়োগৰো আৱশ্যক হৈছে। এইটো সামূহিক সাধনাৰ যুগ। বিজ্ঞানে ভৌতিক সত্যক সামাজিক ৰূপ দিলে। এতিয়া অধ্যাত্ময়ো অধ্যাত্মিক সত্যক সামাজিক ৰূপ দিব লাগিব।

গীতা এখন আধ্যাত্মিক গ্ৰন্থ বুলি আজি জগতত প্ৰমাণিত হৈছে। যদিও সনাতন ধৰ্মৰ মহাভাৰতৰ পৰাই গীতাৰ জন্ম হ'ল তথাপি ই কোনো ধৰ্মবিশেষৰ গ্ৰন্থ নহৈ এক জীৱনগ্ৰন্থ হৈছে। গীতাত কোনো সংকীৰ্ণতা আৰু কোনো গোড়ামী নাই। গীতাই কাকো নিন্দা কৰা নাই। গীতাই সকলোৰে গুণৰ সমন্বয় কৰিছে। গীতা সমন্বয়ৰ শাস্ত্ৰ। গীতাত সাংখ্য,

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

যোগ, ভক্তি, কৰ্ম আৰু শ্ৰদ্ধা এই সকলোৰে সমন্বয় হৈছে। মানৱ জীৱন এক দিব্য ৰসায়ণ। ৰামধেনু যেনেকৈ সাতোটা ৰঙৰ সংমিশ্ৰণ ঠিক তেনেকৈয়ে কৰ্ম, জ্ঞান, ভক্তি, শ্ৰদ্ধা আৰু ধ্যানৰ সমন্বয়তে জীৱন। একাঙ্গী জ্ঞান একাঙ্গী কৰ্ম, একাঙ্গী ভক্তিৰ দ্বাৰা জীৱনৰ পূৰ্ণাঙ্গ বিকাশ হব নোৱাৰে। গীতাৰ উপদেষ্টা ভগৱান শ্ৰীকৃষ্ণ নিজেই সমন্বয়ৰ এক মহামূৰ্ত্তি। ক্ষোভ আৰু ঘৃণামুক্ত হৈ ঈশ্বৰৰ আদেশ বুজি নিষ্কামভাৱে শ্ৰদ্ধা ভক্তি ভাৱনাৰে জ্ঞান পূৰ্বক কৰণীয় কৰ্ম কৰি গলেই সমাজো সুখী হব আৰু নিজেও শাশ্বত শান্তি লাভ কৰিব।

জগতৰ চিন্তাবিদ্ সকলে গীতাৰ পৰা প্ৰেৰণা লাভ কৰি আহিছে। এই ভাৰত ভূমিত প্ৰাচীন আৰু অৰ্বাচীন চিন্তাবিদ্, দেশনায়ক, জ্ঞানী, গুণী সকলে গীতাৰ পৰাই প্ৰেৰণা লাভ দেশ আৰু বিশ্বৰ কাৰণে অমূল্য দান দি গৈছে। এই পৱিত্ৰ অসম ভূমিতো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আদি মহাপুৰুষ সকলে গীতাৰ পৰাই প্ৰেৰণা লৈ এখন শুদ্ধ, সত্ব সমাজ ৰচনা কৰিছিল।

গীতাৰ আদৰ্শ লৈয়েই মহামানৱ মহাত্মা গান্ধীয়ে অহিংস পথেৰে ভাৰতবৰ্ষক স্বাধীন কৰিলে। তেখেতৰ সপোন আছিল সত্য, প্ৰেম আৰু সমতাৰ ভেটিত ভাৰতত এখন শোষণবিহীন সমাজ প্ৰতিষ্ঠা কৰা। সন্ত ৱিনোবাজীয়েও গীতাৰ আদৰ্শৰ ওপৰতে প্ৰাধান্য দি ভূদান যজ্ঞৰ যোগেৰে ভাৰতত সাম্যবাদী সমাজ গঢ়াৰ কাম আগ বঢ়ালে।

আজিৰ পৃথিবীৰ পৰা ধৰ্ম, আৰু পন্থৰ গোড়ামি, বিজ্ঞানৰ দিশহীনতা, সম্পত্তিৱান সকলৰ ভোগপৰায়ণতা আৰু দুখীয়া শ্ৰেণীৰ অসহায়তা দূৰ কৰাৰ নিতান্ত প্ৰয়োজন। আজি সকলো শ্ৰেণী, জাতি, ধৰ্ম, বৰ্ণ, পন্থ নিৰ্বিশেষে সকলোৱে একেলগে বহি চিন্তা চৰ্চা কৰি পথৰ সন্ধান কৰাৰ আৱশ্যক হৈ পৰিছে।

এই উদ্দেশ্যেৰেই অহা ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখৰ পৰা ১৯ তাৰিখলৈ অসম গো-সেৱা সমিতিৰ শান্তি সাধনা আশ্ৰমত ষষ্ঠ বাৰ্ষিক অখিল ভাৰতীয় গীতা সম্মিলন পাতিবলৈ আয়োজন কৰা হৈছে। আন্তৰ্জাতিক খ্যাতি-সম্পন্ন অনেক চিন্তাবিদ আৰু আধ্যাত্মিক ভাৱাপন্ন পুৰুষ মহিলাই এই

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

সম্মিলনত নিজ নিজ বিচাৰ ব্যক্ত কৰিব। এই সম্মিলনতে সকলো সম্প্ৰদায়ৰ, সকলো ধৰ্মৰ প্ৰতিনিধিসকল একে লগে বহি মানৱ-কল্যাণ হকে সৰ্বমান্য কাৰ্য্যক্ৰমণিকা প্ৰস্তুত কৰাৰ কামত মনোনিবেশ কৰিব।

আন্তৰ্জাতিক যুৱ-বৰ্ষত এই সম্মিলনতে অহা ১৭ ফেব্ৰুৱাৰীত স্কুল, কলেজ, বিশ্ববিদ্যালয় আৰু যুৱ-সংগঠন সমূহৰ প্ৰতিনিধিসকলক লৈ সমাধানৰ উপায় সম্পৰ্কে আলোচনা কৰাৰ আয়োজন কৰা হৈছে।

শোক-মোহত কৰ্ত্তব্যভ্ৰষ্ট হোৱা অৰ্জুনক কৰ্ত্তব্য পালনৰ উপদেশ দি ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক বিজয় প্ৰদান কৰিলে। আজি আমিও প্ৰত্যেকজন ব্যক্তিয়েই অৰ্জুনৰ দৰে গীতা-জ্ঞানৰ দ্বাৰা মোহ নিবাৰণ কৰিব লাগিব আৰু সমস্যাসমূহৰ লগত সংগ্ৰাম কৰি জীৱন-পথত আগবাঢ়ি যাব লাগিব। আমাৰ ভৱিষ্যত উজ্বল। ইয়াৰ বাবে আমাক লাগিব আত্মবিশ্বাস, কৰ্মপ্ৰেৰণা আৰু গীতাত বৰ্ণনা কৰা নিৰ্বিকাৰ স্থিতপ্ৰজ্ঞ বৃত্তি।

* * *

মোতে মাত্ৰ সদা দিয়া মন, মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ,
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলোঁ তোমাত সত্য বাণী, পাইবা সুখে মোক মহামনী,
তুমি প্ৰিয়তম সুহৃদয় সখি আমাৰ॥
কৃষ্ণ নিগদতি সব্যসাচী, পৰমাৰ্থতত্ত্ব লৈয়ো বাছি,
সুদৃঢ় বিশ্বাসে শৰণ লৈও আমাত।
মোতে মাত্ৰ সদা দিয়া চিত্ত, গাৱা মোৰ নাম গীত,
সকলো শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত॥

নামঘোষা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

প্ৰস্থানত্ৰয়

শ্ৰীৰবি চন্দ্ৰ বৰ্মন

প্ৰস্থানত্ৰয় ভাৰতীয় অধ্যাত্ম বিদ্যাৰ তিনিটা লাইখুটা। প্ৰস্থান শব্দৰ অৰ্থ হৈছে আকৰ বা মূলগ্ৰন্থ। আন এটা অৰ্থ হ'ল—গমন অৰ্থাৎ অজ্ঞানতা বা জীৱাত্মা-পৰমাত্মাৰ ভেদ আঁতৰি যোৱা। উপনিষদ্ ব্ৰহ্মসূত্ৰ, আৰু শ্ৰীমদ্ভাগৱত গীতা ইয়াৰ অন্তৰ্গত। উপনিষদ শ্ৰুতিপ্ৰধান, ব্ৰহ্মসূত্ৰ ন্যায়প্ৰধান আৰু গীতা স্মৃতিপ্ৰধান। তিনিওখন যথাক্ৰমে শ্ৰৱণ, মনন আৰু নিদিধ্যাসন স্বৰূপ। ইয়াত ব্ৰহ্মৰ লগতে জগত আৰু জীৱ সম্বন্ধে নানা প্ৰকাৰে বিচাৰ কৰা হৈছে আৰু জীৱৰ দুখ যিটো ভাৰতীয় দৰ্শনত স্বীকৃত সত্য তাৰ পৰা অব্যাহতি পোৱাৰ উপদেশ আছে।

ভাৰতীয় চিন্তাধাৰা আৰু সংস্কৃতিৰ মূল উৎস হ'ল উপনিষদ্। ইয়াত ব্ৰহ্মবিদ্যা বিষয়ে দাৰ্শনিক মতসমূহ নিহিত হৈ আছে। ইয়াৰ দ্বাৰা আস্তিক-নাস্তিক উভয়বিধ দাৰ্শনিকে উদ্বুদ্ধ হৈছে আৰু চৰমতত্ত্বৰ প্ৰত্যক্ষ অনুভূতি উদ্ভুত হয়। ইয়াৰ আন এটা নাম বেদান্ত। বেদৰ যিটো অন্ত বা জ্ঞানকাণ্ড সেয়েই বেদান্ত। উপনিষদ্ মানে ভক্তিসহ নিকটত উপৱেশন কৰা। লক্ষণাত গুহ্যবিদ্যা, জ্ঞান আদি বুজায়। শঙ্কৰাচাৰ্য্যৰ মতে "যিয়েই অবিদ্যা নাশ কৰে অথবা যিয়েই ব্ৰহ্মৰ ওচৰলৈ লৈ যায়" তাকেই উপনিষদ্ বোলা হয়।

উপনিষদৰ সংখ্যা একশ আঠখন হলেও শঙ্কৰাচাৰ্যৰ ভাষ্যসূক্ত কঠ, কেন, ঈশ, প্ৰশ্ন, মুণ্ডক, মাণ্ডুক্য, তৈত্তিৰীয়, ঐতৰেয়, ছান্দোগ্য, আৰু বৃহদাৰণ্যক প্ৰাচীন আৰু বিশুদ্ধ। অধিকাংশৰে কাল বুদ্ধদেৱৰ পুৰ্ব্ববৰ্তী। দ্ৰষ্টা সম্বন্ধে যাজ্ঞবল্ক আৰু উদ্দালকৰ দৰে কেইজনমান ঋষি বুলি কোৱা হয়।

উপনিষদে পৰম সত্য অৰ্থাৎ ব্ৰহ্মবিদ্যাৰ শিক্ষা দিয়ে। ইয়েই প্ৰধান আলোচ্য বিষয়। ভূমিকাত প্ৰায়েই এটা কাঁহিনী আছে। আতমগ্ধ ব্ৰাহ্মণৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

উপৰিও ক্ষত্ৰিয়ই জানিছিল। ইয়ে কৰ্মকাণ্ডক অতিকৈ বিদ্ৰূপ কৰিছে। আত্মা ব্যতীত আন দেৱতাক আৰাধনাকাৰী দেৱগণৰ পোহনীয়া পশু বিশেষ, যজ্ঞপৰিক্ৰমাকাৰী শাৰীবদ্ধ এদল কুকুৰ। সিহঁতে " ওঁ আমি খাম. ওঁ আমি পান কৰিম" এনেকৈ মন্ত্ৰ উচ্চাৰণ কৰে। ইয়াত পৰাবিদ্যা আৰু অপৰাবিদ্যাৰ কথা আছে। আত্মাক অজ্ঞেয় বুলি কৈছে। আত্মা জ্ঞানৰ বিষয় নহয় বুলি অজ্ঞেয় নহয়। কিন্তু সিটো সমস্ত জ্ঞানৰ ভিত্তি আৰু জ্ঞান স্বৰূপ বুলি অজ্ঞেয়। "আত্মা অবাঙ্‌মনসগোচৰ।" ব্ৰহ্ম আৰু আত্মা সমাৰ্থক শব্দ। আত্মাৰ বিশ্বৰূপ আৰু ব্যক্তিৰূপৰ আপাত পাৰ্থক্যৰ অৱসান হলে সত্যৰ উপলব্ধি সম্ভৱপৰ। যিটো সূক্ষ্মতম সাৰবস্তু সিটো সমগ্ৰ জগতৰ আত্মা। সিটোৱে চৰম তত্ত্ব। উপনিষদত অদ্বয় ব্ৰহ্মক দুই ভাবে চিন্তা কৰা হৈছে। বিশ্ব জগতৰ সাৰ্বিক অধিষ্ঠানৰূপে অৰ্থাৎ বিশ্বত প্ৰকাশমান আৰু বিশ্ব যাৰ প্ৰতিভাসিক ৰূপমাত্ৰ সেই পৰমতত্ত্ব ৰূপে। ইয়াত বিশ্বৰ অস্তিত্ব নাই। ইয়াৰ ফলত ঈশ্বৰবাদী আৰু নিগুৰ্ণ ব্ৰহ্মবাদী দুটা সম্প্ৰদায়ৰ উদ্ভৱ হৈছে। ব্ৰহ্ম সৎ, চিৎ আৰু আনন্দৰূপে অথবা সত্যৰো সত্য আদি কৰি উল্লেখিত। আকৌ "নেতি নেতি" বুলিও বৰ্ণাইছে। মানৱৰ পৰিচিত চিন্তাৰ দ্বাৰাই ব্ৰহ্মক জনা নাযায় বুলি 'নেতি' শব্দ ব্যৱহাৰ কৰিছে। ইয়াত জগত সম্বন্ধে দুটা মত দেখা যায়। এটা হ'ল জগত ব্ৰহ্মৰ পৰাই উদ্ভুত আনটো মত হ'ল জগত ব্ৰহ্মৰ অবভাস মাত্ৰ। ব্ৰহ্ম বিশ্বানুস্যূত আৰু বিশ্বাতীত। ব্ৰহ্ম উপাদান আৰু নিমিত্তকাৰণ। দুয়োটা অভিন্ন বুলিও কোৱা আছে। অবভাসত প্ৰকৃত সৃষ্টি নাই। ইয়াতেই মায়াবাদ নিহিত হৈ আছে। ব্যষ্টি আত্মাই জীৱ। সপ্ৰপঞ্চ আৰু নিষ্প্ৰপঞ্চ উভয় মত অনুসাৰে জীৱ আৰু ব্ৰহ্ম অভিন্ন। আত্মা পঞ্চকোষযুক্ত অন্নময়, প্ৰাণময়, মনোময়, বিজ্ঞানময় আৰু আনন্দময়। প্ৰথমটো স্থুল শৰীৰ আৰু আনবোৰ সূক্ষ্মশৰীৰ। উপনিষদৰ মতে জীৱত্মাই দেহৰ লগত জন্ম নলয় আৰু দেহ ধ্বংসত ধ্বংসও নহয়। জীৱাত্মাই সূক্ষ্ম শৰীৰক আশ্ৰয় কৰি এটা জন্মৰ পৰা আন এটা জন্ম লয়—জোক তৃণান্তৰ হোৱাৰ দৰে। ইয়াত মুক্তিৰ কথা আছে। ইয়েই মানৱৰ চৰম লক্ষ্য। পুনৰজন্মৰ পনা উদ্ধাৰ পোৱাই মুক্তি। মৃত্যুৰ পিছতেই মুক্তি হব পাৰে বা ইহজীৱনতেই মুক্তি হব পাৰে। পুৰুষৰ উৎক্ৰান্ত সম্বন্ধে পিতৃযান আৰু দেৱযান নামৰ দুটা পথৰ কথা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

আছে। ব্ৰহ্মজ্ঞানৰ দ্বাৰা অজ্ঞান সম্পূৰ্ণকৈ বিনষ্ট হলে জীৱৰ মুক্তি হয়। তাৰ বাবে শ্ৰৱণ, মনন, আৰু নিদিধ্যাসন প্ৰক্ৰিয়া অৱলম্বন কৰিব লাগে। তাৰ দ্বাৰা "ময়েই সেই" উপলব্ধি হলে জীৱে মুক্তি লাভ কৰে। 'শৰৎ কালত বৰ্ষাৰ পানী নিৰ্মল হোৱাৰ' দৰে জীৱৰ ৰাগ, দ্বেষ, হিংসা, ক্ৰোধ অহংকাৰ আদি আঁতৰি গলে নিৰ্মল হয়। নিৰ্মল পানীত নিৰ্মল পানী ঢালিলে একাকাৰ হোৱাৰ দৰে জীৱও তেতিয়া ব্ৰহ্মসম্পন্ন হয়।

ভাৰতীয় চিন্তাধাৰাত সূত্ৰাকাৰে গ্ৰন্থ প্ৰণয়ন কৰা এটা অভিনৱ পদ্ধতি। উপনিষদত যিবিলাক চিন্তা বা তত্ত্ব বিক্ষিপ্তভাৱে সিচৰিত হৈ আছে তাৰ এটা সু-সঙ্গত আৰু সুসংবদ্ধভাৱে ব্যাখ্যাৰ্থে একেলগ কৰি সুদূৰ অতীততে বাদৰায়ণে সূত্ৰৰ আকাৰত গ্ৰন্থ ৰচনা কৰিছে। তাক ব্ৰহ্মসূত্ৰ বা বেদান্ত দৰ্শন কোৱা হয়। আজিৰ পৰা প্ৰায় পাঁচ হাজাৰ বছৰ পূৰ্বে ইয়াৰ ৰচনা কাল বুলি থিৰাং কৰা হৈছে। ইয়াত পাঁচশ পচপন্নতা সূত্ৰ আছে। ই চাৰিটা অধ্যায়ত বিভক্ত আৰু প্ৰত্যেকটো অধ্যায়ত চাৰিটা পাদ আছে। প্ৰত্যেক পাদত আকৌ অধিকৰণ আছে আৰু অধিকৰণ কেইটামান সূত্ৰৰ সমষ্টি। বিভিন্ন বিচাৰ্য্য বিষয় একোটা অধিকৰণত আলোচনা আৰু বিচাৰ কৰা হৈছে। ইয়াত প্ৰথমে একমাত্ৰ নিত্য জিজ্ঞাস্য ব্ৰহ্মৰ বিষয়ে আৰম্ভ কৰিছে। তাৰ পাছত ব্ৰহ্মৰ প্ৰকৃত স্বৰূপ আৰু স্বভাৱ বৰ্ণাইছে। এনেকৈ ষোড়শটা পাদত ষোড়শটা নিৰ্ণেয়ক পদাৰ্থ নিৰ্ণয় কৰিছে। ব্ৰহ্মসূত্ৰৰ ৰচনাৰ বহু পূৰ্বে প্ৰাচীন বৈদান্তিকে অদ্বৈত, দ্বৈত, বিশিষ্টাদ্বৈত, দ্বৈতাদ্বৈত, শুদ্ধাদ্বৈত আদি বিভিন্ন বেদান্তমত গুৰুপৰম্পৰাক্ৰমে আলোচনা কৰি আহিছিল। নব্য ভাষ্যকাৰ শঙ্কৰাচাৰ্য্যই অদ্বৈতবাদ, ৰামানুজে বিশিষ্টাদ্বৈতবাদ, নিম্বাৰ্কই দ্বৈতাদ্বৈতবাদ, মধ্বই দ্বৈতবাদ আৰু বল্লভে শুদ্ধাদ্বৈতবাদ পদ্ধতিৰে ভাষ্য ৰচনা কৰি স্বমত প্ৰতিষ্ঠা কৰিছে।

ভাৰতীয় দৰ্শনৰ আৰম্ভ দুখবাদ আৰু সমাপ্তি দুখনাশৰ। দুখ নাশৰ উপায় সকলো দৰ্শনে দিছে। যি গীতা উপনিষদিক শিক্ষাৰ ব্যৱহাৰিক ৰূপ আৰু প্ৰয়োগ সেই গীতাই অধিকাৰীভেদে কৰ্মযোগ। জ্ঞানযোগ আৰু ভক্তিযোগৰ দ্বাৰা আত্যান্তিকভাৱে দুখ নাশ তথা মুক্তি লাভ কৰিব পাৰি বুলি কৈছে। গীতাৰ কেন্দ্ৰস্থল হ'ল ভগৱান। ইয়াৰ মতে পৰম পুৰুষ শ্ৰীকৃষ্ণই সৰ্বভূতৰ সনাতন বীজ। সেই অক্ষৰ বীজৰ পৰাই জগতৰ উৎপত্তি,

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

তাৰ দ্বাৰাই স্থিতি আৰু তাতেই লয় পায় তেৱেঁই জগতৰ আধাৰ আৰু আশ্ৰয়। গীতাত জগতৰ মিথ্যাত্ব বা বিবৰ্ত্তবাদৰ উপদেশ নাই। কিন্তু আত্মা এক বুলি স্বীকাৰ কৰিছে। গীতাৰ মংগলাচৰণত কৈছে যে উপনিষদসমূহ গাই, শ্ৰীকৃষ্ণ দোহনকাৰী, অৰ্জুন দামুৰী, গীতামৃত দুগ্ধ আৰু জ্ঞানী দুগ্ধ-পানকাৰী। উপনিষদ'ৰ জ্ঞানৰ সাৰস্বৰূপ গীতাই ভ্ৰান্ত ম'নৱৰ প্ৰতি অসীম কৰুণা পৰবশ হৈ প্ৰপত্তি বা আত্মনিবেদনক মুক্তিৰ সবাতকৈ সহজ আৰু স্বাভাৱিক উপায় বুলি নিৰ্দ্ধাৰণ কৰিছে। গীতা জ্ঞান-কৰ্মৰ অপূৰ্ব সমন্বয় বুলি কলেও শংকৰে তাক খণ্ডন কৰিছে। শংকৰে জ্ঞানৰ ওপৰত গুৰুত্ব দিছে আৰু গীতা অদ্বৈতামৃতবৰ্ষিণী বুলি অভিহিত কৰিছে। নব্য বৈষ্ণৱ সকলে ভক্তি তথা একশৰণৰ দ্বাৰা শ্ৰেয় লাভ হয় বুলি গীতা ভাষ্য প্ৰণয়ন কৰিছে। আকৌ আজি-কালি কৰ্মৰ ওপৰত জোৰ দি তাৰ ভাষ্য ৰচনা কৰিছে। গীতাৰ কৰ্ম যাগ-যজ্ঞ নহয়। মানৱীয় কৰ্ম বুলি কলেও ঈশ্বৰীয় কৰ্ম বুলি ঋষি অৰবিন্দই কৈছে। আকৌ ই নিষ্কাম কৰ্ম। গীতাই নিষ্কাম কৰ্মৰ উপৰিও ব্ৰহ্মবিদ্যা উপলব্ধি কৰি যোগাস্থ হৈ কৰ্ম কৰাই শ্ৰেয় বুলি কয়।

যুগাৱতাৰ শংকৰাচাৰ্যই বিভিন্ন শ্ৰুতি-স্মৃতি বাক্য, মুক্তি আৰু অনুভূতি প্ৰয়োগ কৰি সকলোবোৰ দৰ্শনৰ মত খণ্ডন কৰি অদ্বৈত মতনুসাৰে প্ৰস্থান ত্ৰয়ৰ ভাষ্য ৰচনা কৰিছে। তেওঁৰ মতে 'ব্ৰহ্ম সত্য, জগত মিথ্যা,' জীৱ আৰু ব্ৰহ্ম অভিন্ন। ব্ৰহ্ম অসীম, নিৰ্গুণ, নিষ্ক্ৰিয়, নিৰ্বিশেষ, নিৰবয়ৱ, সৰ্বপ্ৰকাৰ ভেদৰহিত, স্বপ্ৰকশ, বিশুদ্ধ চৈতন্য আৰু সচ্চিদানন্দ। ঈশ্বৰ মায়োপহিত ব্ৰহ্ম অৰ্থাৎ সগুণ-ব্ৰহ্ম তেওঁৰ পাৰমাৰ্থিক সত্বা নাই, ব্যাৱহাৰিক সত্বা হে আছে। ঈশ্বৰেই জগত স্ৰষ্টা, পালন্তা আৰু সংহাৰকৰ্ত্তা। জগত অবিদ্যাৰ ভ্ৰম মাত্ৰ। জীৱগত অবিদ্যাই অধ্যাস, অধ্যাসত ঘিটো যি নহয় সেই বুলি ধৰা হয়। ই সৰ্পৰজ্জুবৎ। ইয়াৰ আবৰণ আৰু বিক্ষেপ শক্তি আছে। ই বীজ আৰু অংকুৰৰ দৰে অনাদি। আত্মাত অনাত্মা আৰু অনাত্মাত আত্মাৰ অধ্যাস হলেও কাৰো লগত কাৰো সংশ্লিষ্টতা নাথাকে। গতিকে কোনো কাৰো দোষ বা গুণত লিপ্ত নহয়। জ'ৰীৰ দোষ জ'ৰীত থাকে, সাপৰ দোষ সাপত থাকে। ব্ৰহ্মজ্ঞান লাভ হলে মায়া দূৰীভূত হয় আৰু তেতিয়া জগত আৰু ঈশ্বৰৰ কোনো সত্বা নাথাকে। জগত মিথ্যা হলেও বন্ধ্যাৰ পুত্ৰই মৃগতৃষ্ণাৰ জলত

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

স্নান কৰি আকাশ কুসুমৰ মালা গলত পিন্ধি শশধৰৰ শংগৰে তৈয়াৰী ধনুকাড় হাতত লৈ সেন্দুৰীয়া আলিৰে গৈ থকাৰ দৰে আত্যন্তিক মিথ্যা নহয়। ইয়াৰ ব্যাৱহাৰিক সত্তা আছে।

গীতাত শংকৰে স্বভাষ্যত ঈশ্বৰ-তত্ত্ব, অৱতাৰ-তত্ত্ব, জ্ঞান-কৰ্ম্ম সমুচ্চয়বাদ আৰু নিৰ্বাণতত্ত্ব সূত্ৰৰূপে অৱতৰণ কৰিছে। অৱশ্যে এই চাৰিটা গীতাৰ মুখ্য বিষয়।

ঈশ্বৰতত্ত্ব বুজাবলৈ এটি পুৰণি শ্লোক উদ্ধৃত কৰি শংকৰে কৈছে যে নাৰায়ণ অব্যক্ততকৈ শ্ৰেষ্ঠ। অব্যক্তৰ পৰা অণ্ডৰ জন্ম। এই সমস্তলোক আৰু সপ্তদ্বীপা মেদিনী ব্ৰহ্মাণ্ডৰ ভিতৰত বিদ্যমান। নৰয়ণ মানে হ'ল স্থাবৰ আৰু জংগমৰ শৰীৰ হ'ল নৰ; তাত নিত্য সন্নিহিত চিদাভাস আৰু জীৱ নাৰ। সেই জীৱসমূহৰ যিজন অয়ণ অৰ্থাৎ আশ্ৰয়, নিয়ামক আৰু অন্তৰ্যামী তেৱেঁই নাৰায়ণ। অব্যক্ত হ'ল মূল প্ৰকৃতি, তাতকৈ সূক্ষ্মতম অণ্ড সেই অব্যক্তৰ কাৰ্য্য আৰু সেই অণ্ডৰ ভিতৰত সপ্তদ্বীপা মেদিনা প্ৰবিষ্ট হৈ আছে। তেৱেঁই সকলোৰে পৰমাত্মা। ঈশ্বৰ ভাব জীৱৰ অজ্ঞানতাৰ ওপৰত নিৰ্ভৰ কৰিলেও ঈশ্বৰ সৰ্বজীৱ আৰু জগতৰ আত্মাস্বৰূপে আশ্ৰয় আৰু সকলোৰে বিধাতা আৰু নিয়ন্তা; কাল্পনিক নহয়। গীতাত শংকৰে ঈশ্বৰ-তত্ত্ব এই ভাবেই প্ৰপঞ্চিত কৰিছে।

ভগৱান নিত্যশুদ্ধ আৰু বুদ্ধ-মুক্ত স্বভাৱবিশিষ্ট। তেওঁৰ অৱতাৰ সম্ভৱপৰ নহয়। সেয়েহে তেওঁ কৈছে যে মায়াৰ প্ৰভাৱত ভগৱান দেহৱান হয়, জন্ম গ্ৰহণ কৰে, মানৱৰ প্ৰতি অনুগ্ৰহ কৰে। এই ধৰণে ভগৱানক বুজে। বৈদিক ধৰ্ম ৰক্ষাৰ্থে তেওঁ দৈৱকীত অংশৰূপে আৱিৰ্ভূত হৈছে। তেওঁৰ জন্ম মায়িক, বাস্তৱিকতে জন্মা নাই। তেওঁৰ মায়াৰ প্ৰভাৱত মানুহে জন্মা বুলি ভাবে যেন তেওঁ বাস্তৱিকতে জন্মিছে। অৱতাৰ বা জীৱ গ্ৰহণ তেওঁৰ খেলা মাত্ৰ। লৰা-ছোৱালীয়ে বালিৰ ভাত ৰান্ধি নিজে খাই আনকো খুৱাই আনন্দ লভে। বৈদিক ধৰ্ম্মৰ বিলোপ হোৱাৰ উপক্ৰম হলে অৱতাৰ গ্ৰহণ কৰি বল, উপদেশ আৰু দৃষ্টান্তৰ দ্বাৰা ধৰ্ম্ম স্থাপন কৰি অধৰ্মৰ অৱসান ঘটায়।

শংকৰৰ মতে জ্ঞান আৰু কৰ্ম লগ হৈ মোক্ষৰ কাৰণ হব নোৱাৰে।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

জ্ঞান কৰ্মৰ সমুচ্চয় হব নোৱাৰে। কিয়নো সাংখ্য বুদ্ধি আৰু যোগবুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি জ্ঞাননিষ্ঠা আৰু কৰ্মনিষ্ঠাৰ বিভাগ দুটা হৈছে। একে সময়তে পুৰুষ কৰ্মনিষ্ঠা আৰু জ্ঞাননিষ্ঠাৰ অধিকাৰী হব নোৱাৰে আৰু অনুষ্ঠিতত্ত হব নোৱাৰে। আকৌ ভগৱানে কৰ্মতকৈ জ্ঞান শ্ৰেষ্ঠ বুলি কৈছে।

নিৰ্বাণতত্ত্বত কৈছে যে আত্মা সদায় নিত্য। তাৰ কাৰণে শোক কৰা অনুচিত। আত্মাৰ কোনো কালেই জন্ম মৃত্যু নাই। অৱশ্যে পুৰণি কাপোৰ সলোৱাৰ দৰে কৰে। ব্ৰহ্মৰ সগুণ আৰু নিৰ্গুণ দুবিধ উপাসনা আছে। সগুণ উপাসকে নিৰন্তৰ ভগৱত প্ৰীতিৰ বাবে বিহিত কৰ্ম সমূহত নিৰত হৈ অৰ্থাৎ অনন্য শৰণ হৈ বিশ্বৰূপৰ উপাসনা কৰে, ধ্যান কৰে আৰু নিৰ্গুণ উপাসকে সকলো প্ৰকাৰ কামনাশূন্য হৈ তথা সকলো কৰ্ম ত্যাগ কৰি স্বৰূপ অক্ষৰ সৰ্ববিশেষণ বৰ্জিত অব্যক্ত পৰব্ৰহ্মৰ উপাসনা কৰে। ইয়াৰ ভিতৰত নিৰ্গুণ ব্ৰহ্মৰ উপাসনা উৎকৃষ্ট। নিৰ্গুণ উপাসকৰ ব্ৰহ্মনিৰ্বাণ হয়। আনৰ নহয়। যাৰ নিৰ্গুণ ব্ৰহ্মজ্ঞান ব্ৰহ্মলোকত স্বয়ং উৎয় হয় তাৰ কল্পান্তত ব্ৰহ্মনিৰ্বাণ হয় আৰু যিজনৰ নহয় সিজন অহা কল্পত ব্ৰহ্মাৰ লগত উভতি আহিব লাগে। তেওঁৰ মতে কৰ্মৰ দ্বাৰা নিৰ্বাণ নহয়, ভক্তিৰ দ্বাৰা হব পাৰে। ঘট ভাগিলে যেনেকৈ ঘটাকাশ মহাকাশত মিলিত হয় মুক্তিত জীৱ তেনেকৈ ব্ৰহ্মসম্পন্ন হয়।

আমাৰ নিৰ্ম্মল ভকতিত   দুৰাচাৰ তৰে কোন চিত্ৰ
আমাক ভজিয়া চণ্ডাল তৰে সংসাৰ।
স্ত্ৰী বৈশ্য আদি যত   বিষয়ত সদা মাত্ৰ ৰত
মোক ভজি সুখে ই সব হয় উদ্ধাৰ।

নামঘোষা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতা আই আৰু গীতা প্ৰবচন

শ্ৰীমতী পুষ্পলতা দাস

এগৰাকী ভক্তিমতী মাতৃয়ে সন্তানক আকুতি ভৰা কণ্ঠেৰে কৈছিল "বোপাই, সংস্কৃত শ্লোক মই নুবুজো, মই বুজাকৈ সহজ সৰল ভাষাৰে গীতাৰ গুঢ়তত্ত্ব বুজাই দিব পাৰিবিনে? পিচে সেই গীতা সম্পূৰ্ণ হোৱাৰ আগতে মাক ঢুকাল, মাকে পিন্ধা শাৰীখন বুকুত লৈ সন্তান আশ্ৰমলৈ উভতি আহিল আৰু কিছুদিন পিচত লোন আইন অমান্য কৰা অপৰাধত জেললৈ যাব লগীয়া হ'ল। মহাৰাষ্ট্ৰৰ ধুলিয়া জেলত থাকোঁতেই যমুনা লাল বাজা-জজীৰ অনুৰোধত জেলৰ সত্যানুসন্ধানী বন্ধুসকলক শ্লোক ৰহিত গীতাৰ সহজ সৰল ব্যাখ্যা দিয়া হয় সেয়ে "গীতা প্ৰবচন" নামে খ্যাত। যি গীতা আজিলৈকে ২৩টা ভাষাত অনূদিত হৈছে আৰু এতিয়ালৈকে ১৬ লাখৰো ওপৰ কিতাপ বিক্ৰী হৈছে।

ৱিনোবাজীয়ে নিজ মাতৃদেৱীৰ উদ্দেশ্যে যি গীতা লিখিছিল সেই গীতা মাৰাঠী ভাষাত "গীতঈ" নামে জনাজাত। এই গীতা পদ্যৰ ছন্দেৰে লিখা। গীতা শব্দটোৱে বুজাই যে এই পুথি গীতপুথি। সুকণ্ঠ অৰ্জুনক কৃষ্টিৰূপী কৃষ্ণই যি তত্ত্ব বুজাইছিল তাকো বুজাইছিল গীতৰ মাধ্যমেৰেহে।

গীতৰ অমৃত বাণীয়ে অকল ভাৰতৰ আধ্যাত্মিক পিয়াহকে গুচোৱা নাই বিশ্বৰ সকলো চিন্তাশীল মনকে আলোড়িত কৰিছে।

ৰাষ্ট্ৰসংঘৰ প্ৰয়াত সচিব প্ৰধান ডাগ হেমাৰ শ্বলডে কৈছিল- "গীতই মোৰ প্ৰাণ গীতাতেই মোৰ জীৱনৰ সকলো প্ৰশ্নৰে উত্তৰ পাওঁ গীতাখন মই এৰিব নোৱাৰোঁ"।

আধুনিক কবিতাৰ জনক টি, এচ, ইলিয়টে কৈছিল "জগতত দুখনেই মাথোন সৰ্ব্বশ্ৰেষ্ঠ কবিতাৰ পুথি। এখন হ'ল "ভগৱদগীতা" আৰু আনখন হ'ল ডান্টেৰ "ডিভাইন কমেডি।"

বিশ্ববিজয়ী আলেকজাণ্ডাৰে বিশ্বজয় কৰি উঠি আৰু কি কৰিব বুলি

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

যেতিয়া মৃত্যুৰ আগমুহূৰ্ত্তত হতাশাৰ চকুলো টুকিছিল তেতিয়া তেওঁ শান্তি পাইছিল গীতাখন বুকুতলৈ লৈ তেওঁ কৈ গল "মই যে মৃত্যুৰ আগমুহূৰ্ত্তত গীতাখন পঢ়িবলৈ পালোঁ, ই মোৰ পৰম ভাগ্য এতিয়া মই আনন্দেৰে মৰিব পাৰিম।'

ইমাৰচনৰ জীৱনৰ ওপৰত গীতাৰ প্ৰভাৱ ইমান বেচি আছিল যে গীতাৰ দ্বিতীয় অধ্যায়ৰ ১৯ নং শ্লোকৰ ওপৰত যি কবিতা সেয়েই তেওঁৰ শ্ৰেষ্ঠতম কবিতা।

ডেভিদ থোৰোৰ মনটোৰ ওপৰত হেনো দুটা বস্তুৰ আছিল গভীৰ প্ৰভাৱ এটা হ'ল ইমাৰচনৰ ৰচনাৰাজিৰ আৰু আনটো হ'ল শ্ৰীমদভগৱত গীতাৰ।

ৱিলিয়ম ৱন হাম্বোল্টৰ মতে "এই পৃথিৱীত থকা ভাষা সমূহৰ ভিতৰত কিজানি গীতাতকৈ সুন্দৰ আৰু প্ৰকৃত দাৰ্শনিক কবিতা আন একো নাই।

জাৰ্মান পণ্ডিত কাৰ্লষ্টৈন হায়ৰ ৱাৰ্ণট্ৰপৰ মত হ'ল "জীৱনৰ সকলো তত্বৰ সমন্বয় কৰা দৰ্শন শাস্ত্ৰৰ ভিতৰত গীতাই হ'ল জগতৰ একমাত্ৰ আৰু অদ্বিতীয় দৰ্শন শাস্ত্ৰ"।

আচাৰ্য্য শঙ্কৰে কৈছিল— এই গীতা শাস্ত্ৰ সমস্ত বেদাৰ্থসাৰ সংগ্ৰহভূত আৰু দুৰ্বিজ্ঞেয় যাক জানিলে সমস্ত পুৰুষাৰ্থ সিদ্ধি হয়। সেয়েহে গীতাৰ বিৱৰণৰ কাৰণে মোৰ দ্বাৰা যত্ন কৰা হৈছে।

সেয়ে শ্ৰীশ্ৰীমহাপুৰুষ মাধৱদেৱে গাইছিল—

একেখানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ দৈৱকী নন্দনে কৈলা যাক
দেৱো একেমাত্ৰ দৈৱকী দেৱীৰ সুত।
দৈৱকী পুত্ৰৰ পদসেৱা কৰ্মো একে এহিমানে মাত্ৰ
মন্ত্ৰো একে তান নাম মাত্ৰ অদভূত॥"

মাধৱদেৱে তেওঁক মিছা ৰাজদ্ৰোহত অপৰাধী কৰা সময়ত এই গীতাক আশ্ৰয় কৰিয়েই শান্তি পাইছিল।

শ্ৰীশ্ৰীজ্ঞানদেৱৰ জীৱন্ত সমাধিৰ সময়ত গীতানিৰ্ণয়েই তেওঁৰ শেষ আশ্ৰয় আছিল।

বিখ্যাত বৈজ্ঞানিক ওপেনহাইমাৰে নিজ সৃষ্টিৰ বেদনাত যেতিয়া নিজৰ বিবেকৰ ওচৰত অপৰাধী হৈ পৰিছিল তেতিয়া গীতাৰ একাদশ অধ্যায়ৰ কথা ভাবিয়েই ধৈৰ্য্য ধৰিছিল।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গান্ধীজীৰ নিৰ্বাণৰ মুহূৰ্ত্তত গীতা আছিল তেওঁৰ সঙ্গী আৰু ৱিনোবাজীয়ে তেওঁৰ প্ৰথম ব্যক্তিগত সত্যাগ্ৰহৰ দিনৰে পৰা জীৱনৰ মহা নিৰ্ব্বানৰ মুহূৰ্ত্তলৈকে গীতাৰ বুকুতে পৰম আশ্ৰয় পাইছিল। শ্বহীদ কুশল কোঁৱৰক তেওঁৰ 'পকেট' গীতাখনিয়েই মৃত্যুক অমৃতৰ দৰে বৰণ কৰিবলৈ শকতি দিছিল সেয়ে আনন্দত তেওঁৰ ওজন বাঢ়িছিল আৰু দণ্ডদাতা নিঃ হামক্ৰেকো "তুমি নিমিত্তহে মাথোন" বুলি ক্ষমা কৰিছিল।

শিৱ কাহিনীয়ে কয়—দেৱাদিদেৱ মহাদেৱ হোনো আই পাৰ্ব্বতীক সম্বোধি কৈছিল "তোমাৰ সৌন্দৰ্য্য যেনে নিত্য নতুন, গীতাৰ অৰ্থও তেনেকৈ নিত্য নতুন"—এই সত্যখিনি বুজিলে আচৰিত হব লগীয়া একো নেথাকে। এই কাহিনী সচাঁ হওক ৰূপক হওক এটি সত্যকে মাথোন বুজাইছে যত মত তত পথ।

শ্ৰীমন্ত শঙ্কৰদেৱে গীতাত পাইছিল এক শৰণ ধৰ্মৰ পৰম তত্ত্ব এক-মেৱাদ্বিতীয়ম। ৰামকৃষ্ণ পৰমহংসই সমন্বয়ৰ মহাতীৰ্থৰ দৰ্শন পাইছিল এই গীতাৰ বুকুতেই।

লোকমান্য বাল গঙ্গাধৰ তিলকে "স্বৰাজ আমাৰ জন্মস্বত্ব" বুলি স্বৰাজ্যবাদী হৈ উঠিছিল। এই গীতাৰ প্ৰেৰণাত আৰু গান্ধীজীয়ে চৰখাৰ যোগেৰে অহিংসাৰ ৰূপ দেখিছিল এই গীতাৰ মাজতে ৱিনোবাজীয়ে কৈছিল গীতাই ভূদানৰ কথাকে কৈছে

গীতা আয়ে সকলো সন্তানকে নিজ নিজ অনুভূতিৰেই পৰম সত্যক উপলব্ধি কৰাইছে।

মোৰ নিচিনা ক্ষুদ্ৰজনে ভাবে গীতা এখন সমাজ বিজ্ঞান শাস্ত্ৰ সমাজত মানুহে দহৰ উপকাৰৰ কাৰণে কি দৰে আচৰণ কৰিব লাগে তাৰেই শাস্ত্ৰ। সংস্কৃতিৰ পূৰ্ণ অৱতাৰ গুণময় কৃষ্ণই নিজকে কৃষ ধাতুৰে ব্যক্তি কৰিছে এইদৰে— যি সকলোকে আকৰ্ষণ কৰে বা অসীমৰ লীলা ৰং বা সংসাৰ সাগৰৰ পৰা মুক্তি বা পৃথিবীৰ আনন্দ, সৎ চিৎ আনন্দৰ যি মহানন্দ, তাৰ উপৰি কৃষ্ ধাতুৰ পূৰ্ণ অৰ্থেৰে অসংস্কৃত মনক কৰ্ষণ কৰি সংস্কৃত কৰা। গীতাৰ এই সকলো তত্ত্বই মধুৰ হৈ প্ৰকাশ পাইছে গীতা প্ৰবচন আৰু গীতা আইত। ৰসগ্ৰাহী মনৰ কাৰণে অমৃত ভাণ্ডৰ।

* * *

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ৱেদত বৰ্ণ বিচাৰ

শ্ৰীসোনাৰাম চুতীয়া

ৱেদৰ মৌলিক অৰ্থ জ্ঞান। বেদ শব্দই বেদশাস্ত্ৰক বুজায়। বেদ হ'ল "Name of certain celebrated works which constitute The basis of the first period of the Hindu religion. These works were primarily three, viz. 1. The Rig-Veda 2. The Yajur-Veda 3. The Sama-Veda; these three works are sometimes called collectively 'trayis', the triple vidya or three-fald knowledge, but the Rig-veda is really the only original work of the three and much the most ancient.

হিন্দু ধৰ্ম্মৰ প্ৰথম অৱস্থাত এই ধৰ্ম্মৰ ভেটি স্বৰূপে থকা ৱেদ পৱিত্ৰ গ্ৰন্থ। এই গ্ৰন্থখিনি প্ৰধান কৈ তিনি ভাগত বিভক্ত—ঋাগ্‌বেদ, যজুৰবেদ, আৰু সামৱেদ। এই তিনি বেদক সামূহিক ভাৱে 'ত্ৰয়ী' বা ত্ৰয়ীবিদ্যা বোলা হয়। ইয়াৰ ভিতৰতো ঋগ্‌ৱেদেই মূল আৰু সকলোতকৈ পুৰণি। বহুত দিনৰ মূৰত চতুৰ্থ বেদ—অথৰ্ববেদ যোগদিয়া হয়। বিষ্ণু পুৰাণত বিষ্ণু আৰু বেদ একে অৰ্থত বুজোৱা হৈছে।

বৰ্ণ শব্দৰ অৰ্থ বহুত যদিও (Outward oppearauce, form, figure, kind, sort etc) এই বৰ্ণই প্ৰধানকৈ বৰণ বা ৰং (colour) বুজায়। মহাভাৰতৰ এটা শ্লোকত পোৱা যায়—

ব্ৰাহ্মণানা পিতো বৰ্ণঃ ক্ষত্ৰিয়াণাঞ্চ লোহিতঃ।
ৱৈশ্যানা পীতকো বৰ্ণঃ শূদ্ৰানামজিতস্তথা॥ শান্তিপৰ্ব

অৰ্থাৎ, ব্ৰাহ্মণৰ বৰ্ণ বগা, ক্ষত্ৰিয় লোহিত বা ৰঙচুৱা বৰ্ণৰ, বৈশ্য হালধীয়া আৰু শূদ্ৰ ক'লা বা কৃষ্ণ বৰ্ণৰ।

এতিয়া, বৰ্ণৰ সম্পৰ্কে ৱেদত কি আছে বিচাৰ কৰি চোৱা যাওঁক

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

চতুৰ্বৰ্ণৰ সম্পৰ্কে ৱেদৰ প্ৰধান মন্ত্ৰটো হ'ল—

ব্ৰাহ্মণোঽস্য মুখমাসীদ বাহূ ৰাজন্যঃ কৃতঃ।
উৰু তদস্য যদ্ বৈশ্যঃ পদ্ভ্যাং শূদ্ৰোঽ জায়ত॥
(ঋগ্‌ৱেদ-১০।৯০।১২, যজুৰ্ৱেদ ৩১।১১।

'আৰ্য্য সমাজ' প্ৰৱৰ্ত্তক শ্ৰীমদ্ দয়ানন্দ সৰস্বতীৰ অৰ্থ আৰু ব্যাখ্যা:- (অস্য) ইস সমাজ ৰা সামাজিক পুৰুষকা; (ব্ৰাহ্মণঃ)-ব্ৰাহ্মণ; (মুখম্) মুখকে সদৃশ: (আসীৎ) বনায়াগয়া হৈ; (বাহূ) বাহুএ; (ৰাজন্যঃ) ক্ষত্ৰিয়; (কৃতঃ) কিয়া গয়া হৈ; (যৎ) জো; (অস্য) ইসকা; (উৰু) উৰু ভাগকে সদৃশ হৈ; (তদ্) ৱহ: (বৈশ্যঃ) বৈশ্য হৈ; (পদ্ভ্যাম্) পদে স্থানীয় সেৱা ঔৰ অভিমান ৰাহিত্য সে; (শূদ্ৰঃ) শূদ্ৰ; (অজায়ত) উৎপন্ন হোতা হৈ।

ভাবাৰ্থঃ—এই সমাজত ব্ৰাহ্মণ মুখ সদৃশ, গুণ কৰ্ম স্বভাৱ অনুসৰি ক্ষত্ৰিয় বাহু সদৃশ, বৈশ্য উৰু সমান আৰু পদ অৰ্থাৎ সেৱা আৰু অভিমান শূন্যতাৰ পৰা শূদ্ৰৰ জন্ম। "কৃতঃ" প্ৰয়োগ কৰি এইটো সূচনা দিয়া হৈছে যে সমাজত সকলো শূদ্ৰ ৰূপত জন্ম হয়; গুণ, কৰ্ম, স্বভাৱ অনুসৰি ব্ৰাহ্মণ, ক্ষত্ৰিয় বৈশ্য আদিৰ অন্তৰ্ভুক্ত কৰা হয়।

এই ভাৱটো স্পষ্টকৈ প্ৰকাশ কৰা (কাশীৰ জ্ঞান মণ্ডল, যন্ত্ৰালয়ৰ মুদ্ৰক মাধৱ বিষ্ণু পৰাড়কৰৰ দ্বাৰা প্ৰকাশিত আৰু ডঃ ভগৱানৰ দ্বাৰা লিখিত) পোৱা যায় "মানৱ—ধৰ্ম—সাৰঃ" নামৰ পুস্তক খনৰ এটা উদ্ধৃতিৰ পৰা—

জন্মনা জায়তে শূদ্ৰঃ, সংস্কাৰীদ্ দ্বিজযুচ্যতে।
বেদ পাঠী ভবেদ্ বিপ্ৰঃ, ব্ৰহ্মজ্ঞো ব্ৰাহ্মণো ভবেৎ॥ (অত্ৰিস্মৃতি)

বিঃ দ্ৰঃ— বঙ্গ দেশৰ পৰা ওলোৱা "ঊনবিংশ সংহিতা" ৰ অন্তৰ্গত অত্ৰি স্মৃতি বা সংহিতাও এই শ্লোকটো পোৱা নেযায়। এই শ্লোকৰ অৰ্থ—জন্ম হওঁতে সকলো শূদ্ৰ; সংস্কাৰী হলে দ্বিজ, বেদ অধ্যয়নৰ ক্ষমতা লাভ কৰি বেদ অধ্যয়ন কৰিলে বিপ্ৰ; অধ্যয়ন, সাধনৰ দ্বাৰা ব্ৰহ্মজ্ঞ হলে তেওঁ ব্ৰাহ্মণ হয়।

চতুৰ্থবৰ্ণৰ জ্ঞাপক মূল শ্লোক টোলৈ পুনৰ অহা যাওক:—

ঋগ বেদৰ দশম মণ্ডলৰ ৯০ নং সূক্তটোৰ নাম "পুৰুষ সূক্তম্"। উপৰোক্ত শ্লোক বা মন্ত্ৰটো পুৰুষ সূক্তৰ ১২নং মন্ত্ৰ। এই সূক্তৰ মন্ত্ৰৰ সংখ্যা মুঠতে ১৫।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

প্ৰথম মন্ত্ৰটো হ'ল—

সহস্ৰশীৰ্ষা পুৰুষঃ সহস্ৰাক্ষঃ সহস্ৰপাৎ।

স ভূমিং বিশ্বতো বৃত্বাত্যতিষ্ঠা, দশাঙ্গুলম॥ (ঋগ্‌বেদ—১০।৯০।১)

লক্ষ্মীনাথ বেজবৰুৱাৰ অনুবাদ—

সেই পুৰুষৰ সহস্ৰ মস্তক, সহস্ৰ চকু, সহস্ৰ চৰণ। তেওঁ পৃথিৱীক সৰ্ব্বত্ৰ বিয়াপি দহ আঙ্গুলি পৰিমান ঠাইত থাকে। (অৰ্থাৎ জগৎব্যাপী পৰমাত্মা মানুহৰ শৰীৰৰ ভিতৰত নাইৰ উৰ্দ্ধত দহ আঙ্গুল উৰ্দ্ধ স্থানত হৃদ্ পদ্মত বাস কৰে। (সম্পাদকৰ চৰা, বাঁহী বহাগ, ১৮৩৮)

শ্ৰীমৎসায়ণাচাৰ্য ভাষ্য মতে এই পুৰুষ কোন? সমস্ত প্ৰাণী—সমষ্টি ৰূপো ব্ৰহ্মাণ্ড দেহো বিৰাডাখ্যো যঃ পুৰুষঃ, সোহয়ং সহস্ৰশীৰ্ষা।

ইয়াৰ পৰা এইটো স্পষ্ট হয় যে, 'আৰ্য্য ব্ৰহ্মজ্ঞ ঋষি সকলৰ দ্বাৰাই ঈশ্বৰৰ এইটো বিশ্বৰূপ কল্পনা, আৰু ৰূপক বৰ্ণনাহে।' এই সম্পৰ্কে বিতং ভাবে আলোচনা নকৰি বেজবৰুৱাৰ ভাষাকে হুবহু তুলি দিয়া হল— "আদি ব্ৰহ্মজ্ঞ ঈশ্বৰ তত্ত্বজ্ঞ ঋষি সকলৰ সহজ ৰূপক বৰ্ণনাক (কাৰণ ৰূপক ভাৱে নহলে বাক্যমনৰ অগোচৰ ঈশ্বৰৰ বৰ্ণনাই নহয়) পিছৰ শাস্ত্ৰকাৰ সকলে বুজিব পাৰিয়েই হওক বা নোৱাৰিয়েই হওক, বা ইচ্ছা কৰিয়েই হওক, জটিল কৰি অৰ্থ কৰি নানা লেঠাৰ স্ৰজন কৰিলে। কিন্তু সিফালে ঈশ্বৰৰ সৃষ্টিৰ অপৰিবৰ্ত্তনীয় এক মাথোন নিয়মে আদি কালৰে পৰা এচুলিমানো নলৰি সততে আমাক ক'বলাগিছে যে, প্ৰকৃতি-পুৰুষৰ সংযোগতহে সৃষ্টি, অন্য প্ৰকাৰে সৃষ্টি অসম্ভৱ। ঈশ্বৰে নিজে দুভাগ হৈ প্ৰকৃতি-পুৰুষ হৈ সৃষ্টি কাৰ্য্য কৰিব লাগিছে যেতিয়া এনেস্থলত নিজেই তেওঁৰ নিয়ম ভাঙ্গি তেওঁৰ মুখৰ পৰা বামুণক আৰু ভৰিৰ পৰা শূদ্ৰিৰক অস্বাভাবিক ৰূপে জন্ম দি নিশ্চয় নপঠিয়ায়। অৱশ্যে মুখৰ পৰা বামুণ হৈছে, বাহুৰ পৰা ক্ষত্ৰিয় হৈছে, উৰুৰ পৰা বৈশ্য হৈছে, চৰণৰ পৰা শূদ্ৰ হৈছে মানে সেই সেই বিভাগৰ লোক সকলৰ অৱলম্বন কৰা কাৰ্য্যত আমি নৰতনু কল্পনা কৰা ঈশ্বৰৰ সেই সেই অঙ্গৰ ধৰ্ম্ম প্ৰকাশ পাইছে, ইয়াকেহে মাথোন বুজোৱা হৈছে।"

মহাভাৰততো আছে—

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

এক বৰ্ণমিদং পূৰ্ব্বং বিশ্বমাসীৎ যুধিষ্ঠিৰঃ ।
কৰ্ম ক্ৰিয়া বিশেষেণ চাতুৰ্বৰ্ণ্যং প্ৰতিষ্ঠিতং ॥ (শান্তিপৰ্ব্ব)

হে যুধিষ্ঠিৰ, পূৰ্ব্বে এই বিশ্বজগতত একবৰ্ণ মাথোন আছিল, জাতিগত কোনো ভেদ নাছিল, কৰ্ম্ম আৰু ক্ৰিয়াৰ বিশেষৰ দ্বাৰাই চাৰি বৰ্ণৰ সৃষ্টি হ'ল। সেই কাৰণে মহাপুৰুষীয়াৰ প্ৰাৰ্থনা—

নোহো জানা আমি চাৰি জাতি
চাৰিয়ো আশ্ৰমী নোহো আতি
নোহো ধৰ্মশীল দান-ব্ৰত-তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ
গোপী ভৰ্ত্তা পদ কমলৰ
দাসৰো দাসৰ তান দাস ভৈলো আমি ॥

* *

ভকত জনেসে মোৰ হৃদয়।
ময়ো ভকতৰ হিয়া নিশ্চয় ॥
মোতবিনে ভকতে নিচিন্তে আন।
ভকত বিনে মোৰ নাই ধ্যান ॥

—কীৰ্ত্তন

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ৰাস-লীলা

শ্ৰীমুনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

প্ৰগাঢ় আবেগ-অনুভূতিৰে সিক্ত কামগন্ধহীন উপলব্ধিক স্বৰ্গীয় প্ৰেম বোলে। এনে প্ৰেম মানৱ হৃদয়ত সঞ্চাৰিত হলে মধুৰ ভাবৰদ্বাৰা মন উল্লসিত হৈ পৰে। কলুষ কালিমাহীন প্ৰেম ভাৱেৰে ভগৱানক যি সকল সেৱক-সেৱিকাই অৰ্চনা-বন্দনা কৰে তেওঁলোকে ভগবদপ্ৰেমত আপ্লুত হৈ স্বৰ্গীয় সুখৰ আচ্ছাদ লাভ কৰিব পাৰে। এনে স্বৰ্গীয় সুখৰ অন্তিম পৰ্য্যায়ত বাহ্যজ্ঞান ৰহিত সমাধিপ্ৰাপ্ত অৱস্থা এটিলৈ সেৱক-সেৱিকা উন্নীত হয়। সমাধি প্ৰাপ্ত এনে অৱস্থাত ৰাজসিক আৰু তামসিক গুণৰ বিকাৰৰ পৰা মুক্ত হৈ সেৱক-সেৱিকা সাত্বিক গুণৰ অধিকাৰ হব পাৰে।

আত্মেন্দ্ৰিয়ৰ পৰিতৃপ্তিৰ বাবে যি কাৰ্য্য কৰা যায় তাক কাম বোলে। ঈশ্বৰ পৰায়ণতাৰ অৰ্থে যি কৰা যায় তাক প্ৰেম বোলে। সেয়ে সূক্ষ্ম অৰ্থত প্ৰেমভাৱ দেহজ কাম ভাবৰ প্ৰতিফলন নহয়। প্ৰেমভাৱ স্বৰ্গীয় বিমল আনন্দবহে পৰিপূৰক। স্বৰ্গীয় প্ৰেমৰ এনে উচ্চস্তৰত উপনীত হব পাৰিলে প্ৰেমিক-প্ৰেমিকাৰ দেহজাত কামনা-বাসনা যৌনকাঙ্খা নিষ্ক্ৰিয় হৈ পৰে আৰু তেনে স্বৰ্গীয় প্ৰেমে প্ৰেমিক-প্ৰেমিকাক সত্য, শিৱ আৰু সুন্দৰৰ প্ৰতীক কৰি তুলিব পাৰে।৹ স্বৰ্গীয় প্ৰেমত স্থূল কামনা আৰু বাসনাৰ, ইন্দ্ৰিয় সুখানুভূতিৰ আৰু ভোগ লিপ্সাৰ আকাঙ্খা নাথাকে। সেয়ে কাম গন্ধহীন অনুৰক্তিকহে প্ৰকৃত প্ৰেম বুলি আখ্যা দিব পাৰি।

নিজক ক্ষুদ্ৰ, দীন, হীন বুলি জ্ঞান কৰি ভগৱান শ্ৰীকৃষ্ণক বিৰাট, বিপুল, অনন্ত আৰু অসীম বুলি প্ৰত্যয় গলে ইন্দ্ৰিয়াসক্ত ভাৱ আহিব নোৱাৰে, দেহাতীত ভাবহে আহে। ভগৱদপ্ৰেমত ধৰ্ম-অধৰ্ম, সৰু-বৰ, উচ্চ-নীচ, জাতি-কুল আদিৰ সংশয় বা বাছ-বিচাৰ থাকিব নোৱাৰে। ভগৱান যি কামত সন্তুষ্ট হব, প্ৰীত হব ভক্তই বিনা দ্বিধাই তাকেই কৰিব লাগিব। বিৰাট, বিপুল, অনন্ত, অসীম গুণৰ আধাৰ পৰমপুৰুষ শ্ৰীকৃষ্ণৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

সান্নিধ্যসুখ পাবৰ অৰ্থে বিনা দ্বিধা আৰু সংকোচেৰে জাগতিক মায়ামোহ এৰি আত্মসমৰ্পণ কৰিছিল।

গোপীভাৱৰ সাধনাৰ জৰিয়তে ভগবৎপ্ৰাপ্তিৰ স্বৰূপ বৰ্ণোৱাৰ হকে দশম স্কন্ধ ভাগৱতত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে 'ৰাসলীলা' অধ্যায় অন্তৰ্ভুক্ত কৰিছে। শ্ৰীকৃষ্ণ অৱতাৰৰ অৱতাৰণা নিশ্চয়কৈ অপূৰ্ণ মানৱ হৃদয়ত প্ৰকৃত প্ৰেমৰ পুলক জগোৱা বা শিহৰণ অনোৱা। এই প্ৰেমৰ পুলক বা শিহৰণে মানৱ হৃদয়ত যি আনন্দৰ ঝঙ্কাৰ তোলে তাকেই সৃষ্টিৰ আদি ৰস বা শৃঙ্গাৰ ৰস বোলে। এই শৃঙ্গাৰ ৰসত সৃষ্টিৰ অঙ্কুৰ অন্তৰ্নিহিত হৈ থাকে।

সৃষ্টি কৰোঁতা বা স্ৰষ্টা সৰ্বগুণবিভূষিত, কলঙ্কমুক্ত, ভয়ভীতশূন্য আৰু সাধনব্ৰতী নহলে সৃষ্ট বস্তু অনিন্দ্য সুন্দৰ হব নোৱাৰে। ভগৱান শ্ৰীকৃষ্ণ মায়া-মোহাসক্ত জাগতিক জীৱ নহয়। সেয়ে তেওঁৰ প্ৰেম সম্ভোগত ইন্দ্ৰিয় পৰিতৃপ্তিৰ বাসনা নাথাকে স্বৰ্গীয় সুখৰ গভীৰ তৃপ্তিহে থাকে। সেয়ে ব্ৰজবাসিনী গোপযুৱতীসকলৰ কৃষ্ণপ্ৰেম স্বৰ্গীয় প্ৰেমৰ প্ৰতীক। এনে প্ৰেমেহে শুদ্ধ আৰু সাত্ত্বিক ভাবনা হৃদয়ত জাগ্ৰত কৰে আৰু তাৰ ফলতহে সৎ, সত্য আৰু সুন্দৰ বস্তুৰ সৃষ্টি হব পাৰে।

মানৱ জীৱন অপূৰ্ণ, অস্থায়ী। ভগৱান পূৰ্ণ অক্ষয়ী, অব্যয়ী। এই অপূৰ্ণ জগতত পূৰ্ণতা প্ৰাপ্তিৰ হকে জীৱশ্ৰেষ্ঠ মানৱে হাবিলাষ কৰে। এই হাবিলাষত আদি ৰস অন্তৰ্নিহিত হৈ থাকে। এই আদি-ৰসেই মানৱ জীৱনত প্ৰেম ভাৱ জাগৰিত কৰে। এই প্ৰেমভাৱ মানৱ সমাজত বিলাবলৈ ভগৱান শ্ৰীকৃষ্ণই মনুষ্যদেহ ধাৰণ কৰি যি ক্ৰীড়া কৰিছিল তাকেই ৰাসক্ৰীড়া বা ৰাসলীলা বোলে।

গোপীভাৱযুক্ত মধুৰ ৰসাত্মক ভক্তিৰপৰা স্বৰ্গীয় আনন্দযুক্ত আবেগ অনুভূতিৰ উদয় হয়। হৃদয়ত এনে আবেগ-অনুভূতিৰ উদয় হলে ভক্ত আৰু ভগৱন্তৰ মাজৰ সম্পৰ্কত কোনো ছেদ নাথাকে।

ভগৱান অচিন্ত্য আৰু অব্যক্ত। নিৰাকাৰ ভগৱানৰ সত্তা এটি মাথোন তত্ত্ব। এনে ভগৱানৰ সতে মানৱ জীৱনৰ কোনো স্থূল সম্পৰ্ক থাকিব নোৱাৰে। জ্ঞানমাৰ্গ বা যোগমাৰ্গৰ দ্বাৰাহে ভগৱানৰ অচিন্ত্য অব্যক্ত তত্ত্বৰ মহিমা বুজিব পাৰি। ভগৱানৰ এনে তাত্ত্বিক তাৎপৰ্য্য

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

তেওঁৰ সাকাৰৰূপৰ দ্বাৰা ব্যক্ত নহলে বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি-কৰ্তা পৰম পুৰুষৰ বিষয়ে সম্যক ধাৰণা জন্মাটো সম্ভৱ নহয়। আমাৰ এই ৰূপৰসময়, বিচিত্ৰ জগৎ যে তেওঁৰ দ্বাৰা সৃষ্ট, তেৱেঁই যে পৰমপুৰুষ, পৰমব্ৰহ্ম সাকাৰৰূপী ভগৱানৰদ্বাৰাহে তাৰ সমাৰ্থ বুজিব পাৰি। জীৱই এই পৰম পুৰুষ ভগৱানৰ ৰসাস্বাদন কৰি ধন্য হব পাৰে। সেই ৰসময় প্ৰেমময় সচ্চিদানন্দ ভগৱানে মানৱদেহ ধাৰণ কৰি ব্ৰজবাসিনী গোপযুৱতীৰ সতে লীলাখেলা কৰা যি অনুপম বৰ্ণনা আছে সেই বিষয়ে তত্ত্বদৰ্শিনী এনী বেচাণ্টে কৈছে,

"When He who is beauty and love and bliss, Sheds a little portion of Himself on earth, enclosed in Human form, the weary eyes of men light up, the tired hearts of men expand with a new hope and new vigour. They are irrestitably attracted to Him. Devotion spontaneously springs up"

ভগৱান শ্ৰীকৃষ্ণই সকলো ভক্তৰ মনোবাঞ্ছা যিহেতু পূৰ্ণ কৰে, গোপযুৱতী সকলে শৃঙ্গাৰ ৰসেৰে সিক্ত প্ৰেম ভাবেৰে পাবলৈ হাবিলাষ কৰা বাবে শ্ৰীকৃষ্ণই যুৱতীসকলৰ তেনে মনোবাঞ্ছা পূৰণ কৰিছিল। সাকাৰৰূপী ভগৱান শ্ৰীকৃষ্ণৰ প্ৰেমকৃপা লাভ কৰি গোপযুৱতীসকলে গৰ্বভাৱত গৰৱিনী হোৱাত শ্ৰীকৃষ্ণ ৰাসক্ৰীড়া থলীৰ পৰা অন্তৰ্ধান হৈছিল।

ৰাসলীলা বৰ্ণনাত আলিঙ্গন, চুম্বন আদি যি ৰতিৰসৰ উল্লেখ আছে সেইবোৰে অন্তৰত প্ৰেমৰ অভিব্যক্তি সূচনা কৰে। ৰসশাস্ত্ৰত ইয়াক 'অনুভাৱ' বুলি কোৱা হয় অৰ্থাৎ যি সমস্ত বাহ্যিক ক্ৰিয়া-কাণ্ডৰ দ্বাৰা চিত্তানুভূতিব্যঞ্জক দৈহিক বিকাৰ ঘটে। প্ৰেমভাবেৰে স্নেহাস্পদ শিশু, ভ্ৰাতা, ভগিনী,, প্ৰেমাস্পদক যি আলিঙ্গন, চুম্বন কৰা হয় সেইবিলাক অন্তৰস্থ প্ৰেমৰেই অনুভাব বা প্ৰতিফলন। শ্ৰীকৃষ্ণ গোপযুৱতীৰ মাজত ৰাসক্ৰীড়াৰ আলিঙ্গন, চুম্বন, ৰতিক্ৰিয়া আদি চূড়ান্ত পৰ্য্যায়ৰ নিষ্কলুষ প্ৰেমৰ অপূৰ্ব নিদৰ্শন।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতা

শ্ৰীকৰুণাময় হৰিপদ দেৱগোস্বামী

ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়
কৃষ্ণৰ কৃপাত তেৱে গুছয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয়।

গীতা উপনিষদৰ সাৰ। বেদ বেদান্তৰ নিৰূপিত সাৰতত্ত্ব পৰদেৱতা শ্ৰীকৃষ্ণদেৱৰ নিজ মুখৰ উপদেশ। গীতাৰ জয়ন্তীৰ অৰ্থ সেই অবিনাশী সত্যৰ স্মৰণ মাত্ৰ। বিশাল ভাৰত (ভাৰস্ত বা পৃথিবী) ৰূপী সাগৰত উঠা সকলো কল্লোলৰ মাজেদি পৰম পবিত্ৰ শ্ৰীকৃষ্ণ নামত আত্ম নিয়োগ কৰা বা আশ্ৰয় লোৱাৰ সিদ্ধান্ত বাক্যই গীতাৰ মূল কথা। গীতাৰ মহানতা আৰু প্ৰসাৰতা লৈ ৰত্নগৰ্ভা ভাৰত জননীৰ পবিত্ৰ হৃদয়ত বাল গঙ্গাধৰ তিলক, ঋষি অৰবিন্দ, স্বামী বিবেকানন্দ, মহামৱান মহাত্মা গান্ধী, সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ আদিয়ে জ্ঞানমাৰ্গৰ সংযোগেৰে যেনেকৈ গীতাক উপস্থাপনা পৰ্য্যালোচনা আৰু সমালোচনা কৰি দেখুৱাইছে এজনী সামান্য বেটী চন্দৰীয়ে চোতাল সাৰি থাকোতে সাৰ্ব্বভৌম ভট্টাচাৰ্য্যৰ অজুমিকা ভাঙি একান্ত শ্ৰদ্ধাৰ গুৰু ভক্তি দেখুৱাবলৈ এই মহান গ্ৰন্থৰ সাৰতত্ত্ব ওপৰত কোৱা ঘোষা ফাকি হয়তো গাই দিছিল। সেই দিনত গীতাৰ চৰ্চ্চাৰ বান্দী-বেটী, চাকৰ নাকৰ বা বিজ্ঞভদ্ৰ সবাৰো মাজত প্ৰচলিত থকাৰ সেয়ে প্ৰমান। এনে এটা যুগ আছিল যি দিনা গীতাৰ সাৰগৰ্ভ ৰচনা সৰ্ব্ব ভাৰতীয় পৰ্য্যায়ত জ্ঞানমাৰ্গৰ উচ্চ চূড়াত আৰোহণ কৰাৰ দৰে পবিত্ৰভূমি বেদ আৰু যজ্ঞৰ প্ৰতিষ্ঠা ভূমি ছয় ঋতুৰ সমাৰোহেৰে ঋত্বিজ উদ্গাতা, হোতা প্ৰাতাষ্টাৰ জন্মদান কৰা অসম দেশত, পঞ্চদশৰ মণি কাঞ্চনৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

সংযোগৰ কালত, বেদজ্ঞ বিপ্ৰ কুলৰ সুপণ্ডিত গোবিন্দ মিশ্ৰই এই গীতাৰ পতিপাদ্য দেৱতা, মূলাশ্ৰয় শ্ৰীকৃষ্ণদেৱৰ চৰণত শৰণ গ্ৰহণ কৰি, শ্ৰীকৃষ্ণ শৰণৰ প্ৰবৰ্ত্তক জগৎগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ এক শৰণ হৰিনাম ধৰ্ম্মৰ সাৰ্ব্বজনিন সন্মান ৰক্ষা কৰিছিল। সমগ্ৰ ভাৰতবৰ্ষত শ্ৰীমদ্ভাগৱত গীতা নামেৰে প্ৰখ্যাতি লাভ কৰা গীতা শাস্ত্ৰৰ নাম দিছিল শ্ৰীকৃষ্ণগীতা। ইয়াৰ মৌলিক অৰ্থ আছিল গীতা মানেই শ্ৰীকৃষ্ণ আৰু শ্ৰীকৃষ্ণৰ নিজ মুখৰ বাক্যৰ উপদেশ শঙ্কলনেই গীতা।

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ জীৱনত গীতাই একমাত্ৰ অৱলম্বন তেওঁৰ প্ৰিয় শিষ্য কলিযুগৰ বেদ-ব্যাস আখ্যা পোৱা পৰমসাধু বিনোৱাজীৰ গীতা প্ৰৱচনৰ প্ৰচাৰ আৰু প্ৰকাশেই মূল লক্ষ্য। এনেদৰে অতীতৰ পৰা অৰ্থাৎ মানৱ সভ্যতাৰ প্ৰাৰম্ভৰ পৰা আজিৰ অত্যাধুনিক বৈজ্ঞানিক যুগলৈ এক মাত্ৰ গীতাৰেই প্ৰভাৱ অখণ্ডনীয় সৰ্ব্বজন বিদিত আৰু সৰ্ব্বজন মান্য। এই গীতাৰ মূল উপদেশৰ প্ৰকাশকেই জগদগুৰু শ্ৰীমন্ত শঙ্কৰে এক শৰণ নাম দি অবিনাশী সত্যক ধৰ্মৰ ৰূপেৰে সজাই সমাজক পৰিত্ৰাণৰ পথ-নিৰ্দ্দেশনা দিছে। ভাৰতীয় বিশাল প্ৰশান্তত শিৱ গীতা, ব্ৰহ্ম গীতা, উত্তৰ গীতা, ৰাম গীতা, সন্ধী গীতা গৰ্ভগীতা, যোগ গীতা আদি পঞ্চ বিংশতি প্ৰকাৰে ব্যক্ত কৰি ভাৰতৰ মনীষী সকলে আত্মাতত্ব জ্ঞানতত্ত্বৰ মহিমা প্ৰকাশ কৰিছে। যুগমানৱ মহাত্মা গান্ধীয়ে গীতাৰ দ্বাৰা কৰ্ম যোগ আৰু জ্ঞান যোগৰ পবিত্ৰতা প্ৰচাৰ কৰাৰ দৰে জগদগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে গীতাৰ অৱলম্বনত ভক্তি যোগৰ মহত্ব প্ৰকাশ আৰু একান্ত ভক্তিৰ স্বৰূপ দৰ্শন কৰাই বিশিষ্টাদ্বৈতবাদৰ মূল আশ্ৰয় এক শৰণ হৰিনাম ধৰ্ম্মৰ প্ৰবৰ্ত্তন আৰু প্ৰতিষ্ঠা লাভ কৰাইছে।

গীতা অৰ্জ্জুনৰ বিষাদ যোগৰ উপশান্তিতে আৰম্ভ কৰি এক শৰণৰ মূল সত্য প্ৰকাশক। সাংখ্য যোগত পৰিসমাপ্তি কৰি সংসাৰী ভাৱৰ পৰা পৰমপুৰুষাৰ্থৰ সদ্গতি লাভৰ পৰম পবিত্ৰ স্থানলৈ আগবঢ়াই নিছে। কৰ্ম্ম ক্ষেত্ৰৰ বৈষম্য আৰু কলুষ আতৰাই ধৰ্ম্মক্ষেত্ৰৰ উদাৰ পবিত্ৰ পৰমাৰ্থ তত্ত্বৰ অবিনাশী ক্ষেত্ৰত প্ৰতিষ্ঠা কৰিছে।

জ্ঞানমাৰ্গীয় বিজ্ঞান আলোকৰ ৰশ্মি বিকৰণ কৰি, ভক্তি মাৰ্গীয়

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ৰহস্যও জীৱ পৰমাত্মাক একীভূত, একান্ত ভাৱত বিলীণ কৰি দিয়াই গীতাৰ বিশাল প্ৰকাশ জ্যোতি। গীতা যুগে যুগে ভাৰতাত্মাৰ সৰ্ব্বোত্তম ৰস ভাণ্ডাৰৰ আধাৰিকা আৰু পূৰ্ণেশ্বৰ শ্ৰীকৃষ্ণদেৱৰ উপদেশামৃত।

সেই বাবে জ্ঞানীসকলে গীতাক গঙ্গা, সাবিত্ৰী, গায়ত্ৰী আদি নামেৰে শ্ৰদ্ধা নিবেদন কৰাৰ দৰে ভকত সকলে নামগঙ্গাৰ পবিত্ৰ, গতিশীল, চিৰন্তণ, প্ৰবাহ বুলি বিশ্বাস কৰে।

নামে গঙ্গাৰ জল ভকতে নিৰ্ম্মল
বৈ আছে হৃদয়ৰ মাজ।

সেই ৰূপেই গীতা জয়ন্তী পবিত্ৰ স্মৰণও গীতা আমাৰ একশৰণ ধৰ্ম্মৰ ভক্তি মাতৃ ৰূপিনী হৈ পবিত্ৰ অসম ভূমিত এক শৰণ হৰিনাম ধৰ্ম্মৰ অবিনাশী প্ৰবাহ প্ৰবাহিত কৰক; কৰ্ম্ম-জ্ঞানমাৰ্গৰ সমস্ত কলুষ বিধৌত কৰি উটাই নি আমাক ভকতি আনন্দ সিন্ধুৰ অমৃত পানৰ আনন্দ দানেৰ পৰমানন্দ ময় শ্ৰীকৃষ্ণদেৱৰ চৰণত আশ্ৰিত জীৱবাশিক পূৰ্ণানন্দ ৰসৰ ৰহস্যত নিমগ্ন কৰি ৰাখক আমি দ্বিধাশূন্য ভাবে যেন গাব পাৰো;

শাস্ত্ৰত উত্তম গীতা ভাগৱত
ধৰ্ম্মত উত্তম নাম
দেৱত উত্তম দৈবকী নন্দন
চৰণে দৰো প্ৰণাম।
ওঁ শান্তি! শান্তি!! শান্তি!!!

ব্ৰাহ্মণ ক্ষত্ৰিয় পুণ্য তনু, মোক ভজি তৰিবেক পুনু
অতি অদভূত নাহিকে কোনো সংশয়।
ৰাজঋষি তনু আছা পাই, অনিত্য সুখলোক জানি,
অতি শীঘ্ৰে মোক ভজা সখি ধনঞ্জয়।

—নামঘোষা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

সংস্কৃতিৰ সমন্বয়ত গুৰু-শঙ্কৰ, গীতা, একেশ্বৰবাদ আৰু আমি

বাহেনা শইকীয়া

সংস্কৃতি হ'ল মানৱ সমাজৰ প্ৰৱাহমান ধাৰাটোৰ সতে চিৰ গতিশীলতাৰ প্ৰতিশ্ৰুতিৰে ধাৱমান হোৱা এক নিৰুদ্ধ প্ৰৱাহ। সময় ভগীৰথে বোৱাই অনা, অন্তঃপ্ৰৱাহিতা মন্দাকীনিৰ দৰেই সংস্কৃতিৰ বুকুতো থাকে, পূত-প্ৰতিভাত এক প্ৰাঞ্জলতা। সেয়ে, সংস্কৃতিৰ মাধ্যমেৰেই প্ৰতিফলিত হয়, মানৱতাৰো মূল সত্বা। যুগ যুগ ধৰি, বিন্দুৰ সমষ্টিৰে সিন্ধুৰ সৃষ্টিৰ দৰেই, মহাকালেও গঢ়ি তুলিছে আমাৰ সংস্কৃতি। বিশ্ববিখ্যাত সমাজ বিজ্ঞানী আৰু নৃতত্ববিদ Edward B. Tylor ৰ মতে: "Culture... is that complex whole which includes knowledge, belief, art, law, morals, custom, and any other capabilites and habits acquired by man as a member of society।" এজনৰ কল্যাণৰ মাধ্যমেৰে সৰ্বজনৰ কল্যাণকৰ একোটি শুভংকৰী চেতনাকে মানুহে আহৰণ কৰে; ইও প্ৰবৃত্তিগত। এনেকৈয়ে আহৰণৰ ক্ষমতাটোই গঢ়ি তোলে মানৱৰো সংস্কৃতি।

ধৰ্ম্ম-সংস্কৃতিৰ ভিতৰুৱা। সৃষ্টিৰ পাতনিৰ পৰা পৰম ব্ৰহ্মৰ অস্তিত্বৰ সৱিশেষ বিচাৰি গৈ মানৱৰ বিৱেকে একোটা সংস্কৃতিৰো জন্ম দিছে। মানৱ-মস্তিস্কৰ বিকাশৰ প্ৰথমাৱস্থাত মহানৰো মহান পৰম শক্তিৰ উৎস অনুসন্ধান আৰু তাৰেই ভজনাত মাধ্যমৰ প্ৰয়োজন জৰুৰী হৈ পৰিছিল এই বাবেই যে, Homs Sapiens আৰু Peking man আজিৰ সতে যিদৰে আজিৰ বিজ্ঞানৰ যুগৰ মানৱ-মস্তিস্কৰ প্ৰভেদ আছে তেনেদৰে বোধশক্তিৰো পাৰ্থক্য আছে; ফলস্বৰূপে ভাৰতীয় মনীষাই, উন্নত আধ্যাত্মিক বিকাশৰ সুউচ্চ পৰ্যায়ত উপনীত ঋষি-মুনি সকলে সৰ্বসাধাৰণক বুজাবলৈ 'প্ৰতিম'

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

অথবা প্ৰতীকক মাধ্যম ৰূপে ব্যৱহাৰ কৰিবলৈ বাধ্য হ'ল। কিন্তু, সৃষ্টিৰ পাতনিৰে পৰা একেশ্বৰবাদেই যে বিশ্বমানৱৰো সনাতন ধৰ্ম্ম—সুসভ্য মানৱ সমাজে তাক আজি বুদ্ধি নিৰ্ভৰ যুক্তি তৰ্কেৰে মানি লৈছে। পৌৰাণিক গ্ৰন্থ শ্ৰুতিসমূহ, স্মৃতিসমূহ বিশ্লেষণ কৰিও ভাৰতীয় মনীষাৰ এই ঐতিহ্যক আজি বিশ্বই সমাদৰ কৰিছে। ভাৰতবৰ্ষৰ প্ৰাচীন ধৰ্ম্ম আছিল একোটাই—'সনাতনী ধৰ্ম্ম,' সাত্তত্ব ধৰ্ম্ম, ভাগৱতী ধৰ্ম্ম বা ঐকান্তিক ধৰ্ম্ম। মহাভাৰতৰ শান্তি পৰ্বত এই একেশ্বৰবাদী ধৰ্ম্মমতৰ বিষয়ে বিতং পোৱা যায়। গীতা মহাভাৰতৰ বুকুৰে—"পৰম ৰত্ন"।

কোৱা হয়, তিনি হেজাৰ বছৰ পূৰ্বে মহাভাৰতৰ ধৰ্ম্মযুদ্ধৰ শুভ মূহুৰ্ত্তত গীতাৰ ধৰ্ম্মই পুনৰ স্বৰ্গীয় বাণী ৰূপে দেখা দিছিল। অলপতে বৈশালীৰ প্ৰাকৃত গৱেষণাকেন্দ্ৰৰ ডঃ ডি, এছ, ত্ৰিৱেদীয়ে এই ধৰ্ম্মযুদ্ধৰ সময়, খৃঃ পূঃ ৩১৩৭ ৰ ১৪ নবেম্বৰ মঙ্গলবাৰ বুলি তথ্য উদ্ঘাটন কৰি উলিয়াইছে। অৰ্থাৎ গীতাৰো প্ৰাচীনত্ব সেই মৰ্মে প্ৰায় ৫,১২২ বছৰলৈ উভতি গৈছে। লগে লগে, ভাৰতবৰ্ষত একেশ্বৰবাদৰ বৈজ্ঞানিক ব্যাখ্যাৰ কালছোৱাও পুনৰ নিৰূপিত হৈছে। গীতোক্ত ধৰ্ম্মৰ এই সুন্দৰ ব্যাখ্যাই প্ৰমাণকৰে মানৱ-সংস্কৃতিৰো এক মহামূল্যৱান অস্তিত্বক। সৃষ্টি একেখনি, স্ৰষ্টাও এজনাই। সেই জনাই স্ৰষ্টাৰূপে ব্ৰহ্মা, পালনকৰ্ত্তা ৰূপে বিষ্ণু, আকৌ সংহাৰ বাৰ্ত্তা ('সংহাৰ' অৰ্থ ইয়াত, সামৰি থোৱা বুলি সংস্কৃতজ্ঞ পণ্ডিত সকলে কৈছে) ৰূপে শিৱও। 'বেদ'ৰ সাৰভাগ হ'ল—উপনিষদ। এই উপনিষদবো মূলতে হল ত্ৰিশক্তিৰ ব্যাখ্যা, আৰু সেয়ে ত্ৰিশক্তিৰ সমন্বয় এক মহান পৰমব্ৰহ্মই মানৱ জাতিৰ একমাত্ৰ আৰাধ্য উপাস্য—অব্যয় অক্ষয় শক্তি।

দশাৱতাৰৰ বৈজ্ঞানিক বিশ্লেষণ আজি যিদৰে সম্ভৱ হৈছে, মানৱৰ প্ৰথম পুৰুষ আদমৰ দিনৰে পৰা যে একেশ্বৰবাদেই মানুহৰ সনাতন ধৰ্ম্ম সেই কথাও আজিৰ বিজ্ঞানে প্ৰমাণ কৰি দেখুৱাইছে। এজন নমস্য, গীতা ভাষ্যকাৰ,' গীতাশাস্ত্ৰী জগদীশচন্দ্ৰ ঘোষদেৱে 'শ্ৰীগীতাৰ' ভাষ্যত (পৃ ২৩ দ্ৰষ্টব্য) কৈছে: ভাগৱত ধৰ্ম্ম বুলিলে সাধাৰণতে বৈষ্ণৱ ধৰ্ম্মকে বুজায়; "কিন্তু প্ৰকৃতপক্ষে বৈষ্ণৱ, শৈৱ, শাক্ত, প্ৰভৃতি ভক্তিমাৰ্গৰ উপাসক

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

সকলো সম্প্ৰদায়েই ভাগৱত ধৰ্ম্মাৱলম্বী, কিয়নো এওঁলোক আটায়ে অনিৰ্দেশ্য ব্ৰহ্মতত্ত্বৰ ঠাইত ভগৱত্তত্ত্ব অৰ্থাৎ ভক্তৰ ভগৱান বুলি একেটি উপাস্য বস্তুকে স্বীকাৰ কৰে। সেইজনা বিষ্ণুই হওক বা ৰুদ্ৰই হওক তাত দ্বিমত নাই।"......"বিশ্বাসে মিলয় হৰি, তৰ্কে বহুদূৰ" এই সত্যকে সাৰোগত কৰি গীতোক্ত সনাতনী ধৰ্ম্ম'ই যে আদমৰ যুগৰে পৰা মানৱৰো সনাতন ধৰ্ম্ম তাক স্বীকাৰ কৰি লোৱাত আস্তিক মাত্ৰৰে কোনো আপত্তি থাকিব নোৱাৰে বুলি আমি ভাবো।

আন নেলাগে, মানৱ জাতিলৈ সৰ্ব্বশেষ স্বৰ্গীয় বাণী, পৱিত্ৰ 'কোৰানে'ও এই একে কথাৰে সাক্ষ্য প্ৰদান কৰিছে "চুৰা আলবাকাৰাৰ" (২ঃ ১৩৬ দ্ৰষ্টব্য) যোগেৰে। সৰ্বশেষ বাণী কোৰানতো বাৰে বাৰে এই কথা ঘোষণা কৰা হৈছে। শেষ থাকিলে, আদি আৰু মধ্যও থাকিবই। উক্ত আয়াততো ঘোষিত হৈছে যে সেইজনেই প্ৰকৃত মুছলমান অৰ্থাৎ এক আল্লাহত আত্মসমৰ্পনকাৰী, যি জনে সৃষ্টিৰ পাতনিৰে পৰা শেষ বাণীবাহক হজৰত মহম্মদ (খৃঃ ৫৭১ চন) লৈ অৱতীৰ্ণ হোৱা স্বৰ্গীয় সমূহ বাণী আৰু স্বৰ্গীয় বাণীবাহক (পয়গম্বৰ) সকলত বিশ্বাস স্থাপন কৰাৰ লগতে তেওঁ বিলাকৰ পৰম্পৰৰ মাজত শ্ৰেষ্ঠত্বক লৈ সন্দেহ নকৰে। ইয়াৰ দ্বাৰা এইটোৱে প্ৰমান হয় যে, শেষৰ আগত থকা মধ্য আৰু আদিও সত্য ; যিহেতু সকলো স্তৰতে একেশ্বৰবাদেই সনাতন ধৰ্ম্ম, সেয়েহে মানৱৰো ধৰ্ম্ম একেটাই। সাৰ্বজনীন এই ধৰ্ম্মই বিশ্বমানৱৰো ধৰ্ম্ম। "এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ।" গুৰু শংকৰেও এই দীক্ষাকে আমাক দিছে।

ঘটনাক্ৰমে উল্লেখযোগ্য যে, ১২০৪ খৃষ্টাব্দত মহম্মদ বখটিয়াৰ খিল্‌জিৰ নেতৃত্বত ৰাজ্য বহলাবলৈ অহা সৈন্যদলৰ ভিতৰত একেশ্বৰবাদীৰ সংখ্যাই আছিল গৰিষ্ঠ। এজনা পৰমেশ্বৰতে আত্মসমৰ্পনৰ দীক্ষাই আছিল তেওঁ বিলাকৰ জীৱনৰো এটি বিশেষত্ব। পৌত্তলিকতাৰ পয়োভৰ আৰু দেৱ-দেৱী আৰাধনা তেতিয়াৰ অসমৰ (কামৰূপৰ) আধ্যাত্মিক জগতত দ'কৈ শিপাইছিল ! মহানজনৰ ইচ্ছাত এনেকৈয়ে সংস্কৃতিৰ বাহক ৰূপে ভিন্ন

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

অথবা প্ৰতীকক মাধ্যম ৰূপে ব্যৱহাৰ কৰিবলৈ বাধ্য হ'ল। কিন্তু, সৃষ্টিৰ পাতনিৰে পৰা একেশ্বৰবাদেই যে বিশ্বমানৱৰো সনাতন ধৰ্ম্ম--সুসভ্য মানৱ সমাজে তাক আজি বুদ্ধি নিৰ্ভৰ যুক্তি তৰ্কেৰে মানি লৈছে। পৌৰাণিক গ্ৰন্থ শ্ৰুতিসমূহ, স্মৃতিসমূহ বিশ্লেষণ কৰিও ভাৰতীয় মনীষাৰ এই ঐতিহ্যকো আজি বিশ্বই সমাদৰ কৰিছে। ভাৰতবৰ্ষৰ প্ৰাচীন ধৰ্ম্ম আছিল একোটাই—'সনাতনী ধৰ্ম্ম,' সাত্তত্ব ধৰ্ম্ম, ভাগৱতী ধৰ্ম্ম বা ঐকান্তিক ধৰ্ম্ম। মহাভাৰতৰ শান্তি পৰ্ব'ত এই একেশ্বৰবাদী ধৰ্ম্মমতৰ বিষয়ে বিতং পোৱা যায়। গীতা মহাভাৰতৰ বুকুৰে—"পৰম ৰত্ন"।

কোৱা হয়, তিনি হেজাৰ বছৰ পূৰ্বে মহাভাৰতৰ ধৰ্ম্মযুদ্ধৰ শুভ মূহূৰ্ত্তত গীতাৰ ধৰ্ম্মই পুনৰ স্বৰ্গীয় বাণী ৰূপে দেখা দিছিল। অলপতে বৈশালীৰ প্ৰাকৃত গৱেষণাকেন্দ্ৰৰ ডঃ ডি, এছ, ত্ৰিবেদীয়ে এই ধৰ্ম্মযুদ্ধৰ সময়, খৃঃ পূঃ ৩১৩৭ ৰ ১৪ নবেম্বৰ মঙ্গলবাৰ বুলি তথ্য উদ্ঘাটন কৰি উলিয়াইছে। অৰ্থাৎ গীতাৰো প্ৰাচীনত্ব সেই মৰ্মে প্ৰায় ৫,১২২ বছৰলৈ উভতি গৈছে। লগে লগে, ভাৰতবৰ্ষত একেশ্বৰবাদৰ বৈজ্ঞানিক ব্যাখ্যাৰ কালছোৱাও পুনৰ নিৰূপিত হৈছে। গীতোক্ত ধৰ্ম্মৰ এই সুন্দৰ ব্যাখ্যাই প্ৰমাণকৰে মানৱ-সংস্কৃতিৰো এক মহামূল্যৱান অস্তিত্বক। সৃষ্টি একেখনি, স্ৰষ্টাও এজনাই। সেই জনাই স্ৰষ্টাৰূপে ব্ৰহ্মা, পালনকৰ্ত্তা ৰূপে বিষ্ণু, আৰু সংহাৰ বাৰ্ত্তা ('সংহাৰ' অৰ্থ ইয়াত, সামৰি থোৱা' বুলি সংস্কৃতজ্ঞ পণ্ডিত সকলে কৈছে) ৰূপে শিৱও। 'বেদ'ৰ সাৰভাগ হ'ল—উপনিষদ। এই উপনিষদৰো মূলতে হল ত্ৰিশক্তিৰ ব্যাখ্যা, আৰু সেয়ে ত্ৰিশক্তিৰ সমন্বয় এক মহান পৰমব্ৰহ্মই মানৱ জাতিৰ একমাত্ৰ আৰাধ্য উপাস্য—অব্যয় অক্ষয় শক্তি।

দশাৱতাৰৰ বৈজ্ঞানিক বিশ্লেষণ আজি যিদৰে সম্ভৱ হৈছে, মানৱৰ প্ৰথম পুৰুষ আদমৰ দিনৰে পৰা যে একেশ্বৰবাদেই মানুহৰ সনাতন ধৰ্ম্ম সেই কথাও আজিৰ বিজ্ঞানে প্ৰমাণ কৰি দেখুৱাইছে। এজন নমস্য, গীতা ভাষ্যকাৰ,' গীতাশাস্ত্ৰী জগদীশচন্দ্ৰ ঘোষদেৱে 'শ্ৰীগীতাৰ' ভাষ্যত (পৃ ২৩ দ্ৰষ্টব্য) কৈছে: ভাগৱত ধৰ্ম্ম বুলিলে সাধাৰণতে বৈষ্ণৱ ধৰ্ম্মকে বুজায়; "কিন্তু প্ৰকৃতপক্ষে বৈষ্ণৱ, শৈৱ, শাক্ত, প্ৰভৃতি ভক্তিমাৰ্গৰ উপাসক

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

সকলো সম্প্ৰদায়েই ভাগৱত ধৰ্ম্মাৱলম্বী, কিয়নো এওঁলোক আটায়ে অনিৰ্দ্দেশ্য ব্ৰহ্মতত্ত্বৰ ঠাইত ভগবত্তত্ত্ব অৰ্থাৎ ভক্তৰ ভগৱান বুলি একেটি উপাস্য বস্তুকে স্বীকাৰ কৰে। সেইজনা বিষ্ণুই হওক বা ৰুদ্ৰই হওক তাত দ্বিমত নাই।''......''বিশ্বাসে মিলয় হৰি, তৰ্কে বহুদূৰ'' এই সত্যকে সাৰোগত কৰি গীতোক্ত সনাতনী ধৰ্ম্মই যে আদমৰ যুগৰে পৰা মানৱৰো সনাতন ধৰ্ম্ম তাক স্বীকাৰ কৰি লোৱাত আস্তিক মাত্ৰৰে কোনো আপত্তি থাকিব নোৱাৰে বুলি আমি ভাবো।

আন নেলাগে, মানৱ জাতিলৈ সৰ্ব্বশেষ স্বৰ্গীয় বাণী, পৱিত্ৰ 'কোৰানে'ও এই একে কথাৰে সাক্ষ্য প্ৰদান কৰিছে ''চুৰা আলবাকাৰাৰ'' (২: ১৩৬ দ্ৰষ্টব্য) যোগেৰে। সৰ্বশেষ বাণী কোৰানতো বাৰে বাৰে এই কথা ঘোষণা কৰা হৈছে। শেষ থাকিলে, আদি আৰু মধ্যও থাকিবই। উক্ত আয়াততো ঘোষিত হৈছে যে সেইজনেই প্ৰকৃত মুছলমান অৰ্থাৎ এক আল্লাহত আত্মসমৰ্পনকাৰী, যি জনে সৃষ্টিৰ পাতনিৰে পৰা শেষ বাণীবাহক হজৰত মহম্মদ (খৃঃ ৫৭১ চন) লৈ অৱতীৰ্ন হোৱা স্বৰ্গীয় সমূহ বাণী আৰু স্বৰ্গীয় বাণীবাহক (পয়গম্বৰ) সকলত বিশ্বাস স্থাপন কৰাৰ লগতে তেওঁ বিলাকৰ পৰম্পৰৰ মাজত শ্ৰেষ্ঠত্বক লৈ সন্দেহ নকৰে। ইয়াৰ দ্বাৰা এইটোৱে প্ৰমান হয় যে, শেষৰ আগত থকা মধ্য আৰু আদিও সত্য; যিহেতু সকলো স্তৰতে একেশ্বৰবাদেই সনাতন ধৰ্ম্ম, সেয়েহে মানৱৰো ধৰ্ম্ম একেটাই। সাৰ্বজনীন এই ধৰ্ম্মই বিশ্বমানৱৰো ধৰ্ম্ম। ''এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ।'' গুৰু শংকৰেও এই দীক্ষাকে আমাক দিছে।

ঘটনাক্ৰমে উল্লেখযোগ্য যে, ১২০৪ খৃষ্টাব্দত মহম্মদ বখটিয়াৰ খিল্‌জিৰ নেতৃত্বত ৰাজ্য বহলাবলৈ অহা সৈন্যদলৰ ভিতৰত একেশ্বৰবাদীৰ সংখ্যাই আছিল গৰিষ্ঠ। এজনা পৰমেশ্বৰতে আত্মসমৰ্পনৰ দীক্ষাই আছিল তেওঁ বিলাকৰ জীৱনৰো এটি বিশেষত্ব। পৌত্তলিকতাৰ পয়োভৰ আৰু দেৱ-দেৱী আৰাধনা তেতিয়াৰ অসমৰ (কামৰূপৰ) আধ্যাত্মিক জগতত দ'কৈ শিপাইছিল! মহানজনৰ ইচ্ছাত এনেকৈয়ে সংস্কৃতিৰ বাহক ৰূপে ভিন্ন

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ধৰ্ম্ম সংস্কৃতিৰ মানৱ-গোষ্ঠী এটি এই পূন্যভূমিলৈ আহিছিল।

কোৱা হয় যে, ১৪৪৯ চনৰ এই নৱ-উদিত আধ্যাত্মিকা গুৰুৰ জন্ম লগ্নত দেৱীমূৰ্ত্তীৰ বেদী খহি পৰিছিল; হয়তো এয়া আছিল বিজ্ঞান সন্মত ভাগৱতী ধৰ্ম্ম। অইন এজনা স্বনামধন্য চিন্তাবিদ জে.পি, চুডাৰ মতেও— "All the major religions more or less agree in their basic philosophy; the inner experience a Hindu has while holding communion with God does not differ in essentials from the experience which a Muslim or a Christian has।" ★ গুৰু শংকৰ সেয়ে, আছিল আমাৰ অসমৰ জন জীৱনৰ বহল প্ৰান্তৰত এক সমন্বয়ৰ সেতু।

জটিলতাবো এটি ৰূপ আছে, যিটো প্ৰাঞ্জল। অন্ধকাৰৰ বিপৰীতে পোহৰৰ দৰেই দুয়োবো সম্পৰ্ক ওত প্ৰোত। মন কৰিব লগা যে, যিটো বংশত একেশ্বৰবাদৰ শেষ বাণীবাহক হজৰত মহম্মদ (দঃ) জন্মিছিল, সেই বংশটোৰ ওপৰতে ৩৬০ টা মূৰ্ত্তিৰ পূজা সেৱাৰে 'কাবা' মন্দিৰৰ পৌৰোহিত্যৰ ভাৰ বৰ্ত্তিছিল। যিটো পৰিয়ালত হজৰত ইব্ৰাহিম (আঃ) ৰ জন্ম হৈছিল, সেই পৰিয়ালো মূৰ্ত্তিপূজক হোৱা গতিকে, প্ৰহ্লাদৰ দৰে পিতাকৰ পৰাই তেওঁ মৃত্যুদণ্ড' লাভ কৰিছিল—একেশ্বৰবাদী ধৰ্ম্মমতাৱলম্বনৰ 'শাস্তি' স্বৰূপে। এয়ে আছিল নিয়ম,—'অনিয়মৰ' মাজেৰে এক জাগতিক প্ৰক্ৰিয়া, আস্তিক মাত্ৰেই যত বিচাৰি পাব এক ৰহস্যময়—পৌত্তিকতা। গীতায়ো আমাক সেৱাবাই দিয়ে সেই একেই কথা—(অষ্টাদশ অধ্যায়ঃ ৬৪।৬৫।৬৬ শ্লোকত দ্ৰষ্টব্য)। "সৰ্ব ধৰ্মান—পৰিত্যজ্য মামেকং শৰণং ব্ৰজ। অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা—শুচঃ॥"

"সৰ্বগুহ্যতমং" এই "পৰমং বচঃ" আজিৰ মানৱ মস্তিকৰ বাবে উপলব্ধি কৰাত কোনো আহুকাল নহয়। সেই বাবেই আমি পৃথিৱীৰ সমগ্ৰ আস্তিক সমাজৰ হৈ আশা ৰাখিছো,—গীতাৰ নিৰ্দ্দিষ্ট জীৱন-বিচাৰৰ দ্বাৰা 'আৰ্ত্ত, জিজ্ঞাসু, অৰ্থাৰ্থী আৰু জ্ঞানী' এই চতুৰ্বিধ ভক্তই আজি একেখনি আধ্যাত্মিক

★ Religions in India, J. P. Suda, page-17

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

মঞ্চত মিলিত হওক, সেই পুণ্যমঞ্চতে ভজনা চলক সেইজনা পৰম করুণাময় মহানৰো মহানজনৰ।

আনহাতে, মানৱ সংস্কৃতিক প্ৰগতিৰ পথেৰে আগুৱাই দি গীতাই ঘোষণা কৰিছে: "সত্বাৎ সংজায়তে জ্ঞানং ৰজসো লোভ এবচ। প্ৰমাদমোহৌ তমসো ভবতোহজ্ঞানমেব চ॥" (গীতা ১৪:১৭)—অৰ্থাৎ, সত্বগুণৰ পৰা জ্ঞান, ৰজো গুণৰ পৰা লোভ আৰু তমোগুণৰ পৰা অজ্ঞান, প্ৰমাদ আৰু মোহ উৎপন্ন হয়।" আকৌ, "মাঞ্চ যোহব্যাভিচাৰেণ··· সুখস্যৈকান্তিকস্য চ॥" (১৪:২৬।২৭—গীতা) ঐকান্তিক ভক্তিৰ বলতে সেৱকজনে এই ত্ৰিগুণ অতিক্ৰম কৰি ঈশ প্ৰাপ্তিৰ পথ লাভ কৰে। যোগশাস্ত্ৰ গীতাই সেই বাবেই ভক্তিমান জ্ঞানী-যোগী জনাকে "অত্যন্ত প্ৰিয়" আখ্যা দিছে।

আহক, আমি সমস্বৰে ভজনা কৰো: 'সেই এজনা পৰমেশ্বৰকে, ত্ৰিশক্তিৰ আধাৰ সেই একমাত্ৰ এজনাই, মহানৰো মহান—তেওঁৰ বিনে আৰু কেও উপাস্য নাই।'

"দেৱানাং পূৰ্বে যুগেহসতঃ সজায়ত—" (ঋকবেদঃ ১০।৭২।৭) দেৱতা সকলৰো পূৰ্বে সেই অব্যক্তৰ পৰাই ব্যক্ত জগত উৎপন্ন হৈছে।" শ্ৰুতি সমূহৰ মধ্যমণি ঋক্ বেদেও নিশ্চয় এক বিজ্ঞানৰ সতকে ঘোষণা কৰিছে।

আপুনি আপুন বন্ধু, আপুনি আপুন শত্ৰু
আপুনি আপুন বাধে মাৰে।
হৰিক নভজি নৰে, আপুনি হোৱয় নষ্ট,
হৰি ভজি আপুনাক তাৰে॥

নামঘোষা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গান্ধীজীৰ দৃষ্টিত গীতা

শ্ৰীসতীশ চন্দ্ৰ কাকতী

[বিশ্ববৰেণ্য পুৰুষ মহাত্মা গান্ধীয়ে তেওঁৰ জীৱন কালত ৰাজহুৱা সভা-সমিতি, অনিসন্ধিৎসু ব্যক্তি, দেশ-বিদেশৰ অগণন বন্ধু-বান্ধৱৰ লগত কৰা পত্ৰ-বিনিময়ত গীতা সম্পৰ্কে তেওঁৰ মত আৰু প্ৰবচন প্ৰকাশ কৰিছিল। গান্ধীজীয়ে যিদৰে গীতা গভীৰভাবে অধ্যয়ন কৰিছিল, সেইদৰে অধ্যয়ন কৰিছিল বিশ্বৰ বিভিন্ন ধৰ্মগ্ৰন্থ, যেনে, বাইবেল, কোৰান, গ্ৰন্থচাহিব আৰু তাৰ পৰা তেওঁ মৌলিক শিক্ষা লাভ কৰিছিল। এই প্ৰবন্ধত গান্ধীজীৰ দৃষ্টিত গীতাৰ চমু আভাস দিয়া হল।—লেখক]

গীতা বিশ্ব-সমাদৃত অন্যতম ভাৰতীয় মহান গ্ৰন্থ। এই গ্ৰন্থৰ ৰচনা-কাল সম্পৰ্কে পণ্ডিত আৰু প্ৰত্নতত্ত্বজ্ঞ লোকসকলৰ মাজত মতানৈক্য আছে। তথাপি সাধাৰণভাবে বিচাৰ-বিবেচনা কৰি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে যে ভাৰতত গীতাৰ ৰচনা-কাল খ্ৰীষ্টপূৰ্ব নৱম শতিকা। গীতা ৰচনাৰ পূৰ্বে পুণ্যভূমি ভাৰতত প্ৰায় ৪৫০০ বছৰৰ পৰা ঋকবেদ, উপনিষদ আৰু অন্যান্য ধৰ্মগ্ৰন্থৰ প্ৰচলন আছিল। কিন্তু প্ৰাচীন কালত ধৰ্মশাস্ত্ৰবোৰ লিখিত আকাৰত নাছিল। সেই কাৰণে তাৰ ৰচনাকাল সঠিকভাবে কোনেও নিৰ্ণয় কৰিব নোৱাৰে। সি যি হওক, আধুনিক যুগৰ পণ্ডিতসকলে অনুমান কৰিছে যে মোটামুটিভাবে গীতা প্ৰায় ২৫০০ বছৰ আগত ৰচিত হৈছিল। লোকমান্য তিলকে এই মত সমৰ্থন কৰিছিল। পাশ্চাত্য প্ৰত্নতত্ত্বজ্ঞ পণ্ডিতসকলেও তিলকৰ মত সমৰ্থন কৰে।

বহুত পাঠক আৰু সমালোচকৰ মতে গীতা এখন হিন্দু শাস্ত্ৰ। কিন্তু এই মত সম্পূৰ্ণ ভুল। গীতা কোনো সম্প্ৰদায়বিশেষৰ কাৰণে ৰচিত হোৱা নাছিল; সেই কাৰণে গীতা মানব-ধৰ্ম গ্ৰন্থ বুলি স্বীকৃত। জাতি, ধৰ্ম, দেশ আৰু কাল নিৰ্বিশেষে গীতাৰ বাণী সনাতন আৰু বিশ্বৰ পণ্ডিতসকলৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

মতে এখন সাৰ্বজনীন গ্ৰন্থ। গীতাৰ অন্যতম ভাষ্যকাৰ পণ্ডিত জগদীশ চন্দ্ৰ ঘোষে গীতোক্ত উপদেশৱালী আঠ ভাগত বিভক্ত কৰিছে, প্ৰথম—ধৰ্মত উদাৰত, দ্বিতীয় কৰ্মত নিষ্কামতা, তৃতীয়—জ্ঞানত ব্ৰহ্মাসদ্ভাব, চতুৰ্থ—জ্ঞান বা ধ্যানত ভগবানৰ লগত চিত্ত সংযোগ, পঞ্চম—ভগৱৎ-শৰণাগতি, ষষ্ঠ—আত্মৌপম্যদৃষ্টি অথবা সাম্যবুদ্ধি, সপ্তম—উপসনা, ভগৱৎ-কৰ্ম, জীৱ-সেৱা আৰু স্বধৰ্মপালন আৰু অষ্টম—সাধনা বা ত্যাগানুশীলন। স্মৰণ কৰা উচিত যে ওপৰত উল্লেখ কৰা 'ধৰ্ম' শব্দ কোনো সাম্প্ৰদায়িক মত বা সাধন-প্ৰণালী অৰ্থত ব্যৱহৃত হোৱা নাই।

এই নিবন্ধত গীতা সম্পৰ্কে মহাত্মা গান্ধীৰ মত কি তাৰ চমু আভাস দিয়া হৈছে। এবাৰ তেওঁৰ জনৈক বন্ধুৱে (১৯২৫ চনত) গীতা সম্পৰ্কে তেওঁক এটা প্ৰশ্ন কৰিছিল। বন্ধুজনে গীতাৰ বাণীত পৰস্পৰ বিৰোধী অৰ্থ লক্ষ্য কৰি তাৰ মীমাংসা বিচাৰি গান্ধীজীৰ মত বিচাৰিছিল।

গান্ধীজীৰ বন্ধুজনে অৱতাৰণা কৰা প্ৰশ্নটো আছিল এনে ধৰণৰ :

'গীতাৰ বাণী সম্পৰ্কে বাদানুবাদ আছে—গীতাৰ বাণী হিংসাৰ সপক্ষে নে অহিংসাৰ সপক্ষে? এই বাদানুবাদ সুদীৰ্ঘ কাল চলি থাকিব যেন অনুমান হয়। গীতা অধ্যয়ন কৰি আমি অৰ্থ লাভ কৰোঁ—সেইয়া এটা বিষয়; গীতা পঢ়ি আমি তাৰ পৰা কি পাবলৈ বিচাৰোঁ—সেইয়া আন এটা বিষয়; আৰু গীতা নিৰপেক্ষভাৱে পঢ়িলে কি বাণী পোৱা যায়—সেইয়া তৃতীয় বিষয়। গতিকে যিজনে অহিংস ধৰ্মক, জীৱনৰ সনাতন নৈতিক বিশ্বাসেৰে গ্ৰহণ কৰে, তেওঁ গীতা সন্দৰ্ভত মই উত্থাপন কৰা প্ৰশ্নটোৰ উত্তৰ উপলব্ধি কৰিবলৈ কোনো অসুবিধা নাপায়। গীতাই যদি অহিংসাৰ বাণী শিকায়, তেতিয়া গীতাৰ বাণী গ্ৰহণীয় বুলি কব। গীতাৰ দৰে এখন মহান শাস্ত্ৰই অহিংস ধৰ্মতকৈ আন কোনো উৎকৃষ্ট শিক্ষা দিব নোৱাৰে। গীতাই যদি এনে উপদেশ নিদিয়ে, তেন্তে মোৰ মানত এই গ্ৰন্থ নিৰ্ভুল নিৰ্দেশক গ্ৰন্থ হৈ নাথাকে; মোৰ মানত গীতা পৰম শ্ৰদ্ধাৰ পাত্ৰ হ'ব পাৰে কিন্তু নিৰ্ভুল আৰু বিশ্বাসযোগ্য নিৰ্দেশক গ্ৰন্থ হ'ব নোৱাৰে।

'প্ৰথম অধ্যায়ত (গীতাৰ) অৰ্জুনে অহিংস ধৰ্মৰ প্ৰভাৱত অস্ত্ৰ সম্বৰণ কৰা পাওঁ আৰু তেওঁ কৌৰৱৰ হাতত মৃত্যু বৰণ কৰিবলৈ সাজু হোৱা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

দেখা যায়। হিংসা-কাৰ্যত অৰ্জুনে পাপ আৰু বিপৰ্যয়ৰ দৃশ্য অনুমান কৰে; অনুমান কৰি ভয় আৰু দ্বিধাভাৱত চিঞৰি উঠে— আমি কি মহাপাপ কৰিবলৈ ওলাইছোঁ। অৰ্জুনৰ এই অৱস্থা দেখি শ্ৰীকৃষ্ণই অৰ্জুনক সম্বোধন কৰি কৈছিল— কোনো লোকে আনক বধ নকৰে বা নিজে হত হবলৈ নিবিচাৰে। আত্মা অমৰণ; শৰীৰৰ ধ্বংস কিন্তু অনিবাৰ্য। সেই কাৰণে তুমি তোমাৰ উপস্থিত কৰ্তব্য পালন কৰা। জয় বা পৰাজয় তোমাৰ বিচাৰ্য বিষয় নহয়। তুমি তোমাৰ কৰ্তব্যত ব্ৰতী হোৱা।

গীতাৰ একাদশ অধ্যায়ত কৃষ্ণই বিশ্বৰ এটা থুলমূল ছবি দাঙি ধৰি কৈছিল: মই সকলো লোকৰ ক্ষয়কাৰী মহাকাল, এতিয়া মই এই লোকসকল সংহাৰ কৰিবলৈ প্ৰবৃত্ত হৈছোঁ। তুমি যুদ্ধ নকৰিলেও প্ৰতিপক্ষৰ সৈন্য বাহিনীৰ যি সকল যুদ্ধত অৱতীৰ্ণ হৈছে তেওঁলোকৰ কোনো জীৱিত নাথাকিব। (কালোহস্মি লোকক্ষয়কৃৎ প্ৰবৃদ্ধো লোকান সমাহৰ্তুমিহ প্ৰবৃত্তঃ। ঋতেহপি ত্বাং ন ভবিষ্যন্তি সৰ্বে যেহৱস্থিতাঃ প্ৰত্যেনীকেষু যোধাঃ॥

(অঃ ১১। শ্লোক৩২)

'হিংসা আৰু অহিংসা ভগৱানৰ মানত সমপৰ্যায়ৰ। কিন্তু ভগৱানে কি বাণী দিছে? তুমি যুঁজ কৰা, কাৰণ তেতিয়া তুমি শত্ৰুপক্ষক ক্ষেত্ৰত বিনাশ কৰিব পাৰিবা। যদি গীতাই অহিংস বাণীৰ শিক্ষা দিয়ে, তেন্তে (গীতাৰ) প্ৰথম আৰু এক'দশ অধ্যায়ৰ লগত আন অধ্যায়কিটাৰ মিল নাই, অন্ততঃ এই অধ্যায়কিটাই অহিংসবাদ সমৰ্থন নকৰে'।

গান্ধীজী উত্তৰ:

'বন্ধুজনৰ প্ৰশ্নটো সনাতন। যিয়ে গীতা অধ্যয়ন কৰে, তেওঁ নিজে তাৰ মীমাংসা বা উত্তৰ বিচাৰি উলিয়াব লাগিব। মই মোৰ উত্তৰ দিবলৈ উদ্যত হৈছোঁ যদিও মই জানো যে কোনো লোক নিজ বিচাৰ-বুদ্ধিৰ দ্বাৰা পৰিচালিত নহয়, সৰ্বশেষত পৰিচালিত হয় নিজ হৃদয়ৰ দ্বাৰা। হৃদয়ত সিদ্ধান্ত জন্মে আৰু মনে তাক যুক্তিযুক্ত বুলি গ্ৰহণ কৰে।

বিশ্বাসৰ পৰা যুক্তি উদয় হয়। মানুহে নিজ কাৰ্যাৰ সমৰ্থনত যুক্তি উদ্ভাৱন কৰে। যি সকলে গীতা সম্পৰ্কে মোৰ ব্যাখ্যা গ্ৰহণ নকৰে, তেনে লোকৰ অৱস্থা মই বুজি পাওঁ। গীতাৰ বাণী মই কিদৰে উপলব্ধি কৰিছোঁ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

আৰু এই উপলব্ধি লাভ কৰাত মই কি ব্যাখ্যা-নীতি লৈছো তাকেহে কৰলৈ প্ৰয়াস কৰিছো। মই জয়ী হওঁ বা নহওঁ, মই মোৰ সিদ্ধান্তৰ হকে যুঁজিম।

'গীতাৰ লগত মোৰ প্ৰথম পৰিচয় হয় ১৮৮৯ চনত তেতিয়া মোৰ বয়স ২০ বছৰ। অহিংসা সম্পৰ্কে মোৰ কোনো ধাৰণা নাছিল। গুজৰাটী কবি শ্যামল ভট্টৰ এশাৰী কবিতাৰ পৰা শত্ৰুক কি ভাৱে জয় কৰিব পাৰি তাক জানিছিলোঁ। সেই শিক্ষা মোৰ হৃদয়ত আজিও গাঢ় হৈ আছে। কিন্তু তাৰ পৰা অহিংস নীতিক সনাতন হিচাপে মই গ্ৰহণ কৰা নাছিলোঁ। এই নীতিয়ে সকলো প্ৰাণীক সামৰি লোৱা নাছিল। ভাৰতত থাকোঁতে মই মাংস ভক্ষণ কৰিছিলোঁ। সাপৰ দৰে সৰীসৃপ জীৱ বধ কৰাটো কৰ্ত্তব্য বুলি ভাবিছিলো। এতিয়া মোৰ বিশ্বাস জন্মিছে যে অহিংস নীতিত বিশ্বাসীলোকে বিষাক্ত প্ৰাণীকো বধ কৰিব নালাগে। সেই সময়ত আমি বৃটিছৰ বিৰুদ্ধে যুঁজিবৰ বাবে সক্ষম হবলৈ শিকিছিলোঁ। বৃটিছৰ লগত যুঁজিবলৈ প্ৰচেষ্টাৰ মাংসাহাৰী হোৱাটো মোৰ প্ৰথম পদক্ষেপ আছিল। বিলাতলৈ যোৱাৰ আগত মোৰ সেই অৱস্থা আছিল। বিলাতত কিন্তু মই মাংস খোৱাৰ পৰা বিৰত আছিলোঁ, কাৰণ মোৰ মাতৃৰ ওচৰত কৰা প্ৰতিজ্ঞা মোৰ মৃত্যুলৈকে পালন কৰিবলৈ দৃঢ় আছিলোঁ। সত্যৰ প্ৰতি থকা প্ৰেমে মোক বহুত আপদৰ পৰা ৰক্ষা কৰিছিল।'

'বিলাতত দুজন ইংৰাজ বন্ধুৰ লগত হোৱা চিনাকীয়ে গীতা পঢ়িবলৈ মোক বাধ্য কৰিছিল। 'বাধ্য কৰিছিল' বুলি কৈছো এই কাৰণে যে মই স্বেচ্ছায় গীতা পঢ়া নাছিলো। বন্ধুদ্বয়ে মোক গীতা পঢ়িবলৈ দিয়াত গীতা সম্পৰ্কে মোৰ অজ্ঞতাৰ বাবে লজ্জিত হৈছিলো। শাস্ত্ৰ পুথি সম্পৰ্কে মোৰ চৰম অজ্ঞতা বুজি মই অত্যন্ত বেদনা অনুভৱ কৰিছিলোঁ। এই অনুভূতিৰ বাবে বোধহয় মোৰ অহংভাৱ দায়ী আছিল। গীতাৰ শ্লোক বুজিবলৈ সংস্কৃতত মোৰ যথেষ্ট জ্ঞান নাছিল। ইংৰাজ বন্ধুদ্বয়ৰো সংস্কৃতৰ জ্ঞান নাছিল। তেওঁলোকে মোক ছাৰ এডুইন্ আৰ্নল্ডৰ গীতাৰ চমৎকাৰ ভাঙনী পঢ়িবলৈ দিছিল। এই পুথিখন মই আদিৰ পৰা অন্তলৈ পঢ়িছিলোঁ। আৰু পঢ়ি মুগ্ধ হৈ পৰিছিলোঁ। (গীতাৰ) দ্বিতীয় অধ্যায়ৰ শেষৰ ১৯টা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

শ্লোক মোৰ অন্তৰত চাপ মৰা আছে। এই শ্লোককিটাৰ অৰ্থ চিৰন্তন সত্য; তাত যুক্তি আছে আৰু শ্লোককিটা মোৰ পক্ষে জ্ঞানৰ ভাণ্ডাৰ।

'তাৰ পাছতো মই গীতাৰ বিভিন্ন অনুবাদ আৰু ভাষ্য পঢ়িছোঁ; আন্তৰিকতাৰে মই তাৰ যুক্তিবোৰ বিচাৰ-বিবেচনা কৰিছোঁ। তথাপি গীতাই মোৰ হৃদয়ত পোন প্ৰথমে যি প্ৰভাৱ পেলাইছিল সি মাৰ যোৱা নাই। উক্ত শ্লোককিটা গীতাৰ ব্যাখ্যাৰ ক্ষেত্ৰত চাবিস্বৰূপ। যিকিটা শ্লোক উক্ত শ্লোকৰ লগত অমিল, তেনে শ্লোককিটা গ্ৰহণ নকৰিব পাৰি। কিন্তু বিনয়ী শিক্ষাৰ্থীয়ে কোনো বিষয় অগ্ৰাহ্য নকৰে। অৱশ্যে তেওঁ কব পাৰে, মোৰ জ্ঞানেৰে পৰস্পৰ বিৰোধী অৰ্থৰ মীমাংসা কৰিবলৈ মই অসমৰ্থ; ভৱিষ্যতে মীমাংসাও আহিব পাৰেঁ।.... '

গীতাৰ প্ৰকৃত ব্যাখ্যা কৰিবলৈ একাগ্ৰতাবিশিষ্ট অধ্যয়ন আৰু অভিজ্ঞতাৰ প্ৰয়োজন। শূদ্ৰই শাস্ত্ৰ পঢ়াত বাধা আছে। এই বাধা সম্পূৰ্ণ যুক্তিহীন নহয়। শূদ্ৰ শব্দই আধ্যাত্মিকতাত অজ্ঞলোকক বুজায়। এনে লোকে বেদ আৰু আন শাস্ত্ৰ ভুলভাৱে ব্যাখ্যা কৰাৰ ভয় আছে। প্ৰত্যেক ব্যক্তিয়ে জ্যামিতিৰ উপপাদ্য প্ৰমাণ কৰিব নোৱাৰে। তাৰ বাবে বুনিয়াদী শিক্ষাৰ প্ৰয়োজন। পাপীলোকে 'মই ব্ৰাহ্মণ' বুলি কোৱাটো সত্যৰ অপলাপ।

'যিলোকে শাস্ত্ৰ ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰে তেওঁৰ আধ্যাত্মিকতা-মূলক নিয়মানুবৰ্তিতা থাকিব লাগে। তেওঁ আচৰণৰ নীতি-নিয়মক সনাতনী নিৰ্দেশক হিচাপে মানি লব লাগে। নীতি-নিয়মৰ বাহ্যিক ব্যৱহাৰ অৰ্থহীন। শাস্ত্ৰৰ বিধানমতে প্ৰত্যেক ব্যক্তিৰ এজন গুৰু থাকিব লাগে। আজি-কালি গুৰু দুৰ্লভ হোৱা কাৰণে ঋষি-মুনিসকলে ভক্তিমূলক আধুনিক পুথিৰ ব্যৱস্থা ৰাখিছে। যি লোক ভক্তিবাদ আৰু ধৰ্মত নিঃকিন, তেনে লোকে শাস্ত্ৰৰ পাণ্ডিত্যপূৰ্ণ ব্যাখ্যা দিব পাৰে, প্ৰকৃত ব্যাখ্যা হ'ব নোৱাৰে। শাস্ত্ৰৰ প্ৰকৃত ব্যাখ্যা একমাত্ৰ অভিজ্ঞলোকেহে দিব পাৰে।

তথাপি অভিজ্ঞলোকৰ কাৰণেও কিছুমান নীতি নিৰ্ণীত আছে। সত্যৰ লগত যি ব্যাখ্যাৰ মিল নাই, সি ব্যাখ্যা হব নোৱাৰে। যিলোক সত্যৰ সন্দিহান তেওঁৰ বাবে শাস্ত্ৰ অৰ্থহীন। তেনেলোকৰ প্ৰতি কাৰো প্ৰত্যয় নাই। যিয়ে শাস্ত্ৰত সত্য বিচাৰি নাপায়, তেওঁ বিপদমুখী, যদিও

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ধ্বংসমুখী নহয়। সত্য সৎ-ইতিবাচক, অহিংসা নেতিবাচক। বাস্তৱতাৰ অন্য ৰূপ সত্য, অহিংসা অবাস্তৱ। তথাপি অহিংসা শ্ৰেষ্ঠ ধৰ্ম। সত্য স্বতঃসিদ্ধ, অহিংসা তাৰ পূৰ্ণ ফল। ই সত্যত বিদ্যমান, কিন্তু যিহেতু ই চাক্ষুষ নহয়, এজন ব্যক্তিয়ে অহিংস ধৰ্ম গ্ৰহণ কৰি শাস্ত্ৰ ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰিব পাৰে। তেওঁ যদি সত্য মানি লয়, তেন্তে তেওঁ অহিংসাবাদ গ্ৰহণ কৰিবই।

'সৎ-উপলব্ধিৰ বাবে দৈহিক ত্যাগৰ আৱশ্যক। এজন ঋষিয়ে হিংসাৰ পৰিৱেশত থাকি অহিংসাবাদ লাভ কৰিছিল আৰু কৈছিল: 'হিংসা অবাস্তৱ, অহিংসা বাস্তৱ'। অহিংসাবাদ ব্যতিৰেকে সৎ-উপলব্ধি অসম্ভৱ। ব্ৰহ্মচৰ্য অস্তেয় আৰু অপৰিগ্ৰহ অহিংসা প্ৰাপ্তিৰ উপায়। অহিংসা সত্যৰ প্ৰাণস্বৰূপ। অহিংসাবিহীন মানুহ জন্তুতকৈয়ো নীচ। সত্যসন্ধানী লোকে সত্য অন্বেষণত সেই কথা উপলব্ধি কৰে আৰু শাস্ত্ৰ ব্যাখ্যা কৰাত কোনো কষ্ট নাপায়।

'শাস্ত্ৰৰ আন এটা নিয়ম যে শাস্ত্ৰৰ মৰ্মহে বুজিব লাগে, আক্ষৰিক অৰ্থ নহয়। তুলসীদাসৰ ৰামায়ণ পৱিত্ৰতা, ধৰ্মনিষ্ঠা আৰু দয়াৰ এখন মহান গ্ৰন্থ। তাত এটা শ্লোক আছে যিটো শ্লোকে খল, শূদ্ৰ মূৰ্খ আৰু নাৰী একশ্ৰেণীৰ বুলি কৈছে আৰু এই শ্ৰেণীক শাস্তি দিব লাগে। যিজনে নিজৰ ঘৈণীয়েকক শাস্তি দিয়াৰ সপক্ষে উক্ত শ্লোকটো আওৰায়, তেনে ব্যক্তি ৰসাতললৈ যাবলৈ বাধ্য। ৰামে ঘৈণীয়েকক শাস্তি দিয়া নাছিল, আনকি ঘৈণীয়েকক অসন্তুষ্ট কৰাৰ কথাও কেতিয়াও ভবা নাছিল। সেই কালৰ জনশ্ৰুতি এটাহে তুলসীদাসে ৰামায়ণত সন্নিবিষ্ট কৰিছিল, কিন্তু কদাপি কল্পনা কৰা নাছিল যে এনে কিছুমান নিৰ্মম লোক ওলাব যিয়ে তেওঁলোকৰ ঘৈণীয়েকসকলক শাস্তি দিয়াৰ সপক্ষে যুক্তি দৰ্শাবলৈ সেই শ্লোকটো ব্যৱহাৰ কৰিব। স্বয়ং তুলসীদাসে যদি সেই সময়ৰ এটা প্ৰথা মানি ঘৈণীয়েকক শাস্তি দিছিল, তাতে কি হ'ল? শাস্তি দিয়াটো নিশ্চয় অন্যায় কাম আছিল। কিন্তু গিৰিয়েকহঁতে ঘৈণীয়েকহঁতক শাস্তি বিহাৰ যুক্তিযুক্ততা দেখুৱাবলৈ ৰামায়ণ ৰচিত হোৱা নাছিল। ৰামায়ণ ৰচনা কৰা হৈছিল ৰামক এজন আদৰ্শৱান পুৰুষ, সীতাক এগৰাকী আদৰ্শৱতী নাৰী আৰু ভৰতক এজন আদৰ্শৱান ভ্ৰাতৃ হিচাপে বৰ্ণনা কৰিবলৈহে।

—৯

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

যিবোৰ কুপ্রথাৰ কথা তাত উল্লেখ কৰা আছে সেইবোৰ বৰ্জন কৰিব লাগে। তুলসীদাসে তেওঁৰ এই অমূল্য গ্রন্থখন ভূগোলৰ শিক্ষাদানৰ বাবে ৰচনা কৰা নাছিল; আমি যদি তাত ভূগোলৰ অশুদ্ধ তথ্য পাওঁ, তেন্তে আমি তাক থোৰতে প্রত্যাখ্যান কৰিব লাগে।

'এই উক্তিবোৰৰ পৰিপ্রেক্ষিতত আমি গীতা বিশ্লেষণ কৰোহঁক। আত্ম-উপলব্ধি আৰু তাৰ উপায় গীতাৰ মূল কথা; দুটা সৈন্য-বাহিনীৰ যুদ্ধখন সেই মূল বিষয়টো চিত্রিত কৰাৰ উদ্দেশ্যেহে বৰ্ণনা কৰা হৈছে। আপুনি হয়তো কব পাৰে যে গ্রন্থকাৰ নিজে যুদ্ধৰ বিৰোধী নাছিল আৰু সেই বাবে তাত তেওঁ যুদ্ধৰ কাহিনী দিবলৈ ইতস্ততঃ কৰা নাছিল। কিন্তু মহাভাৰত পঢ়ি মোৰ ধাৰণা সম্পূৰ্ণ বেলেগ হৈছে। কবি ব্যাসে উক্ত অমৰ গ্রন্থৰ জৰিয়তে যুদ্ধৰ অনাৱশ্যকতা প্রমাণ কৰিছে। কবিয়ে প্রশ্ন কৰিছে, কৌৰৱসকল হাৰিলেই বা, তাত কি হ'ল? পাণ্ডৱসকল জিকিলেই বাৰু কি হব? বিজিতাসকলৰ কিমানজন থাকিল আৰু তেওঁলোকৰ কি দশা হৈছিল? মাতৃ কুন্তীৰ শেহত কি দশা হ'ল?

'মহান গ্রন্থখনত যুদ্ধ আৰু হিংসাৰ যি বৰ্ণনা আছে, সি যদি গ্রন্থখনৰ বিষয়বস্তু নহয়, তেন্তে সেই দিশত গুৰুত্ব দিয়াৰ প্রয়োজন নাই। অহিংস বাণীৰ লগত কিছুমান শ্লোকৰ মিল নাই বুলি সমস্ত গীতাখন হিংসাৰ ঠাঁচত খাপখুৱাই দিয়া কঠিন।

'গীতাৰ মূল শিক্ষা হিংসাবাদ নহয়, অহিংসাবাদহে। দ্বিতীয় অধ্যায়ৰ পৰা আৰম্ভ কৰি অষ্টাদশ অধ্যায়লৈকে তাক সংক্ষিপ্তভাবে বৰ্ণনা কৰা আছে। বাকী অধ্যায়টোৱেও তাকে সমৰ্থন কৰে। খং, স্পৃহা, ঈৰ্ষা অবিহনে হিংসা প্রবৃত্তি জন্মিব নোৱাৰে। গীতাই আমাক সত্বঃ, তমঃ আৰু ৰজঃ ৰ উৰ্ধলৈ নিয়ে য'ত হিংসা, ঈৰ্ষা আদিৰ স্থান নাই। কিন্তু অৰ্জুনে ধনু কান্ধত ৰাখি প্রতিক্ষণতে যে চকু ৰঙা কৰিছিল তাক মই আজিও অনুমান কৰোঁ।

'অৰ্জুনে অহিংসাৰ বশবৰ্তী হৈ যুদ্ধত অৱতীৰ্ণ হবলৈ অস্বীকাৰ কৰা নাছিল। তাৰ পূৰ্বে তেওঁ কেবাখনো যুদ্ধ কৰিছিল। এইবেলি তেওঁ কিন্তু ভুৱা দয়াৰ দ্বাৰা অভিভূত হৈছিল আৰু নিজৰ অঙহী-বঙহী সকলক

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

বধ কৰিবলৈ ইতস্ততঃ কৰিছিল। অৰ্জুনে নিধন কৰাৰ বিষয়টো ভৱাই নাছিল। শ্ৰীকৃষ্ণই প্ৰত্যেক লোকৰ অন্তৰৰ চিন্তা-ভাবনা জানিছিল আৰু অৰ্জুনৰ ক্ষণিক ইতবুদ্ধিৰ গম পাইছিল। সেইবাবে শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল—'তুমি পূৰ্বতে হত্যাকাণ্ড কৰিছা আৰু এতিয়া অহিংসাবাদৰ যুক্তি দৰ্শাব নোৱাৰিবা। তুমি আগেয়ে যি কাৰ্য কৰিছিলা আজিও সেই কাৰ্য সম্পন্ন কৰা।' স্কটচ্ এক্সপ্ৰেছ ৰেল গাড়ীত ভ্ৰমণকাৰী এজনে যদি ভ্ৰমণ ভাগকৰা হৈ ৰেলখনৰ পৰা জাপ মাৰি ওলাই যায়, তেন্তে সেই যাত্ৰীজন আত্মহত্যাৰ দোষত দোষী হয়। এনে যাত্ৰীজনে ভ্ৰমণৰ নিৰৰ্থকতা শিকা নাই। অৰ্জুনৰ ক্ষেত্ৰতো সেই একে কথা প্ৰযোজ্য। অহিংস কৃষ্ণই অৰ্জুনক বিকল্প উপদেশ দিব নোৱাৰিছিল। এটা বিশেষ উপলক্ষে নিধন কৰাৰ বাবে দিয়া উপদেশৰ কাৰণে গীতাই বাণী দিয়ে বা যুদ্ধ সমৰ্থন কৰে বুলি ধৰিলে চৰম ভুল কৰা হব, যেনেকৈ দৈনন্দিন জীৱনত কেতিয়াবা কেতিয়াবা হিংসাত্মক কাম অনিবাৰ্য হোৱাত তেনে কামত প্ৰবৃত্ত হলে হিংসাক জীৱনৰ নিয়ম বুলি কলে ভুল হব। যিজনে গীতাৰ মৰ্ম অধ্যয়ন কৰে তেওঁক গীতাই অহিংসাবাদৰ গূঢ় কথা শিকায়, দৈহিক আকাৰৰ ভিতৰেদি আত্ম উপলব্ধিৰ গূঢ় কথাও শিকায়।

'ধৃতৰাষ্ট্ৰ, যুধিষ্ঠিৰ আৰু অৰ্জুন কোন? কৃষ্ণই বা কোন? এওঁলোক ইতিহাসৰ চৰিত্ৰ নে? গীতাই এওঁলোকক সেইদৰে বৰ্ণনা কৰে নে? যুদ্ধক্ষেত্ৰত অৰ্জুনে হঠাৎ থমকি কৃষ্ণক প্ৰশ্ন কৰিছিল বোলা কথাটো সঁচানে? বা কৃষ্ণই অৰ্জুনৰ আগত গীতাৰ পূৰ্ণপাঠ কৰিছিল নে?

'দুৰ্যোধন আৰু তেওঁৰ সঙ্গীসৱক মই অত্যন্ত নীচমনা বুলি জ্ঞান কৰোঁ; আনহাতে, অৰ্জুন আৰু তেওঁৰ সঙ্গীসৱক উচ্চমনা বুলি ভাবোঁ। আমাৰ শৰীৰটো এখন যুদ্ধক্ষেত্ৰ। দুটা পক্ষৰ মাজত এই যুদ্ধ অনন্ত কাললৈ চলি আছে। ঘড়িত যেনেকৈ চাবি দিব লাগে, হৃদয়তো পবিত্ৰতাৰ চাবি দিব লাগে, অন্যথাই অন্তৰ্যামীজন বাক্যহীন হৈ পৰে।

'প্ৰকৃত শাৰীৰিক যুদ্ধৰ প্ৰশ্ন যে উঠিব নোৱাৰে তেনে নহয়। অহিংসাৰ বিষয়ে যিসকলৰ জ্ঞান নাই, তেওঁলোকক গীতাই নৈৰাশ্য নিশিকায়। যাৰ ভয় আছে, যিয়ে নিজক ৰক্ষা কৰিবলৈ প্ৰয়াস কৰে, যিয়ে নিজৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ৰিপুৰ ওচৰত বশ্যতা মানি লয়, তেনে লোক শাৰীৰিক যুদ্ধত অৱতীৰ্ণ হবলৈ বাধ্য, কিন্তু সেইটো ধৰ্ম নহয়। ধৰ্ম এটা, মাত্ৰ এটা। অহিংসা মানে মোক্ষ আৰু মোক্ষ মানে সৎ উপলব্ধি। তাত কাপুৰুষতাৰ স্থান নাই। এই অদ্ভুত সংসাৰখনত হিংসা অনন্ত কাললৈ বৰ্তি থাকিব। গীতাই তাৰ পৰা ৰক্ষা পাবৰ পথ দিয়ে; কিন্তু কাপুৰুষালিতকৈ যুদ্ধত বধ কৰা বা নিজে মৃত্যুবৰণ কৰা বহুত শ্ৰেয়।'

শেহত গান্ধীজীয়ে কয় যে প্ৰশ্নকৰ্তা বন্ধুজনে যদি তেওঁৰ উদ্ধৃত শ্লোকৰ দ্বাৰা গীতাৰ অৰ্থ পৰিষ্কাৰ ভাবে নুবুজে তেন্তে "মই তাক পৰিষ্কাৰকৈ বুজাববলৈ অপাৰগ। পৰমেশ্বৰক স্ৰষ্টা, ৰক্ষক আৰু সংহাৰক হিচাপে গ্ৰহণ কৰিব লাগিব নে? তেওঁ যদি স্ৰষ্টা, সংহাৰ কৰিবলৈ তেওঁৰ অধিকাৰ আছে। পৰমেশ্বৰৰ নিয়ম যে জন্মিলে মৰিব লাগিব আৰু তাতেই পৰমেশ্বৰৰ দয়া বিৰাজমান। তেওঁৰ নিয়ম অপৰিৱৰ্তনীয়। তেওঁৰ এই নিয়ম যদি ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট ভাবে পৰিৱৰ্তন হয়, তেন্তে আমাৰ স্থিতি কত?"

তেওঁৰ আত্ম-জীৱনী তথা 'মোৰ সত্য অন্বেষণৰ কাহিনী'ত গান্ধীজীয়ে তলত দিয়া ভাবে উল্লেখ কৰিছে: 'মোৰ কাৰণে গীতা আচৰণৰ নিৰ্ভুল নিৰ্দেশক হৈ পৰিছিল। দৈনন্দিন জীৱনত গীতাখন মোৰ অভিধান হৈছিল। মই নজনা ইংৰাজী শব্দৰ অৰ্থৰ বাবে যেনেকৈ ইংৰাজী অভিধান ব্যৱহাৰ কৰিছিলোঁ, সেইদৰে আচৰণৰ এই অভিধান (গীতা) খন ব্যৱহাৰ কৰিছিলোঁ যাতে মই মোৰ সকলো সমস্যাৰ সমাধান পাওঁ।'

যতেক অনৰ্থ আছে এই সংসাৰত
তাৰ মাঝে তিনিবিধ সাৰ।
কাম ক্ৰোধ লোভ আপুন-নাশন
জানি সবে কৰা পৰিহাৰ॥

নামঘোষা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতাৰ পাতনি আৰু প্ৰয়োজনীয়তা

শ্ৰীনিত্যানন্দ বৰুৱা

পদ্ম পুৰাণৰ মতে এদিন বিষ্ণু অনন্ত শয্যাত শুই আছিল। লক্ষ্মী-দেৱীয়ে কাষতে বহি ভৰি পিটিকি আছিল। এনেতে লক্ষ্মীদেৱীয়ে মন কৰিলে যে, মহাপ্ৰভু ঘোৰ নিৰ্দ্ৰামগ্ন। আকৌ ঘূৰি আহি চালে প্ৰভুৰ টোপনি নহয়, তন্দ্ৰাহে। এনেকৈ চাই থাকোঁতে বিষ্ণুয়ে সাৰ পালে। লক্ষ্মীদেৱীয়ে সুধিলে "প্ৰভু, আপোনাৰ ইমান টোপনি হলেনো" এই সংসাৰখন কেনেকৈ চলিব ?" তেতিয়া বিষ্ণুয়ে উত্তৰ দিলে "দেৱী ! তুমি নাজানা মোৰ টোপনি অহা নাই ; মই এটা কথা ভাবি আছো। কথাটো হৈছে, এখন গধূৰ গ্ৰন্থ লিখিব লাগে। অৰ্থাৎ মোৰ আৰু অৰ্জ্জুনৰ মাজত কুৰুক্ষেত্ৰৰ যুদ্ধত যি কথা-বাৰ্ত্তা হৈছিলো তাকেই গ্ৰন্থৰ ৰূপত প্ৰকাশ কৰিব লাগে য'ত, ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ মূল হব। ঘোৰ কলি যুগত পাপী-তাপী সকলে ইয়াক পঢ়িলে শান্তি পাব।" এনেতে নাৰদ আহি বিষ্ণুৰ ওচৰত উপস্থিত হ'ল। তেতিয়া নাৰদক পৃথিৱীলৈ পঠাই তেওঁৰ দ্বাৰা ব্যাসকেই সেই কাম কৰিব ক'লে। ব্যাসদেৱৰ আন এটি নাম কৃষ্ণদ্বৈপায়ন। ব্যাসেই সংস্কৃতত মহাভাৰতত, পুৰাণ, ভাগৱত আদি ৰচনা কৰি অক্ষয় অমৰ কীৰ্ত্তি ৰাখি গ'ল। ব্যাসৰ সুললিত ছন্দত লিখা গীতা আজিও বিশ্বৰ পণ্ডিত সকলৰ মাজত অতি আদৰৰ আৰু ভক্তিৰ নিধি হৈ আছে।

গীতাশাস্ত্ৰ প্ৰকৃতি আৰু পুৰুষৰ মিলন-শাস্ত্ৰ। লক্ষ্মীয়ে বিষ্ণুক সুধিলে "প্ৰভু গীতাখননো কি বস্তু ?" তেতিয়া বিষ্ণুয়ে কৈছিল—"গীতাৰ অৰ্থ তোমাক কবলৈ হলে তুমি বিষ্ণুৰূপী হ'ব লাগিব। তেতিয়াহে গীতাৰ অৰ্থ পাবা।" তেতিয়া লক্ষ্মীও হাতত শঙ্খ-চক্ৰ, গদা-পদ্ম লৈ বিষ্ণুক

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ধ্যান কৰি বিষ্ণুৰূপ ধাৰণ কৰিলে তেতিয়াই লক্ষ্মীয়ে গীতাৰ সকলো অৰ্থ বুজি পালে।

অপৰেয়ম ইতঃ ত্বন্যাং প্ৰকৃতিং বিদ্ধিমে পৰাম্
জীৱ ভূতাং মহাবাহু যৱেদং ধাৰ্য্যতে জগৎ ॥
(গীতা-৭-৫)

অৰ্থাৎ পৰমপুৰুষ বিষ্ণুৱেই পৰমব্ৰহ্ম। তেওঁৰ বাহিৰে জগতত যি আছে সকলো প্ৰকৃতি। গোটেই প্ৰকৃতিখনেই পৰম পুৰুষৰ আশ্ৰয়ত আছে। পৰম ব্ৰহ্মৰূপে থাকি জীৱক চৈতন্য শক্তি প্ৰদান কৰিছে। সকলো জীৱ তেওঁৰে অধীন। পুৰুষ আৰু প্ৰকৃতিৰ উৎপত্তিৰ মূল কাৰণ। যেতিয়াই লোকে পৰম পুৰুষ বিষ্ণুৰ বিষয়ে অৱগত হয় আৰু কাম, ক্ৰোধ, লোভ, মোহ আদি দুষ্ট প্ৰবৃত্তিবোৰ ত্যাগ কৰিব পাৰে তেতিয়াই মানুহৰ মুক্তি হয় বা মোক্ষ লাভ কৰি পৰম ব্ৰহ্মত লীণ হয়। কৃষ্ণই সত্য-সনাতন প্ৰেম আৰু কৰুণাৰ মূৰ্ত্ত প্ৰকাশ।

মতঃ পৰতৰং নান্যৎ কিঞ্চত্ অস্তি ধনঞ্জয়।
ময়ি সৰ্বামিদং প্ৰোতং সুত্ৰে মণি গনাইব।

হে অৰ্জুন, ময়েই সত্য সনাতন পৰম ব্ৰহ্ম। মোতেই সকলো জীৱ অৱস্থিত। যেনেকৈ সূতাত মণিয়ে আশ্ৰয় লৈ থাকে তেনেকৈ জগতৰ সকলোৱে মোতেই আশ্ৰয় লৈ আছে।

এই গীতাৰ ব্যাখ্যা ভগৱান শ্ৰীকৃষ্ণৰ গুণ গৰিমা, শ্ৰৱণ কীৰ্ত্তন কৰিলে সদ্যমুক্তি প্ৰাপ্ত হয়।

গঙ্গা গীতাচ সাবিত্ৰী সীতা সত্যা পতিব্ৰতা
ব্ৰহ্মাবলি ব্ৰহ্মবিদ্যা ত্ৰিসন্ধ্যা মুক্তি গেহিনী

ভাৰতবৰ্ষত শত-শত যুগ আগৰে পৰাই ঋষিমুনি সকলৰ কণ্ঠৰ পৰা ওলোৱা গীতাৰ অমৃত বাণীয়ে শোক-তাপত জৰ্জৰিত মানৱক শান্তি দি আহিছে। এইটো বৰ গৌৰৱৰ কথা যে পৃথিৱীৰ উন্নতশীল দেশবোৰে গীতাৰ ভাঙনী কৰি নিজ নিজ দেশত বহুল প্ৰচাৰ কৰিছে। বিশ্ববিদ্যালয় বিলাকত গীতা-সাহিত্য ছাত্ৰৰ পঢ়িব লগীয়া জ্ঞান-সাহিত্যত পৰিগণিত কৰিছে। ধৰ্মজ্ঞানত উদ্ধৰ হবলৈ হলে গীতাৰ ভাৱাৰ্থ উপলব্ধি কৰিব লাগিব। মহামানৱ মহাত্মা গান্ধীয়েও গীতাৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

পৰাই অহিংস আন্দোলনৰ আদর্শ গ্রহণ কৰি হৰতাল, সত্যাগ্রহ আদিক স্বাধীনতা সংগ্রামৰ প্রধান অস্ত্র হিচাপে লৈ জয়ী হৈ পৃথিবীত যুগমীয়া কীৰ্ত্তি ৰাখি থৈ গ'ল। পৃথিবীৰ নানা জাতিয়েই এই অহিংস আন্দোলনৰ আদর্শক নেওচি সংগ্রাম চলাই মানৱক ব্যতিব্যস্ত কৰি তুলিছে। গীতা অধ্যয়ন জগতৰ কাৰণে অমৃত স্বৰূপ। ই ৰাজনীতি, ধৰ্মনীতি আৰু সাহিত্যৰ ভৰাল। দুখৰ বিষয় ভাৰতৰ শাসনাধিষ্ঠ ৰাজনীতিবিদ সকলে সংস্কৃত ভাষাক মৃতভাষা বুলি আদৰ নকৰাত পঢ়াশালি আদিৰ পৰা বাধ্যতামূলক বিষয় হিচাপে স্বকৃতি নিদিয়াত সংস্কৃত ভাষা লুপ্ত প্রায় হৈছে। সেই কাৰণে গীতা-ভাগৱতৰ চর্চা নইকীয়া হৈ পৰিছে। গীতা বিশ্বশান্তিৰ ভৰাল। এই অমূল্য গ্রন্থ সর্বদেশ পূজিত হলেও তুলনামূলক ভাবে ভাৰতবৰ্ষত ইয়াৰ প্রচলন দুঃখজনক। যদি ভাৰতৰ পঢ়াশালিবিলাকত সংস্কৃত শিক্ষাৰ প্রেৰণা দিয়া হয় তেতিয়া হলে আমাৰ পুৰণি গীতা, ভাগৱত আদিৰ অর্থ বিলাক উদ্ধাৰ পাব। তথাকথিত শিক্ষিতলোকৰ মাজত সংস্কৃত ভাষাক আজি হেয় প্রতিপন্ন কৰি বিদেশী ভাষাক আকোৱালি লোৱা দেখা গৈছে। বিজ্ঞানৰ অগ্রগতিৰ লগে লগে মানুহৰ মনত ভয় আৰু আতঙ্ক বাঢ়ি গৈছে। বিজ্ঞান যে বিশ্ব ধ্বংসৰ মূল কাৰণহৈ ঠিয় দিছে তাক আজি সকলোৱে বুজি পাইছে। গতিকে আমাৰ পুৰণি গ্রন্থবিলাকত যি জ্ঞানৰ ভৰাল আছে তাক অধ্যায়ন কৰিলেহে আমাৰ দেশত শান্তি প্রগতি ঘূৰি আহিব।

মনত ৰাখিব

* মদে ব্যক্তিৰ ধন, ধৰ্ম্ম, স্বাস্থ্য আৰু চৰিত্রৰ অৱনতি ঘটায়।
* যি মদ খায় তেওঁ নিজেও ধ্বংস হয় আৰু সমাজৰো অনিষ্ট সাধন কৰে।
* জনসাধাৰণক মদৰ অপকাৰিতাৰ বিষয়ে সজাগ কৰি এনে অনিষ্টকাৰী বস্তুৰ বিৰুদ্ধে প্রবল জনমত গঠন কৰক।

(ৰাজ্যিক মাদকদ্রব্য নিবাৰণী পৰিষদৰ প্রচাৰ বিভাগৰ দ্বাৰা প্রচাৰিতঃ গুৱাহাটী ৩)

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

ভাগৱত-ধৰ্ম

শ্ৰীৰজনীকান্ত দেৱশৰ্মা

সনাতন হিন্দু ধৰ্মত নানা দেৱতাৰ পূজাৰ বিধান থাকিলেও ঈশ্বৰ এজনেই। 'একং সদ্ বিপ্ৰা বহুধা ৱদন্তি'— সৎ বস্তু এটাই, জ্ঞানী সকলে তাক বহু নাম দি মাতে। এই একেশ্বৰৰ ধাৰণাত খোপনি ৰাখি ধৰ্মৰ লক্ষণ যুগে যুগে পৰিবৰ্ত্তিত হৈ আহিছে। পূৰ্বমীমাংসা দৰ্শনত বেদবিহিত যাগ-যজ্ঞাদি কাম্য কৰ্মবোৰক হে একমাত্ৰ ধৰ্ম বোলা হৈছে। 'চোদনালক্ষণোঽৰ্থো ধৰ্মঃ'— জৈমিনিকৃত ধৰ্মৰ এই লক্ষণে উক্ত কথাকে বুজাইছে। মনুৰ ধৰ্ম-লক্ষণত আৰু কিছু কথা সোমাই পৰিল। মনুৱে কৈছে— 'বিদ্বদ্ভিঃ সেৱিতঃ সদ্ভিৰ্নিত্যমদ্বেষৰাগিভিঃ। হৃদয়েনাভ্যনুজ্ঞাতো যো ধৰ্মস্তং নিবোধত ॥'— ৰাগদ্বেষশূন্য বেদজ্ঞ লোকসকলৰ দ্বাৰা অনুষ্ঠিত শ্ৰেয়ঃসাধন কৰ্মই ধৰ্ম। এই 'শ্ৰেয়ঃসাধন' কথাষাৰে ইহলোক আৰু পৰলোক উভয়তে হোৱা কল্যাণক বুজাইছে। বৈশেষিক দৰ্শনত কথাষাৰ স্পষ্টভাৱে প্ৰকাশিত হৈছে। এই দৰ্শনত ধৰ্মৰ সূত্ৰ হৈছে— 'যতোঽভ্যুদয়নিঃশ্ৰেয়সসিদ্ধিঃ স ধৰ্মঃ'— যিবোৰ কৰ্ম অনুষ্ঠান কৰিলে এই জীৱনত মানুহৰ সুখ-শান্তি হয় আৰু মৃত্যুৰ পাছত পৰলোকতো নিঃশ্ৰেয়স বা মোক্ষ লাভ হয় সেয়ে ধৰ্ম। মহাভাৰতে দিয়া ধৰ্মৰ সূত্ৰটো আৰু ব্যাপক। 'ধাৰণাদ্ধৰ্ম ইত্যাহুঃ ধৰ্মো ধাৰয়তে প্ৰজাঃ'— ধৰ্মই মানুহক ধাৰণ কৰি থাকে, এই কাৰণে তাৰ নাম ধৰ্ম। পুৰাণ-সূৰ্য্য ভাগৱতে গুৰু-গম্ভীৰ অথচ প্ৰাঞ্জল ভাষাত ধৰ্মৰ এটা সৰ্বাঙ্গসুন্দৰ লক্ষণ ব্যক্ত কৰিছে। ভাগৱত-ধৰ্মৰ অভীষ্ট দেৱতা হৈছে পৰম সত্যৰূপী ভগৱান। ইয়াৰ বক্তা স্বয়ং নাৰায়ণ। এই ধৰ্মৰ উপাসকসকল পৰশ্ৰীকাতৰতাশূন্য সকলো জীৱৰ প্ৰতি দয়ালু মহাত্মা। ইয়াত কোনো ফলাকাঙ্ক্ষা, আনকি মোক্ষবো আকাঙ্ক্ষা নাই। ভাগৱত-ধৰ্মৰ অনুশীলনৰ ফলত আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক এই ত্ৰিতাপ নিৰ্মূল হৈ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

মানুহৰ পৰম সুখ লাভ হয়। জন্মান্তৰীয় পুণ্যৰ বলতহে মানুহৰ ভাগৱত-শাস্ত্ৰ শ্ৰৱণৰ প্ৰবৃত্তি হয়। অন্যান্য শাস্ত্ৰতো ভগৱান প্ৰতিপাদিত হৈছে, কিন্তু ভাগৱত-শাস্ত্ৰ-নিৰূপিত ভক্তিৰ দ্বাৰা খুব কম সময়ৰ ভিতৰতে ভগৱান হৃদয়ত উপলব্ধি হয়। এই পৰম ধৰ্মই ভাগৱতৰ প্ৰতিপাদ্য বিষয় আৰু গ্ৰন্থৰ—

ধৰ্মঃ প্ৰোজ্ঝিতকৈতৱোঽত্ৰ পৰমো নিৰ্মৎসৰাণাং সতাং
ৱেদ্যং ৱাস্তৱমত্ৰ ৱস্তু শিৱদং তাপত্ৰয়োন্মূলনম্।
শ্ৰীমদ্ভাগৱতে মহামুনিকৃতে কিং ৱা পৰৈৰীশ্বৰঃ
সদ্যো হৃদ্যৱৰুধ্যতেঽত্ৰ কৃতিভিঃ শুশ্ৰূষুভিস্তৎক্ষণাৎ॥

এই দ্বিতীয় শ্লোকত উক্ত কথাই প্ৰকাশিত হৈছে। বেদশাস্ত্ৰৰ সুপক্ক ৰসময় ফলস্বৰূপ ভাগৱতশাস্ত্ৰ শ্ৰৱণকাৰী পুণ্যাত্মাসকলৰ জীৱন আনন্দময় হয়। বিষয়ভোগৰ আসক্তি সলমূঞ্চে দূৰ নহলে ভক্তিৰস আস্বাদনৰ প্ৰতি মন উন্মুখ নহয়। সেয়ে ভাগৱত শাস্ত্ৰই উপদেশ দিছে—ভগৱানৰ পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰ গুণকৰ্ম-লীলা সাধুসংগত শ্ৰৱণ-কীৰ্ত্তন কৰোঁতে কৰোঁতে চিত্ত শুদ্ধ হলে সেই চিত্তত ভগৱানৰ প্ৰতিচ্ছবি পৰে। ভগৱান কপিলে মাতৃ দেৱহূতিক কৈছে—

সতাং প্ৰসংগান্মম ৱীৰ্যসংৱিদো ভৱন্তি হৃৎকৰ্ণৰসায়নাঃ কথাঃ।
তজ্জোষণাদাশ্বপৱৰ্গৱৰ্ত্মনি শ্ৰদ্ধা ৰতিৰ্ভক্তিৰনুক্ৰমিষ্যতি॥ [৩।২৫।২৫

প্ৰকৃত সাধুসংগ লাভ কৰিলে সেই সংগত ভগৱানৰ প্ৰভাৱৰ কথা স্বভাৱতে আলোচনা হয়। সেই কথা মন আৰু কাণৰ তৃপ্তিদায়ক। তাৰ ফলত অবিদ্যা-নিবৃত্তিৰ পথেৰে আগ বঢ়াৰ প্ৰতি ক্ৰমে শ্ৰদ্ধা, অনুৰাগ আৰু ভক্তিৰ উদয় হয়।

সাধু কাক বোলে? ভগৱানৰে অৱতাৰ স্বৰূপ কপিলে সাধুৰ লক্ষণ-প্ৰসংগত কৈছে—

তিতিক্ষৱঃ কাৰুণিকাঃ সুহৃদঃ সৰ্বদেহিনাম্।
অজাতশত্ৰৱঃ শান্তাঃ সাধৱঃ সাধুভূষণাঃ॥
ময্যনন্যেন ভাৱেন ভক্তিং কুৰ্ৱন্তি যে দৃঢ়াম্।
মৎকৃতে ত্যক্তকৰ্মাণঃ তক্তস্বজনবান্ধৱাঃ॥
মদাশ্ৰয়াঃ কথাঃ মৃষ্টাঃ শৃণ্বন্তি কথয়ন্তি চ।

—১০

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

তপন্তি বিবিধাস্তাপা নৈতান্ মদ্গতচেতসঃ ॥
ত এতে সাধবঃ সাধ্বি সৰ্বসংগবিবর্জিতাঃ ॥
সংগস্তেষ্বথ তে প্ৰাৰ্থ্যঃ সংগদোষহৰা হি তে ॥ [৩৷২৫৷২১-২৪

অৰ্থাৎ 'সাধুসকল ক্ষমাশীল, দয়ালু, সকলো জীৱৰে শুভাকাঙ্ক্ষী, কাৰো লগত শত্ৰুভাব নাই, তেওঁলোক সৰল আৰু আন সাধুৰ প্ৰতি শ্ৰদ্ধাসম্পন্ন। ভগৱানৰ প্ৰতি তেওঁলোকৰ অচলা ভক্তি, তেওঁলোকে সকলো কৰ্ম ভগৱানকে অৰ্পণ কৰে, আত্মীয়-স্বজনৰ প্ৰতি তেওঁলোক অনাসক্ত। ভগৱানতে নিজক সমৰ্পণ কৰি সাধুসকলে তেওঁৰে পবিত্ৰ কথা শ্ৰৱণ-কীৰ্ত্তন কৰে। তেওঁলোকক ত্ৰিতাপে অভিভূত কৰিব নোৱাৰে। ভাগৱতবৰ্ণিত এই সাধু যে এজন শ্ৰেষ্ঠ মানৱ তাত সন্দেহ নাই। তেনে লোকৰ চৰিত্ৰৰ প্ৰভাৱ আনৰ ওপৰতো পৰে।

জীৱমাত্ৰেই ত্ৰিগুণৰ সৃষ্টি। কোনো সত্ত্বপ্ৰধান, কোনো ৰজঃপ্ৰধান আৰু কোনো তমঃপ্ৰধান। গুণৰ তাৰতম্য অনুসৰি ৰুচি আৰু নিষ্ঠাৰো ভিন্নতা হয়। সেয়ে সাধানমাৰ্গত কাণ্ডাৰী স্বৰূপে উপযুক্ত গুৰুৰ প্ৰয়োজন। নৱসিদ্ধৰ অন্যতম প্ৰবুদ্ধই ৰজা নিমিক কৈছিলে—

'তস্মাদ্ গুৰুং প্ৰপদ্যেত জিজ্ঞাসুঃ শ্ৰেয় উত্তমম্।
শব্দে পৰে চ নিষ্ণাতং ব্ৰহ্মণ্যুপশমাশ্ৰয়ম্ ॥ [১১৷৩৷১২

ভগৱৎ-তত্ত্ব ৰূপ উত্তম শ্ৰেয় জানিব খোজাজনে বেদতত্ত্বজ্ঞ আৰু অপৰোক্ষ অনুভৱসম্পন্ন গুৰুত শৰণ লব লাগে। মহাপুৰুষ শঙ্কৰদেৱেও কৈছে—
'জানন্ত শাস্ত্ৰৰ তত্ত্ব কৃষ্ণৰ ভকত। সেই গুৰু উপদেশ দিবাক শকত ॥

ভাগৱত ধৰ্ম আৰু বৰ্ণাশ্ৰম ধৰ্মৰ মাজত কোনো বিৰোধ নাই। ভাগৱতৰ সপ্তম স্কন্ধত বৰ্ণাশ্ৰম ধৰ্মৰ উপদেশ আছে। বৰ্ণধৰ্ম আৰু আশ্ৰমধৰ্ম পালনৰ যোগেদি ভক্তি পথত আগ বাঢ়িব পাৰি—এয়ে ভাগৱতৰ অভিপ্ৰায়। ধ্ৰুৱ আৰু প্ৰহ্লাদৰ দৰে পৰম ভক্তক ভগৱানে ৰাজ্য শাসন কৰ্মত নিযুক্ত কৰিছিল। সকলো মানুহৰে পালনীয় ত্ৰিশ প্ৰকাৰ ধৰ্ম ভাগৱত ধৰ্মৰে অন্তৰ্গত। সত্য, দয়া, তপস্যা, শুচিতা ত্যাগৰ ইচ্ছা, যোগ্য আযোগ্যৰ বিচাৰ, মনৰ সংযম, ইন্দ্ৰিয় দমন, অহিংসা, ব্ৰহ্মচৰ্য্য, দান, স্বাধ্যায় বা জপ, সৰলতা, যি পায় তাতে সন্তুষ্টি, শ্ৰেষ্ঠজনৰ সেৱা, লাহে লাহে কাম্য কৰ্ম ত্যাগ, কৰ্মফলৰ আকাঙ্ক্ষা ত্যাগ, নিৰৰ্থক কথা বৰ্জন, দেহাতিৰিক্ত আত্মাৰ

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

চিন্তা, সকলো জীৱকে অন্নাদি বিতৰণ, সকলো প্ৰাণীকে বিশেষকৈ ৰজাক আত্মা আৰু দেৱতাজ্ঞান কৰা আৰু শ্ৰৱন কীৰ্ত্তন আদি ন বিধ ভক্তি— এই ত্ৰিশলক্ষণযুক্ত ধৰ্ম আচৰণ কৰিলে ভগৱান তুষ্ট হয়। নাৰদে যুধিষ্ঠিৰক উপদেশ দিয়াৰ ছলেৰে ভাগৱত ধৰ্মৰ স্বৰূপ ব্যক্ত কৰা হৈছে। প্ৰত্যেক লোকেই নিজ নিজ স্বভাৱ অনুসৰি কৰ্ম কৰাটোই শ্ৰেয়ঃ। গীতাত, দোষযুক্ত হলেও, স্বধৰ্ম আচৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে—'শ্ৰেয়ান্ স্বধৰ্মো ৱিগুণঃ পৰধৰ্মাৎ স্বনুষ্ঠিতাৎ। স্বধৰ্মে নিধনং শ্ৰেয়ঃ পৰধৰ্মো ভয়াৱহঃ।" ভাগৱতেও একে কথাকে কৈছে—

"বৃত্ত্যা স্বভাৱকৃতয়া ৱৰ্তমানঃ স্বকৰ্মকৃৎ।
হিত্বা স্বভাৱজং কৰ্ম শনৈৰ্নিগুৰ্ণতামিয়াৎ॥"

ভাগৱত ধৰ্মৰ মুখ্য অভিপ্ৰায় মানুহক পৰমানন্দৰ আস্বাদ দিয়া। তুচ্ছ বিষয়-মুক্তিতো নিস্পৃহ নিগুৰ্ণ ভক্ত ভাগৱতৰ আদৰ্শনীয় ভক্ত। বিশ্বৰ সুখৰ উৰ্দ্ধত উঠি বসময় ভগৱানৰ ওচৰত দেহ মন অৰ্পণ কৰি বিশ্বৰ সকলো জীৱৰ লগত ঐকাত্ম্য অনুভৱ কৰি ভূমাৰ আস্বাদেৰে মানৱী জীৱন ধন্য কৰাই ভক্তিৰ পৰাকাষ্ঠা। প্ৰহ্লাদ, ধ্ৰুৱ, অম্বৰীষ, ভৰত, পৃথু, যুধিষ্ঠিৰ, নাৰদ, শুকদেৱ, পৰীক্ষিত আদি পৰম ভক্তসকলৰ জীৱনাদৰ্শেৰেউদ্বুদ্ধ হৈ হৃদয়-গ্ৰন্থি ছিন্ন কৰি অহৈতুকী ভক্তিৰে প্ৰেমানন্দ লাভ কৰিব পাৰিলে মুক্তিৰ সুখো অকিঞ্চিৎকৰ হয়। যি এবাৰ এই সুখৰ সোৱাদ পায় ভোগৰ সুখ ইয়াৰ তুলনাত অতি ক্ষুদ্ৰ বুলি উপলব্ধি কৰে।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

বিশ্বৰূপ

শ্ৰীবৈকুণ্ঠ তালুকদাৰ

আগতেও আছিলো মই,
এতিয়াও আছো ;
থাকিম অনন্ত কাল মই।
কৰ্মহীন জীৱন ল'ই
মোক পাবলৈ,
বৃথা চেষ্টা নকৰিবা হায় !
সৰু বৰ কোনো নাই,
সকলোতে আছো মই,
একেই জীৱাত্মা তুমি-মই।
মোতেই শৰণ লই,
নিজ কৰ্ম কৰিযোৱা,
তোমাতেই আছো মই বই।
দৰ্প অহঙ্কাৰ লই,
গৌৰৱত গুফন্দি ফুৰা,
বহু আছে নেজহীন প্ৰাণী।
মই-ভাৱ কৰা দূৰ
অহঙ্কাৰ মৰিমূৰ
সমস্ততে ঈশ্বৰ বুদ্ধিমানি।
কলো সখি গুহ্য-কথা
মোৰ চৰণ কেৱল সেৱা
ময়েই ব্ৰাহ্মণ, ময়েই চণ্ডাল
মোতেই বিশ্বক বিচাৰি পাবা।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া সকল ঃ

উপদেষ্টা সমিতি

শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা	শ্ৰীচিদানন্দ দাস
শ্ৰীধৰ্মানন্দ দাস	শ্ৰীমতী পুষ্পলতা দাস
শ্ৰীমহেন্দ্ৰ চন্দ্ৰ পাঠক	শ্ৰীবৰদা চৰণ মেধী
শ্ৰীছগনলাল জৈন	শ্ৰীপ্ৰেমকান্ত মহন্ত
শ্ৰীভৱপ্ৰসাদ চলিহ	শ্ৰীদেবেন্দ্ৰ নাথ ৰৰা

সভানেত্ৰী ঃ শ্ৰীমতী অমলপ্ৰভা দাস
কাঃ সভাপতি ঃ ডাঃ বীৰেন্দ্ৰ নাথ চৌধুৰী
উপ-সভাপতি ঃ শ্ৰীৰবীন্দ্ৰ নাথ নবিশ
শ্ৰীৰজনী কান্ত চক্ৰবৰ্ত্তী
শ্ৰীমতী হেম কাকতী
শ্ৰীহৰিশ চন্দ্ৰ পাঠক
শ্ৰীকিৰণ শৰ্ম্মা
শ্ৰীৰামপদ পাঠক
কাৰ্য্যালয় সম্পাদক
শ্ৰীনৃপেন শৰ্মা

আহ্বায়ক ঃ শ্ৰীহেমভাই
সাধাৰণ সম্পাদক
শ্ৰীনিৰ্মল কুমাৰ শাস্ত্ৰী
শ্ৰীনৱদ্বীপ ৰঞ্জন পাটগিৰি
শ্ৰীমতী শুচিব্ৰতা ৰায়চৌধুৰী
শ্ৰীদ্বাৰিকা বৰুৱা
শ্ৰীৰমেন বৰুৱা
কোষাধ্যক্ষ
শ্ৰীদামোদৰ হাজৰিকা
স্মৃতিগ্ৰন্থ সম্পাদক
শ্ৰীকনকচন্দ্ৰ ডেকা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

গীতা-জ্ঞান-মঞ্জৰী

উপদেষ্টা সমিতি ঃ

ড° মহেশ্বৰ নেওগ

অধ্যাপক ৰজনী কান্ত দেৱশৰ্ম্মা

ড° হেমন্ত কুমাৰ শৰ্ম্মা

ড° কৃষ্ণ নাৰায়ণ প্ৰদাদ মাগধ

শ্ৰীহেমভাই

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

শ্ৰীকৃষ্ণৰাজ মেহতা

শ্ৰীমতী শকুন্তলা চৌধুৰী

শ্ৰীবাহেনা শইকীয়া

শ্ৰীবৈকুণ্ঠ তালুকদাৰ

শ্ৰীভগগিৰি ৰায়চৌধুৰী

শ্ৰীনাৰায়ণ দাস

শ্ৰীঅশোক ডেকা

শ্ৰীৰমেশ চন্দ্ৰ তালুকদাৰ

শ্ৰীবিমল ভূঞা

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

জীৱনটো এনেয়ে চুটি, আৰু চুটি নকৰিব

* আপোনাৰ ঘৰৰ বাল্ব বদলাওঁতে বা টেবুল ফেন ইফাল সিফাল কৰোতে সংশ্লিষ্ট ছুইচটো 'অফ্' কৰিহে তেনে কৰিব।
* ফিউজ ৱায়াৰ ছিগিলে সঠিক জোখৰ ফিউজ ৱায়াৰ হে লগাবলৈ দিব। ডাঙৰ ফিউজ ৱায়াৰে কাট-আউটৰ ফিউজ ৱায়াৰ বা খুটাত থকা 'এৰিয়েল ফিউজ' ছিঙি দিব নাইবা বিদ্যুৎ প্ৰবাহক তাঁৰ জ্বলাব পাৰে।
* চকেটত প্লাগ লগোৱাৰ বা চকেটৰ পৰা প্লাগ এৰুওৱাৰ আগতে সংশ্লিষ্ট ছুইচটো অফ, কৰি লওক। লাহে ধীৰে বা দ্বিধাগ্ৰস্ত ভাবে এইবোৰ কাম নকৰিব।
* জোৰা লগোৱা, ইন্সুলেচন ছিগা ৱায়াৰ কেতিয়াও ব্যৱহাৰ নকৰিব। ভগা প্লাগ, ভগা ছুইচো ব্যৱহাৰ নকৰিব।
* বিদ্যুৎ-চালিত সা-সজুঁলিত বা বিদ্যুৎ, প্ৰবাহক তাঁৰত ধোঁৱা দেখিলে, জুইৰ শিখা দেখিলে নুমুৱাবলৈ পানী কেতিয়াও নামাবিব। পানী বিদ্যুৎ পৰিবাহক, গতিকে পানী মৰাটো বিপজ্জনক।
* বিদ্যুৎ পৰিবাহক তাঁৰত তিতা কাপোৰ কেতিয়াও নেমেলিব। তিতা কাপোৰেৰে তাঁৰৰ পৰা বিদ্যুত উৰুখি আপোনাক আঘাত কৰি মৃত্যু ঘটাব পাৰে বা চিৰঘুণীয়া কৰিব পাৰে।
* বাটৰ কাষত খুটাৰ পৰা ওলমি বা ছিগি পৰি থকা বিদ্যুৎৰ তাঁৰ কেতিয়াও নুচুব। আনে যাতে নোচোৱে তাৰ বাবেও সতৰ্কতামুলক ব্যৱস্থা লব।
* অঘটন ঘটাব শঙকা দেখিলে বিদ্যুৎ পৰিষদৰ কৰ্মীক খবৰ দিয়ক।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়াৰ দ্বাৰা প্ৰচাৰিত।

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

"সত্য-প্ৰেম-কৰুণা"

আপুনি সকলো জীৱৰে মিত্ৰ

আপুনি বিচাৰে আপোনাৰ সন্তান হওক
লৱ-কুশৰ দৰে
আপুনি বিচাৰে আপোনাৰ সন্তান হওক
বীৰ অভিমন্যুৰ দৰে
সন্তান ভগৱানৰ 'কৰুণা'
সেই সন্তানক প্ৰতিপাল কৰি মানুহ কৰাটো সকলো
পিতৃ-মাতৃৰেই কৰ্ত্তব্য
এইয়া সম্ভৱ হয় "সৰু পৰিয়ালত"

মনত ৰাখিব

'সৰু পৰিয়াল সুখৰ আধাৰ'
দুটি সন্তানেই যথেষ্ট ।

অসম স্বাস্থ্যসেৱা সঞ্চালকালয়ৰ পৰিয়াল কল্যাণৰ
তথ্য আৰু জনসংযোগ শাখাৰ দ্বাৰা প্ৰচাৰিত

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

Gita-Jnana-Manjari

INDEX

Dr. Maheswar Neog :	The Neo-Vaisnava Movement of Sankaradeva	1
Dr. Sraddhakar Supakar : Sahityacharyya (Orissa)	Gita And Bhagavata Dharma	17
Dr. Pratap Chandra Chaudhury :	Guwahati : An Ancient City of the East	29
Dr. S. K. Bhowmik : (Gujrat)	Is Bhakti Movement Relevant In Modern India ?	42
Shri Bhaba Prasad Chaliha :	Early Vaishnavism And The Neo-Vaishnavite Movement In Assam	52
Dr. D. P. Pattanayak : (Mysore)	Geetha And The Cultural Heritage of Assam	59
Late Shiman Narayan :	Sthita-Prajna-Darshana	62
Jyoti (Germany) :	On Religion And Spirituality	70
Dr. S. N. Sarma :	Influence of The Geeta on The Vaishnava Poets of Assam	75
Shri Hembhai :	Krishna to Break Barriers	79
Dr. H. K. Sarma :	The Janmastami Festival In Assam	82
Shri N. R. Patgiri :	Evolution of Bhakti Cult	86
Dr. R. C. Thakuria ;	The Glorification of The Name of God In The Neo-Vaishnavism of Sankaradeva	90
Smriti Bhattacharjee :	Vivekananda, The Non-Conventional Guide	94

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

THE NEO-VAISNAVA MOVEMENT OF SANKARADEVA

Dr. Maheswar Neog

The leader of the Vaisnava Renaissance in Assam was Sankaradeva (1449-1568 A. D.). The date traditionally ascribed to his birth is 1371 Saka, so that his death in 1490 Saka would roughly give us one hundred and twenty years, the full span attributed to the mahapurusa, although in another opinion he was born in 1385 Saka. Born to the family of the Sakta Kayastha overlord of the Bara-Bhuyas at Bardowa, Sankara enjoyed a gay and wild childhood, his parents having died and left him in his infancy. At his twelfth year he was placed under the care of a local pandit, Mahendra Kandali. After a thorough education in grammar and Sanskrit lore, he came back home a proud and finished scholar, when he was caught in the silken tie of matrimony and had to confine himself to the coarse duties of a Bhuya chief in spite of all his inclination on the side of a studious career. There were constant skirmishes with the neigbouring Kachari tribe to worry him, and at the head of it came soon the death of his young wife, who left a girl child behind her. This bereavement seems to have made a deep influence upon Sankara's mind with its natural poetical proclivity, for he now determined to go on pilgrimage to Puri, Vridavana and other holy places. This he did when he was thirty-two years old (1481

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

A.D.), and left the administration in the hands of his two old uncles. His stay at Puri seems to have been long, and it was possibly in this religious centre that he received his illumination, for no earthly guru of his is known, and he later said to one of his followers that after he had visited the temple at Puri and bowed his head to Jagannatha enshrined there, it was his resolve not to bow it down to any other god, meaning that Jagannatha alone could be his guru and worshipful. Sankaradeva composed lyrics in the artificial Brajabuli idiom during his sojourn in Northern India, although some of his works like the **Hariscandara-upakhyana** are said to have been written as early in his school-days. After twelve years of travelling Sankaradeva returned home a saint, carrying and abiding impression of the renascent Vaisnavism, which with its lyric grace was pulsating in the heart of India 'in the widest commonalty spread'. He had now discovered his mission of life, and was well intent on forsaking the world. But the affectionate anxiety of his grandmother and all others around him made him marry for a second time ; and he had also to resume administration under thair pressure.

In the meantime he received from Puri a copy of the **Bhagavatapurana** furnished with the "Bhagavata-bhavartha-dipika commentary of Sridhara-svamin, and set to rendering parts of this visnuite purana into Assamese with the definite intention of propounding and propagating the cult of bhakti, of the exquisite beauty of which he was firmly convinced. After he had made some sections of his **Kirtanaghosa** among other books, he received his first proselytes. He adopted the attractive method of holding kirtana or mass prayer and dramatic performances, and this soon att-

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

racted many people to his religion. He made a temple (kirtana-ghar, namghar) near his official headquarters at Bardowa, and this institution became the nucleus of the Vaisnava organisation, which later spread throughout the three Assamese States of Assam, Kamarupa and Koc Behar in the form of regional establishments, called sattra, and numerous village temples, known as namghar.

Sankaradeva soon renounced his bhuyaship, and with his following, both mundane and divine, retreated across the Brahmaputra to regions occupied so long by other lesser Bhuyas. But finding themselves too near the growing Koc Power under Visvasimha (c. 1496-c. 1533), they migrated further to the east, and stationed themselves at Dhuwahat or Belaguri in the Majuli island on the Brahmaputra, now a part of the Ahom kingdom.

At Dhuwahat a Sakta youth, Madhava (1489-1596), also a scion of Kayastha Bhuyas, a busy tradesman too, came to have a religious disputation with Sankara as he found that the Vaisnava was interdicting people from the worship of, and blood sacrifices to, the Devi, and all that in Kamarupa, the spiritual domain of the Mother Goddess. The hot debate, which went on vigorously for quite a few hours, ended in the immediate conversion of Madhava. And Madhava very readily gave up his trade, and dissolved a maturing proposal for marriage to choose a life of celibacy and ardent devotion and service to the guru. He became Sankaradeva's dearest and closest disciple, supporting the guru in his proselytising and literary activities, and the greatest apostle of the new found faith, giving poise and strength to the organisation of the Vaisnava order in Assam.

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

But soon followed a period of unrest for the Vaisnavas due to the hostility of the brahman priesthood, which found, to much chagrin, that its authority was being challenged by the new-fangled creed, which placed the brahman and the pariah alike on the same religious footing and opened the portals of sacred knowledge to the common man by rendering religious texts into the local language, and minimised the importance of ritualism by extolling the kirtana form of worship and discarding the worship of many gods in favour of a rigid monotheism. Sankara's followers were openly molested. He therefore, arranged to meet the scholarly section of the hostile camp, and in the discussions that ensued the latter was completely routed. The opposition then vilely abused the ears of the Ahom monarch, Suhumumng (1497-1539), against the religious revel, who was immediately hauled up for trial : but the saint acquitted himself well in the presence of the king, and was let off with honour. All the same, there was no cessation of hostility ; and although Sankara's cousin, Jagatananda or Ramaraya, seems to have some administrative responsibility under the Ahoms, the Bhuyas, alwasy suspects as a possible source of mischief, soon earned royal disfavour and there was an order for the arrest of some of them iucluding Sankaradeva. Madhavadeva persuaded the Master to go underground for a time ; and he himself and Sankaradeva's son-in-law, Hari Bhuya, were apprehended, and taken to the capital at Gadgao for trial. Hari was beheaded and Madhava was kept in detention for about nine months and then released.

This incident filled Sankaradeva's mind with disgust, but also provided the determination to leave the Ahom kingdom. The king of the western state of Koc Behar,

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

Naranarayan, (c. 1533-87), and his brother and commander-in-chief of the Koc army, Sukladhvaja (the author of the 'Saravati' commentary on the **Gitagovinda**), already well-known for their learning and wisdom, were now leading an attack on northern parts of the Ahom kingdom. Some of the Bhuyas, related to Sankaradeva and his group, had already joined the Koc camp. Sankaradeva and his following seized this opportunity, and rowed down the Brahmaputra for safety within the Koc state. They made their settlement at Barpeta, where the creed began to thrive and the order began to swell. The rich merchant, Bhavananda (later, Narayana Thakur), a Musalman tailor, Cnadsai (Candkhan), some brahmans, and some officers of state were among those who joined him. The Vaisnava could also count upon the help of Sukladhvaja, who married the daughter of Ramaraya and also accepted the saint's faith. For the last eighteen or twenty years of his life now remaining, his sattra at Patbausi (Barpeta) became the centre of dissemination of the new light that bhakti brought. He, now a centenarian, made a second pilgrimage, covering only six months, to Puri. All the time he was also busy writing books, which were to be the gospel of the new faith. The prestige and influence that he now commanded in the Koc kingdom made others jealous of him ; and insistent complaints against him and his religious activities were lodged with the king. After some persecution of the Vaisnavas Sankaradeva pacsented himsalf at Naranarayana's court, and soon found himsalf pitted in a battle of arguments with brahman controversialists of the capital. At the end he rose triumphent ; and the saint and the monarch,, so much struck by the profundity of his scholarship and the sublimity of his faith, became friends, and remained friends for the

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

rest of their life. The Vaisnavas now felt completely secure, and filled the land with their holy music. Sankardeva visited the Koc capital several times after this ; and it was here that he passed away in 1568 A.D. His soul and his message of love have permeated into the national consciousness and the very being of the people.

Sankaradeva nominated Madhavadeva as his successor to hold charge of the order. The latter set up his sattra at Sundaridiya (Barpeta), where he made his chief work, **Namaghosa,** among other compositions. From time to time he visited different places round about his sattra, and erected a temple primarily for the purpose of dramatic performances, but this soon grew into a sattra, the Barpeta-sattra. The hostile people were busy all the time, bringing allegations of broadcasting a corrupt religion against Madhavadeva in the court of Raghudevanarayana (1581-1605), the son of Sukladhvaja, who quarrelled with his uncle Naranarayana after his father's death, and declared himself independent as the king of Kamarupa (the eastern half of the Koc state built by Visvasimha, Naranarayana and Sukladhvaja). A contingent of sepoys raged the Barpeta-sattra, seized the petty belongings of the cloistered Vaisnavas, and carried Madhavadeva and some of the monks there in boats to the capital at Vijaypur. But before the saint could be summoned for trial in the open court, the hostile pandits withdrew their charges ; Madhavadeva was honourably acquitted, and the effects of the monks were returned to them. Soon after, however, the whimsical king sent Madhavadeva a writ, asking him to leave Barpeta as early as possible and settle at Hajo with its Hayagriva-Madhava temple. But here the saint Madhava attracted more people than the god Madhava ; and seeing

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

here in the possibility of fresh troubles, he hastily decided to leave Raghudeva's kingdom and accordingly crossed the border over to Koc Behar, where Naranarayana's son, Laksminarayana (1587 1627), was now ruling. There too he did not find a peaceful life as many people found it difficult to accept Sankaradeva's creed, and particularly because an officer, a qaji, could not take kindly to him on account of the Vaisnava's' refusal to interdine with people outside of their fraternity. Madhavadeva was confronted with harsh controversies at the royal court ; but the profundity of his learning came to good account in this impasse, and Laksminarayana declared the new faith, with two sattras in the capital, the state religion. The saint like the master died in Koc Behar in 1596 AD.

Sankaradeva delegated to his brahman follower, Damodaradeva, the power of administering ordination, as this was considered expedient particularly in the case of brahman neophytes. Immediately after the death of the guru, however, there was a "rift in the lute," and Damodara seceded from the main order, and formed a schism. It was represented to Pariksitanarayana of Kamarupa (AD. 1603-16) that this brahman was bringing pollution on the country by accepting a sudra's faith and by crying against the worship of all gods and goddesses. The king ordered externment of the saint, who made his way to the Koc Behar capital and built himself the Vaikunthapur sattra there. It is remarkable that the three first great Vaisnava acaryas of Assam died in Koc Behar, which, by the logic of political history, is to-day not within this State.

Another brahman dissenter like Damodaradeva was Harideva, who claims only a few sattras of his following, confined to the present district of Kamrup.

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

Sankaradeva's family priest and friend, Ramarama, remained by his side all through his life, and the family springing from Ramarama remained loyal to the order, and supplied Patbausi and Barpeta-sattras with Superiors.

Madhavadeva sent out holy men as a postles of the bhakti faith, the chief among them being Gopaladeva of Bhavanipur, Padma Ata, and Gopaladeva better known as Vamsigopala. The nomination of Vamsigopala, a brahman, was approved by Damodaradeva also. These three apostles and their deputies established sattras mostly in Assam, that is, the Ahom kingdom : and some of their sattras are very rich, and claim each a large and widespread laity. Madhavadeva's sister's son, Ramacarana, and Mathuradasa were left in charge of the temples built by the saint at Sundaridiya and Barpeta. The three sons of Sankaradeva died prematurely, and his grandsons, Purusottama and a Caturbhuja, and the latter's wife, Kanakalata, appointed their deputies, who organised sattras in various places ; and these sattras, almost a church by themselves, look up for inspiration to Bardowa, the birth-place of the saint. Damodardeva appointed three nominees, who stayed in sattras in Kamrup, while Vanamalideva, a brahman monk staying at his Vaikunthapur-sattra, migrated to the east, and established a powerful sattra (Dakhinpat) under the patronage of the ruling Ahom king. Some sattras were brought into being by persons connected with Sankaradeva and Madhavadeva ; and some of those set up by the divines mentioned above branched off each into several petty establishments.

Thus the three Assamese States of Eastern India, namely Asama, Kamarupa and Koc Behar, were covered by the end of the 17th century and the begi-

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

nning of the 18th with a network of these Vaisnava establishments, and almost the whole Hindu population was now divided among them. Some of the adherents of the Vaisnava order have made serious departures from the original tenets of the faith, or have relapsed into heterogenous doctrines discarded by the gurus. Others again have carried the puritanic zeal of the new faith very far indeed. The followers of Gopaladeva formed into a school, characterized by catholicity and a democratic outlook and freedom from the tyranny of creeds. It particularly thrived and acquired large followings in the north-eastern parts of Assam with their predominatingly Tibeto-Burman population, and reclaimed large numbers of people from animistic practices. The followers of the Mayamara mahanta within Gopaladeva's order rose in revolt as one man against royal oppression (1769), and succeeded in subverting Ahom power for a time, The history of Assam Vaisnavism is one of many conflicts and persecutions. The course of political history of this eastern part of India also has been changing considerably from time to time. But the Renaissance, which had its beginnings in the activities of Sankaradeva has wrought itself into fulfilment in many ways, and marked out a definite place for Assam in the cultural map of India.

An attempt is often made in some quarters to describe Sankara as a social revolutionary, who set aside all caste barriers and preached a faith, banisned from the Srutis and Smritis. Lakshminath Bezbaroa sought to discredit such an extreme view of the matter, when he said : "Sankaradeva and Madhavadeva were no visionaries or revolutionaries. Their aim was to purify Hinduism from within". It will help us to understand

—2

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

the matter if we examine the charges, brought against Sankara by interested parties on different occasions. It was variously alleged :

a. that Sankaradeva preached ekasarana doctrines, and interdicted people from worshipping Durga, Siva and all deities other than Visnu ;
b. than he preached against blood sacrifices ;
c. that being a non-brahman, Sankara studied the **Bhagavatapurana** and rendered it into verses in the language of the common people;
d. that he had become a religious preceptor, rendered namamantra to others, and also taught them the secret of counting of beads on a rosary;
e. that he became the guru to brahmans also, received salutations (namaskara, sewa, olag) from brahmans, both men and women, and gave to them religious precepts (upadesa or guru-vakya) ;
f. that brahmans, Kaivartas and Sudras alike became his disciples, and that Kaivartas, Kolatas (Kolitas), Koces and Brahmans sat together during congregations to repast on milk, fried rice (cira), bananas, etc. ;
g. that as a result of the propagation of his faith, people were turning their back on rituals (karmadharma) ; and
h. that due to his teachings a son would not dine in his father's house only because the son became a convert to the new faith, and his father not.

These were the main charges which could reasonably be levelled against the saint. But there were other allegations, against which Sankaradeva is represented by these early biographers as pleading not guilty, or which could legitimately be described as mere exagerations.

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

Sankaradeva's form jo Vaisnavism is officially named ekasarana nama-dharma, having a strict monotheism as the central doctrine and the recitation or remembering of the names of the one Deity as the principal form of worship.

In many places of his works like **Bhagavata, XI**, Sankaradeva refers to the ekasarana conclusion of the **Bhagaved-gita**. In his **Bhagavata** XI, Krsna thus says to Uddhava : "He who doth not worship other gods, doth not forsake from his lips my names, whether in prosperity or in adversity, and even doth hold within his heart my image, is a saintly person". And again "Do thou keep away from the cult of other deities". "O friend, do thou not worship other gods lest devotion to me be vitiated".

When it was reported to King Pariksitnarayana of Kamarupa that Damodaradeva interdicted the worship of Durga and other deities too, the monarch sent some constables (dhopdhara) to ask the holy man to worship the goddess with sacrifices or, if he failed to comply, to bring him down under arrest. The men came and announced the royal order. Damodaradeva made bold to declare to them : "Place my neck above and that of the bali (the sacrificial animal) below, and cut them both as under if you have the strength in your body. I may go and face the king, but will not worship (the goddess). I acknowledge no tenarmed (goddess) but only Hari". His sermons also contained this interdiction against the worship of other gods than Visun. Another brahman Vaisnava, was confronted with the apparance of a Siva icon raised from the bottom of an old tank, when he saluted the deity as if it were only Visnu whom he saw, saying : namo namo laksmi-pati bhagavanta deva. This strict injunction

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

against the worship of other gods created bitterness amongst the votaries of various deities.

Sankaradeva and other Vaisnava leaders of Assam were rigidly opposed to all blood sacrifices. A veritable stronghold of Sakti worship, the country seems to have in tose days presented a picture of constant sacrifices to the various forms of the Devi. King Laksminarayana of Koc Behar once arranged the worship of Durga and bought a number of goats for sacrifice. Then an idea struck him, and he sent some persons to Damodaradeva, who happened to be in the capital, to ask him if he approved of the sacrifices. Damodara deeply pondered over the matter and sent the reply that, being bhaktas, Sankara (Siva) and Parvati would not accept such sacrifices. The good king there upon sent back the goats to Damodara, who thus tactfully saved the situation without committing himself to an approval of Devi-worship.

It was Ramananda of Northern India (1299-1410), who adopted the medium of the language of the common people for his teaching and gave it the dignity of a classical tongue. Sankaradeva also adopted the effective means of propagating the gospel of his faith through Assamese. The **Bhagavata-purana** formed the mainstay of his cult. This work he studied thoroughly and rendered portions of it into simple Assamese verses, songs and dramas, so that the teaching might appeal to the commonalty. This was more than the existing priesthood could tolerate, and some of this class in their private discussions said : "Being a Sudra, he has rendered the **Bhagavata** to payara. Varily this act is immensely wrong. What we say, (the people) should do : such is the reasoning of sastras". The objection that a Sudra should not read this great purana was

Dr. Urmila Sharma Collection, Varanasi

CC0. In Public Domain, Digitizagtion by eGangotri

met with by Sankaradeva on the authority of the work itself.

Sankaradeva was brought to book in the Koc court of Koc Behar for accepting brahmans among others as disciples, and this was his reply to the charge, addressed to Naranarayana: "Thou hast invited me to explain why, a Sudra, I render nama (the secret formula composite of names of Visnu) (to people). Hath not Kapila's mother thus said in the **Bhagavata** ? —'A Candala, whose tongue giveth out the names of God, is superior to a brahman, versed in the four Vedas. That (Candala) hath (as it were) undergone all penances, performed all sacrifices, abided by all rules of customs and visited all sacred places'. Listen, O king, to another point of reason I adduce from the sastras : it is only : brahmans who can render lessons in the Veda, diksa and mantra. But caste is not to be considered in the case of an acarya (preceptor) who giveth only nama-upadesa ; he can be acarya to people of all the four castes, and that can be counted as no wrong." A Sudra guru received the same sort of salutations from a brahman disciple as could be expected of a Sudra follower, persons belonging to different castes became heads of sattras, and their following also presented a motly variety.

